www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

আমাৰ বহুতো সম্পদ আছিল সেয়া গৌৰবৰ কথা। যি আছিল তাক বঢ়াব পৰা নাই সেয়া দুখৰ কথা। কিন্তু যি আছিল তাক লোপ পাবলৈ দিয়াটো শোক আৰু লাজৰ কথা। — দেশভক্ত তৰুণ ৰাম ফুকন

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

❐ প্ৰথম বছৰ ❐ সংখ্যা- ১২৬ ❐ দেওবাৰ ❐ ১৫ ফেব্ৰুৱাৰী, ২০২৬ চন ❐ Volume/Year- I ❐ Issue- 126 ❐ Sunday ❐ 15th February, 2026 ❐ Asom Barta, Majuli ❐ PRGI Reg. No.- ASASS/25/A2361 ❐ Price- Rs. 10 ❐ Total Page- 8



### ৰাষ্ট্ৰীয় ঘাইপথত অৱতৰণ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিমান

## ৰানৱেৰৈলে উন্নীত অসমৰ ৰাষ্ট্ৰীয় ঘাইপথ; ELF উদ্বোধন প্ৰধানমন্ত্ৰীৰ

### ১৬ খনকৈ বায়ুসেনাৰ বিমানৰ এয়াৰ শ্ব' প্ৰদৰ্শন

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৪ ফেব্ৰুৱাৰী ঃ** আজি অসমৰ মৰাণত এক ঐতিহাসিক আৰু গৌৰৱময় ক্ষণৰ সাক্ষী হৈছে ৰাজ্যবাসী। উত্তৰ-পূৰ্বাঞ্চলৰ একমাত্ৰ অত্যাধুনিক আৰু উন্নতমানৰ ইমাৰজেন্সী লেণ্ডিং ফিল্ড (ELF)ৰ আনুষ্ঠানিক শুভ উদ্বোধন কৰে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। ডিব্ৰুগড় জিলাৰ মৰাণত ❐ ৬ পৃষ্ঠাত

### ■ শিক্ষাবিদগৰাকীৰ বিয়োগত শোকপ্ৰকাশ গুণমুগ্ধৰ ■

## বড়ো সাহিত্য সভাৰ প্ৰাঃ সভাপতি, শিক্ষাবিদ তৰেণ বড়োৰ দেহাৱসান



**নিউজ ডেস্ক, অসম বাৰ্তা, ১৪ ফেব্ৰুৱাৰী ঃ** অসমৰ সাহিত্য, সংস্কৃতি আৰু সমাজ জীৱনৰ এক বিশিষ্ট ব্যক্তিত্ব তৰেণ বড়োৰ আকস্মিক দেহাৱসানত ৰাজ্যবাসী মৰ্মাহত হৈ পৰিছে। বড়ো সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট সাহিত্যিক-কবি-লেখক-গৱেষক, সংগঠক আৰু অভিনেতা ❐ ৬ পৃষ্ঠাত

### "কাৰ্যকৰ্তাই বিজেপিৰ প্ৰাণবায়ু, অক্সিজেন; বিজেপিয়ে চুইছে সফলতাৰ শিখৰ"

# খানাপাৰাত নিৰ্বাচনী ৰণডংকা বজালে মোদীয়ে

### লক্ষাধিক দলীয় কাৰ্যকৰ্তাৰ উপস্থিতিত বিজেপিৰ বুথ বিজয় সংকল্প সমাৰোহত প্ৰধানমন্ত্ৰী

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১৪ ফেব্ৰুৱাৰী ঃ** সমাগত অসম বিধানসভা নিৰ্বাচনৰ পূৰ্বে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুৱাহাটীৰ খানাপাৰাত বিজেপিৰ বিশাল 'বুথ বিজয় সংকল্প সভা'ত অংশগ্ৰহণ কৰি নিৰ্বাচনী ৰণডংকা বজাই দিলে। লক্ষাধিক দলীয় কাৰ্যকৰ্তাৰ উপস্থিতিত অনুষ্ঠিত এই সভাত প্ৰধানমন্ত্ৰীয়ে অসমত তৃতীয়বাৰৰ বাবে বিজেপিৰ চৰকাৰ গঠনৰ ❐ ৬ পৃষ্ঠাত



### পুলৱামা শ্বহীদসকলৰ সপ্তম বাৰ্ষিকীত লেথপোৰাত পুষ্পাঞ্জলি অৰ্পণ অনুষ্ঠান

#### দেশৰ স্মৃতিত চিৰকাল জীয়াই থাকিব ৪০জন বীৰ জোৱানৰ ত্যাগ

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৪ ফেব্ৰুৱাৰী ঃ** ২০১৯ চনৰ ১৪ ফেব্ৰুৱাৰীত জম্মু-কাশ্মীৰৰ পুলৱামা জিলাৰ লেথপোৰাত সংঘটিত ভয়ংকৰ সন্ত্ৰাসবাদী আক্ৰমণত প্ৰাণ আহুতি দিয়া কেন্দ্ৰীয় সংৰক্ষিত ❐ ৬ পৃষ্ঠাত

### উচ্চতম ন্যায়ালয়ত চিপিআই(এম) আৰু চিপিআইৰ আৱেদন; ঘৃণামূলক ভাষণ আৰু ভিডিঅ'ৰ বিৰুদ্ধে তাৎক্ষণিক হস্তক্ষেপৰ দাবী

## পইণ্ট ব্লেংক শ্বট ভিডিঅ' বিতৰ্ক; সোমবাৰে শুনানি



**নিউজ ডেস্ক, অসম বাৰ্তা, ১৪ ফেব্ৰুৱাৰী ঃ** অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে ভাইৰেল হোৱা "পইণ্ট ব্লেংক শ্বট" শীৰ্ষক ভিডিঅ' আৰু তেওঁৰ কথিত ঘৃণামূলক ভাষণৰ সন্দৰ্ভত দাখিল হোৱা গোচৰৰ শুনানি অহা সোমবাৰে ❐ ৬ পৃষ্ঠাত

### পৰিদৰ্শন কৰিব ভাৰত-বাংলাদেশ সীমান্তৰ পশ্চিম কাটিগড়া

## ২১ ফেব্ৰুৱাৰীত পুনৰ অসমলৈ আহিব গৃহমন্ত্ৰী অমিত শ্বাহ



### সীমান্তৰ বিএছএফ জোৱানসকলৰ সৈতে বিশেষ আলোচনাৰ সম্ভাৱনা

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৪ ফেব্ৰুৱাৰী ঃ** কাছাৰ জিলাৰ পশ্চিম কাটিগড়াৰ ভাৰত-বাংলাদেশ আন্তৰ্জাতিক সীমান্তৰ নিকটৱৰ্তী নাতানপুৰ গাঁৱত ২১ ফেব্ৰুৱাৰীত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ আগমন হ'ব বুলি নিশ্চিত হৈছে। গৃহমন্ত্ৰীগৰাকীয়ে ভাৰত চৰকাৰৰ ❐ ৬ পৃষ্ঠাত

### দেশৰ ৰাষ্ট্ৰীয় নিৰাপত্তাৰ ক্ষেত্ৰত দ্বিমতৰ কোনো অৱকাশ নাই ঃ লুৰীণজ্যোতি

**ষ্টাফ ৰিপৰ্টাৰ, মৰাণ, ১৪ ফেব্ৰুৱাৰী ঃ** ডিব্ৰুগড় জিলাৰ মৰাণত ৰাষ্ট্ৰীয় ঘাইপথৰ এটা অংশক উন্নীত ❐ ৬ পৃষ্ঠাত

### ■ মহানগৰবাসীলৈ ১০০খন PM E-BUS উপহাৰ ■

## বহু আকাংক্ষিত গুৱাহাটী-উত্তৰ গুৱাহাটী ৬ লেনযুক্ত দলং উদ্বোধন প্ৰধানমন্ত্ৰী মোদীৰ

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১৪ ফেব্ৰুৱাৰী ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শনিবাৰে ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত গুৱাহাটী আৰু উত্তৰ গুৱাহাটীৰ মাজত এখন ৬ লেনযুক্ত দলং উদ্বোধন কৰে। দলংখনৰ নাম কুমাৰ ভাস্কৰ বাৰ্মা সেতু ৰখা হৈছে, যাৰ ব্যয় প্ৰায় ৩৩০০ কোটি টকা বুলি কোৱা হৈছে। এই দলংখনৰ উপৰিও, এদিনীয়া ভ্ৰমণৰ সময়ত, প্ৰধানমন্ত্ৰীয়ে জৰুৰীকালীন অৱতৰণ সুবিধা (ইএলএফ) মুকলি কৰে আৰু মুঠ ৫, ৫০০ কোটি ❐ ৬ পৃষ্ঠাত



### গৌৰৱ গগৈৰ পাকিস্তান সংযোগে অসমৰ বীৰত্বক কলঙ্কিত কৰিছে!

### মোডী চৰকাৰৰ এপষ্টিনৰ সৈতে সম্পৰ্ক থকা বুলি চৰ্চা হোৱাৰ পিছতো মোডী নিমাতঃ গৌৰৱ গগৈ

## লখিমপুৰত কংগ্ৰেছৰ সময় পৰিৱৰ্তন যাত্ৰাত বাধা বিজেপিৰ! কংগ্ৰেছ-বিজেপি কৰ্মীৰ মাৰ-পিট, হতাহতি



**অসম বাৰ্তা, লীলাবাৰী, ১৪ ফেব্ৰুৱাৰী ঃ** 'কুখ্যাত এপষ্টিনৰ সৈতে মোডী মন্ত্ৰীসভাৰ এজন কেবিনেট মন্ত্ৰীৰ নাম সাঙোৰ খাই আছে। তেনেদৰে নাম সাঙোৰ খোৱা বিভিন্ন দেশৰ ❐ ৬ পৃষ্ঠাত

### ■ হিমন্ত বিশ্ব শৰ্মাৰ বৰ্তমান কাৰ্যকালৰ অন্তিম বাজেট অধিৱেশন ■

## ১৬ ফেব্ৰুৱাৰীৰ পৰা অসম বিধানসভাৰ শেষ অধিৱেশন

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১৪ ফেব্ৰুৱাৰী ঃ** অসম বিধানসভাৰ পঞ্চদশ অধিৱেশনৰ শেষখন অধিৱেশন অহা সোমবাৰৰ পৰা অৰ্থাৎ ১৬ ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বৰ্তমান কাৰ্যকালৰ এই অন্তিম অধিৱেশন চাৰিদিনীয়াকৈ চলিব আৰু ইয়াক অন্তৰ্বৰ্তীকালীন অধিৱেশনৰ ৰূপত অনুষ্ঠিত কৰা হ'ব। এই অধিৱেশনৰ মূল কাৰ্যসূচী হ'ব চলিত বিত্তীয় ❐ ৬ পৃষ্ঠাত

### কাৰ্গিল যুদ্ধৰ বীৰত্বক অপমান কৰাৰ অভিযোগ



**ষ্টাফ ৰিপৰ্টাৰ, মহানগৰ, ১৪ ফেব্ৰুৱাৰী ঃ** ৰাজ্যিক বিজেপিৰ মুখপাত্ৰ জয়ন্ত গোস্বামীয়ে কংগ্ৰেছৰ ৰাজ্যিক সভাপতি আৰু সাংসদ গৌৰৱ ❐ ৬ পৃষ্ঠাত

ASBM®

Founded and led by Prof. Biswajeet Pattanayak,
former Distinguished Professor of IIM, Indore & Lucknow

LEARN TO
EXCEL & LEAD
@ASBM



ADMISSION 2019 - 21
POST GRADUATE PROGRAMME IN MANAGEMENT
14th Batch | PGDM
TWO YEAR FULL TIME RESIDENTIAL PROGRAMME

ACBSP ACCREDITED USA
As the only B-School in Eastern India accredited by ACBSP (Accreditation Council for Business Schools & Programs), recognised by Council for Higher Education Accreditation (CHEA), USA, ASBM has access to around 1200 Universities throughout the world for student and faculty exchange as part of ACBSP's Global Network of Business Schools

SPECIALISATIONS
- Finance
- Human Resources
- Marketing
- Operation & LSCM
- IT & Analytics
- Retail Management
- BIFS
- International Business

- Approved by AICTE
- A+++ Rank - Business India
- Green Residential Campus
- Excellent Campus Placement
- Mentoring by distinguished Faculty & Corporate Leaders
- International Immersion Programme at MDIS, Singapore & University of Nottingham, Malaysia

ELIGIBILITY
- Minimum 50% ( 45% for SC & ST) in Graduation
- Valid score of CAT/ XAT/ CMAT/ MAT/ GMAT
- Scholarships for Meritorious Students

Other Programmes of ASBM under Utkal University
BBA (Hons.) | B.Com. (Hons.) | Bachelor of Fashion Design

www.asbm.ac.in | E-mail : admission@asbm.ac.in
Tell: 0674 2744881/ 882/ 8763127020 | TOLL FREE- 1800 3456 5855

### নিজা সমষ্টি কমলপুৰলৈ ঢাপলি মেলিব পাৰে বিধায়ক ভবেশ কলিতাই

# ৰঙিয়াত ৰাজনৈতিক পট পৰিৱৰ্তনৰ প্ৰস্তুতি



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১২ ফেব্ৰুৱাৰী ঃ** ৰাজ্যৰ সংবেদনশীল ৰঙিয়া বিধানসভা সমষ্টিত নিৰ্বাচনী যুঁজ উত্তপ্ত হৈ উঠিছে। বিজেপিয়ে তৃতীয়বাৰৰ বাবে ইয়াত পদুম ফুলাবলৈ কঠোৰ প্ৰচেষ্টা কৰি আছে। সমষ্টি পুনৰ নিৰ্ধাৰণৰ পিছত নৱগঠিত ৰঙিয়া সমষ্টি, গোৰেশ্বৰ আৰু কমলপুৰ সমষ্টি গঠনৰ ওপৰত ভিত্তি কৰি বিৰোধীৰ সম্ভাব্য ঐক্য আৰু বিখ্যাত মুখখনক আচৰিত কৰিবলৈ পাৰ্টিটোৱে এটা ডাঙৰ বাজি খেলাব বুলি খবৰ পোৱা গৈছে- বৰ্তমানৰ বিধায়ক ভৱেশ কলিতাক তেখেতৰ নিজা কমলপুৰ বিধানসভা সমষ্টিত সংস্থাপিত কৰিব পাৰে। যুৱ নেতা নিবাৰণ লহকৰক প্ৰক্ষেপ কৰাৰ বাবে এটা ৰণনীতি প্ৰস্তুত কৰা হৈছে বুলি এক বিশেষ সূত্ৰৰ জৰিয়তে জানিব পৰা গৈছে। যদি এই খবৰটো নিশ্চিত হয়, তেনেহ'লে এই পদক্ষেপে বিৰোধীক কঠিন সমস্যাৰ সন্মুখীন কৰাব পাৰে। ৰঙিয়া দীৰ্ঘদিন ধৰি বাওঁপন্থীসকলৰ দুৰ্গ হৈ আহিছে। কংগ্ৰেছে পাঁচবাৰ আৰু বাওঁপন্থী দলবোৰে তিনিবাৰ জয়লাভ কৰিছে ৰঙিয়া সমষ্টিত। ২০১৬ চনৰ বিধানসভা নিৰ্বাচনত মোডী ঢৌ স্বত্বেও বিজেপিৰ ভৱেশ কলিতাই কংগ্ৰেছৰ ঘনশ্যাম কলিতাতকৈ মাত্ৰ ২২ শতাংশ অধিক ভোট লাভ কৰিছিল। তাৰপাছত ২০২১ চনত, বিজেপিয়ে চিপিআই (এম) প্ৰাৰ্থীতকৈ মাত্ৰ ১২ শতাংশ অধিক ভোট লাভ কৰিছিল। এই সংকুচিত ভোটৰ ব্যৱধান বিজেপিৰ বাবে এক সতৰ্ক সংকেত। শাসন-বিৰোধী ঢৌ আৰু যুৱ নিবনুৱাৰ দৰে স্থানীয় সমস্যাই দলটোক আঘাত কৰিব পাৰে। বিৰোধী দল কংগ্ৰেছ, চিপিআই (এম) আৰু অন্যান্যসকলে একগোট হৈ আসনখন কাঢ়ি ল'ব পৰা এজন বিখ্যাত ব্যক্তিক প্ৰক্ষেপ কৰাৰ পৰিকল্পনা কৰিছে। তদুপৰি, বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকিয়াই দায়িত্ব গ্ৰহণ কৰাৰ পিছৰে পৰা ৰঙিয়াত প্ৰায়ে ভ্ৰমণ কৰি আছে। এইবাৰ বিজেপিৰ 'যুৱ শক্তি সুযোগ' নীতিৰ অধীনত অসমৰ কেইবাটাও সমষ্টিত বৰ্তমানৰ বিধায়কৰ টিকট কৰ্তন কৰাৰ সম্ভাৱনা আছে। ইয়াৰ পৰিপ্ৰেক্ষিতত, ভৱেশ কলিতাৰ দুটা কাৰ্যকালৰ পিছত ৰঙিয়ালৈ নতুন মুখ অনাৰ বিষয়ে যথেষ্ট আলোচনা হৈছে। সূত্ৰ অনুসৰি, নিবাৰণ দলটোৰ ট্ৰাম্প কাৰ্ড হ'ব পাৰে। নিবাৰণ লহকৰে যুৱ মৰ্চাত থাকোঁতে শদিয়াৰ দিৰাক কপাতলি সত্ৰৰ পৰা নগাঁৱৰ বৰদোৱা সত্ৰলৈ প্ৰায় ৭২০ কিলোমিটাৰ পদযাত্ৰাৰে ৰাজনীতি জগতত প্ৰৱেশ কৰিছিল, তাৰ পিছত বিজেপি যুৱ মৰ্চাত সক্ৰিয় হৈ পৰিছিল। তেওঁ বৰ্তমান কৃষক মৰ্চাৰ ৰাজ্যিক উপ-সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। ৰঙিয়াত তেওঁৰ এটা শক্তিশালী ভেটি আছে। তেওঁৰ ককাদেউতাক চানাৰাম লহকৰ এজন স্বাধীনতা সংগ্ৰামী আছিল, যাৰ বাবে তেওঁৰ পৰিয়ালৰ সামাজিক মৰ্যাদা যথেষ্ট ওখত আছে। লহকৰৰ সক্ৰিয়তাই কৃষক, যুৱ আৰু স্থানীয় বিষয়ৰ ওপৰত তেওঁৰ কামৰ দ্বাৰা ভোটাৰসকলক আকৰ্ষিত কৰিব। দলটোৰ অধিকাংশই বিশ্বাস কৰে যে এই নতুন মুখখনে বিৰোধীৰ ঐক্য ভাঙিব পাৰিব। বানপানী, কৃষকৰ সমস্যা, নিযুক্তি আৰু উন্নয়নৰ প্ৰতিশ্ৰুতি ৰঙিয়াত প্ৰধান সমস্যা। বিজেপিয়ে উন্নয়নৰ কাৰ্ড খেলি আছে, আনহাতে বিৰোধীয়ে পৰিৱৰ্তনৰ কথা কৈছে। ভোটাৰসকলে এতিয়া বিজেপিৰ এই পদক্ষেপৰ ওপৰত চকু ৰাখিছে। ৰঙিয়া সমষ্টিৰ বেছিভাগ ভোটাৰে আশা কৰিছে যে এইবাৰ বিজেপিয়ে ৰঙিয়াত নিবাৰণ লহকৰক প্ৰক্ষেপ কৰিব আৰু তেওঁ ৰঙিয়াৰ বাওঁপন্থীৰ দুৰ্গ জয়ী কৰিবলৈ সক্ষম হ'ব।

### ধৰ্মীয় শোভাযাত্ৰাৰ শুভ উদ্বোধন বিধায়ক হেমাংগ ঠাকুৰীয়াৰ; স্মৃতিগ্ৰন্থ উন্মোচন কৰে শৰৎ হাজৰিকাই

# তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আৰম্ভ হ'ল কুলডুং ৰাইজ গয়ৰহৰ শ্ৰী শ্ৰীবুঢ়া গোঁসাইৰ বাৰ্ষিক হোম উৎসৱৰ মহাৰজত জয়ন্তীৰ

**অসম বাৰ্তা, ছয়গাঁও, ১২ ফেব্ৰুৱাৰী ঃ** দক্ষিণ কামৰূপৰ পলাশবাৰী সমষ্টিৰ অনুসূচিত জাতিৰ অন্যতম আগশাৰীৰ গাওঁ কুলডুং ৰাইজ গয়ৰহে বছৰ বছৰ ধৰি উদ্‌যাপন কৰি অহা শ্ৰী শ্ৰী বুঢ়া গোঁসাইৰ বাৰ্ষিক হোম উৎসৱৰ ৭৫ বছৰত ভৰি দিয়া উপলক্ষে আজিৰে পৰা অহা ১৪ ফেব্ৰুৱাৰীলৈ তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে মহাৰজত জয়ন্তী উদ্‌যাপন কৰা হৈছে। অনুষ্ঠানৰ কাৰ্যসূচী অনুসৰি আজি পুৱা ৯ বজাত ধৰ্মধ্বজা উত্তোলন কৰে কুলডুং ৰাইজ গয়ৰহৰ সভাপতি ফুলেন কৈৱৰ্ত্তই। পুৱা ১০ বজাত ধৰ্মীয় শোভাযাত্ৰাৰ শুভ উদ্বোধন কৰে পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়াই। দিনৰ ২-৩০ বজাত স্মৃতিগ্ৰন্থ উন্মোচন কৰে




অসম সচিবালয়ৰ অৱসৰপ্ৰাপ্ত যুটীয়া সচিব শৰৎ হাজৰিকাই। সভাত উপস্থিত আছিল স্মৃতিগ্ৰন্থৰ সভাপতি সুবোধ দাস, সম্পাদক ৰবীন কৈৱৰ্ত্ত, গাঁৱৰ বয়োজ্যেষ্ঠ ব্যক্তি ধীৰেন মেধি, সভাপতি নহিৰা ৰাইজ গয়ৰহৰ সভাপতি প্ৰৱীণ গোস্বামী প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত আছিল। আবেলি ৩-৩০ বজাত অনুষ্ঠিত হ'ব লগা ধৰ্মালোচনী সভাত সভাপতিত্ব কৰে দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি দাস আৰু প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ অধ্যাপক ড° জ্যোতি প্ৰসাদ দাসে। গধূলি ৫ বজাত নাগাৰা নাম পৰিবেশন কৰে নলবাৰীৰ পাৰ্থ প্ৰতীম দাসৰ লগতে নহিৰা গোপীনাথ নামৰীয়া দলে। অহা কালি দৰঙৰ মৰমী শইকীয়া আৰু কুকুৰমাৰাৰ সাগৰিকা দাসৰ নাম পৰিবেশন হব। নিশা ১২ বজাত কুকুৰমাৰাৰ কল্পজ্যোতি নাট্য পৰিষদৰ যাত্ৰাভিনয় প্ৰদৰ্শন কৰা হব। ১৪ ফেব্ৰুৱাৰীৰ ১২-৩০ বজাত নতুন চুলিকাটা আৰু ঝাৰপাৰা চৌতালী নামৰ দলৰ চৌতালী নাম পৰিবেশন কৰা হব। আবেলি ৪ বজাৰ পৰা অসমীয়া গীতৰ আধাৰত একক আধুনিক নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত কৰা হব। নিশা ৮ বজাত সাংস্কৃতিক মঞ্চ মুকলি কৰিব অসম ফুটবল সন্থাৰ যুটীয়া সম্পাদক হিমাংশু শেখৰ বৈশ্যই। নিশা ৮-৩০ বজাৰ পৰা আমন্ত্ৰিত শিল্পী ক্ৰমে দেৱাগীৎজ, ভূমি কৌশিক, মিছ প্ৰিয়ংকা কলিতা, প্ৰতাপ হাজৰিকাৰ লগতে বহু কণ্ঠশিল্পীৰ গীতৰ শৰাই অনুষ্ঠিত কৰা হব বুলি জানিবলৈ দিছে।

### জীয়াকুৰৰ পাৰুল মেধিক ঘৰৰ শুভ উদ্বোধন বিধায়ক হেমাংগ ঠাকুৰীয়াৰ

# কথা দি কথা ৰাখিলে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই

**অসম বাৰ্তা, ছয়গাঁও, ১২ ফেব্ৰুৱাৰী ঃ** কথা দি কথা ৰাখিলে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। দক্ষিণ কামৰূপৰ পলাশবাৰী সমষ্টিৰ ৰামপুৰৰ এখন বিশাল ৰাজহুৱা সভাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ওচৰলৈ আহি মনৰ কথা কৈছিল পাৰুল মেধি নামৰ এগৰাকী সহজ সৰল বয়োজ্যেষ্ঠ মহিলাই। তেওঁৰ স্বামী দুৰ্ঘটনাত চিৰদিনৰ বাবে ঘুণীয়া হৈ বিছনাত থাকিবলগীয়া হোৱাৰ লগতে এগৰাকী শাৰীৰিকভাৱে বাধাগ্ৰস্ত কন্যাৰ সৈতে তেওঁ কিমান সংগ্ৰাম কৰি এটা ভগা ঘৰত দিন অতিবাহিত কৰিবলগীয়া হৈছিল সেই কথা মুখ্যমন্ত্ৰীৰ ওচৰত বিবৰি কৈছিল। অতি গুৰুত্বসহকাৰে মুখ্যমন্ত্ৰীয়ে আইতাগৰাকীৰ কথাবোৰ শুনি গৈছিল। সেই সময়ত মুখ্যমন্ত্ৰীৰ লগত আছিল পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়া আৰু কামৰূপ জিলাৰ আয়ুক্ত দেৱপ্ৰসাদ মিশ্ৰ। প্ৰতিটো কথা মুখ্যমন্ত্ৰীয়ে বিধায়ক হেমাংগ ঠাকুৰীয়াক লিখিবলৈ কৈ কামৰূপ জিলা আয়ুক্তৰ জৰিয়তে শীঘ্ৰে সকলো সমস্যাৰ সমাধান কৰাৰ আশ্বাস দিলে। কথা মতে পাৰুল মেধিক পিছদিনা জিয়াকুৰ ৰিজাৰ্ভত থকা চৰকাৰী মাটি দিয়াৰ লগতে চৰকাৰী ঘৰৰ কামো আৰম্ভ কৰিলে ৰামপুৰৰ



খণ্ড উন্নয়ন বিষয়া কাৰ্যালয়ে। ইয়াৰ মাজতে আকৌ এদিন পলাশবাৰী সমষ্টিৰ মিৰ্জাৰ ৰাজহুৱা সভালৈ আহিছিল মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। তাতো মুখ্যমন্ত্ৰীক পুনৰ লগ ধৰিলে পাৰুল মেধিয়ে। এইবাৰ ঘৰটো সম্পূৰ্ণ হোৱাৰ কথা কলে পাৰুলে। আজি ঘৰ মাটি সম্পূৰ্ণ হ'ল। পাৰুলৰ ঘৰত অগণন মানুহ। বিধান সভা নিৰ্বাচনৰ পূৰ্বে বিডিঅ' বিদ্যুৎ কলিতা, পঞ্চায়ত প্ৰতিনিধি মল্লিকা বৰ্মন মেধি, গীতাঞ্জলি সাউদক লগত লৈ জীয়াকুৰৰ পাৰুল মেধিৰ ঘৰটো বৃহস্পতিবাৰে সন্ধিয়া শুভ উদ্বোধন কৰিবলৈ আহিল বিধায়ক হেমাংগ ঠাকুৰীয়া। পাৰুল মেধিয়ে ঘৰৰ পদূলিৰ পৰা আদৰি নিলে বিধায়ক হেমাংগ ঠাকুৰীয়াক। তাৰ পিছতে শুভ উদ্বোধন কৰা হল ঘৰটো। বিধায়কক উপবিষ্ট পাৰুল মেধিয়ে প্ৰতিগৰাকী সন্মানীয় ব্যক্তিক ফুলাম গামোচাৰে সম্বৰ্ধনা জনালে। অনুষ্ঠানৰ পিছত পাৰুল মেধিয়ে ৰাইজৰ বাবে যোগাৰ কৰা প্ৰসাদ বিতৰণ কৰিলে। পিছে পাৰুল মেধিৰ দুখ এটা থাকি গ'ল - তেওঁ যে ৰাইজক একাপ চাহ আৰু এসাঁজ ভাত খুৱাব নোৱাৰিলে তাৰ বাবে হেনো দুখ ৰৈ গ'ল। শেষত বিধায়ক মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু হেমাংগ ঠাকুৰীয়াক প্ৰাণ ঢালি আশীৰ্বাদ দিলে।

# বহিঃৰাজ্য হাইদৰাবাদত পুৰণিগুদামৰ যুৱকৰ আকস্মিক মৃত্যু

**অসম বাৰ্তা, পুৰণিগুদাম, ১২ ফেব্ৰুৱাৰী ঃ** জীৱিকাৰ তাড়নাত বহিঃৰাজ্যলৈ কৰ্মসংস্থাপনৰ বাবে ঢাপলি মেলা নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত পুৰণিগুদামৰ এজন অসমীয়া যুৱকৰ আকস্মিক মৃত্যুৰ খবৰে বৃহত্তৰ পুৰণিগুদাম অঞ্চলজুৰি এক শোকাকুল পৰিৱেশৰ সৃষ্টি কৰিছে। ঘটনা সন্দৰ্ভত জানিব পৰা মতে, চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত পুৰণিগুদাম আৰক্ষী চকীৰ এলেকাধীন পুৰণিগুদাম বৰপানীগাঁৱৰ নৃপেন বৰা (৪৫) নামৰ যুৱকজন তেলেঙ্গানাৰ হায়দৰাবাদত এটা কোম্পানীৰ চিকিউৰিটি ছুপাৰভাইজাৰ হিচাপে কৰ্মৰত হৈ আছিল। পত্নী আৰু একমাত্ৰ কন্যা সন্তানটিক গাঁৱৰ ঘৰত এৰি থৈ বিগত এটি বছৰে হায়দৰাবাদত কাম কৰি থকাৰ পাছত আজি পুৱা হঠাতে দৰিদ্ৰ পৰিয়ালটোলৈ তেওঁৰ অস্বাভাৱিক মৃত্যুৰ বাতৰি আহে। প্ৰথম অৱস্থাত আত্মহত্যা কৰা বুলি খবৰ আহিলেও কোনো লোকে যুৱকজনক হত্যা কৰি ৰঁচীৰে ওলোমাই থৈ যোৱা বুলি পৰিয়ালৰ লোকে সন্দেহ প্ৰকাশ কৰিছে। তেলেঙ্গানাৰ হায়দৰাবাদত পুনৰ অসমীয়া যুৱকক হত্যা কৰা হ'ল নেকি বুলি সন্দেহ প্ৰকাশ কৰিলেও আৰক্ষীৰ অনুসন্ধানৰ জৰিয়তেহে প্ৰকৃত সত্য পোহৰলৈ আহিব বুলি জানিব পৰা গৈছে। আনহাতে, দৰিদ্ৰ পৰিয়ালটোৱে নৃপেন বৰাৰ মৃতদেহটো অসমলৈ অনাৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে বঢ়মপুৰৰ বিধায়ক জিতু গোস্বামীক কাতৰ অনুৰোধ জনাইছে। এই ক্ষেত্ৰত দৰিদ্ৰ পৰিয়ালটোৱে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্তবিশ্ব শৰ্মাক নৃপেন বৰাৰ মৃতদেহটো ঘৰলৈ অহাৰ ব্যৱস্থা কৰিবলৈ কাতৰ অনুৰোধ জনাইছে।

# সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু কাজিৰঙা জাতীয় অৰ্কিড উদ্যানত শিক্ষামূলক ভ্ৰমণ

**অসম বাৰ্তা, সৰুপথাৰ, ১৪ ফেব্ৰুৱাৰী ঃ** সৰুপথাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ শিক্ষামূলক ভ্ৰমণ। বৃহস্পতিবাৰে সৰুপথাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত তত্বাৱধায়ক ড° অমৰ শইকীয়াৰ নেতৃত্বত ২৮ জনীয়া ছাত্ৰ-ছাত্ৰীৰ এটা দলে শিক্ষামূলক ভ্ৰমণ কৰে। আনুষ্ঠানিক শিক্ষাৰ সমান্তৰালকৈ ছাত্ৰ-ছাত্ৰীসকলক ক্ষেত্ৰভিত্তিক অধ্যয়ন, শিক্ষামূলক ভ্ৰমণৰ যোগেদি জ্ঞান আহৰণ ইত্যাদি দিশত অসমীয়া বিভাগে উদ্যোগ গ্ৰহণ কৰি আহিছে। বৃহস্পতিবাৰে অসমীয়া বিভাগৰ ২৮ জনীয়া ছাত্ৰ-ছাত্ৰীৰ দলে কাজিৰঙা জাতীয় অৰ্কিড উদ্যান, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ভ্ৰমণ কৰে। প্ৰথমেই তেওঁলোকে কাজিৰঙা জাতীয় অৰ্কিড উদ্যানত অৰ্কিডৰ প্ৰজাতি, ধানৰ কেইবাটাও প্ৰজাতি, অসমীয়া সমাজত প্ৰচলিত ১০১ বিধ শাকৰ বাগিচা, অসমীয়া লোক-বাদ্য, জনগোষ্ঠীয় সাজ-পাৰ, সংগ্ৰহালয় আদি পৰিদৰ্শন কৰাৰ লগতে তথ্য সংগ্ৰহ কৰে। ইয়াৰ পিছতেই এশিঙীয়া গড়ৰ বাবে বিখ্যাত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানলৈ ভ্ৰমণ কৰে। ছাত্ৰ-ছাত্ৰীসকলে ৰাষ্ট্ৰীয় উদ্যানত কিদৰে জীৱ-জন্তুসমূহ সংৰক্ষণ কৰি ৰখা হৈছে সেই দিশসমূহ প্ৰত্যক্ষ কৰে। লগতে জীৱ-জন্তুৰ প্ৰতি মানুহে গ্ৰহণ কৰিবলগীয়া দায়িত্ববোধৰ প্ৰতি সজাগ বৃদ্ধি হয়। জীৱ-জন্তুৰ প্ৰতি সমাজত বিভিন্ন সময়ত হোৱা অত্যাচাৰ, শোষণ, অমানৱীয়তা, নিৰাশ্ৰয় ইত্যাদি দিশসমূহৰ ওপৰতো ছাত্ৰ-ছাত্ৰীসকলে ৰাষ্ট্ৰীয় উদ্যানখনৰ পৰা সজাগতাৰ আদৰ্শ গ্ৰহণ কৰিব পাৰিছে। সমান্তৰালভাৱে ৰাষ্ট্ৰীয় উদ্যানখনত পৰ্যটকৰ সুবিধাৰ্থে জীপ ছাফাৰিৰ যোগেদি স্থানীয় ব্যক্তিৰ নিয়োগ পোৱা বিষয়েও তেওঁলোক অৱগত হৈছে। পূৰ্বনিৰ্ধাৰিত প্ৰশ্নসূচী অনুসৰি জৈৱ-বৈচিত্ৰ্য আৰু সংৰক্ষণৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলে স্থানীয় ব্যক্তিৰ সৈতে আলোচনা কৰে। ইয়াৰ যোগেদি ছাত্ৰ-ছাত্ৰীসকলে আলোচনাপত্ৰ প্ৰস্তুত কৰি সমল ব্যক্তিৰ সন্মুখত দাঙি ধৰিব বুলি শিক্ষক ড° অমৰ শইকীয়াই জানিবলৈ দিয়ে। সমান্তৰালকৈ কাজিৰঙা জাতীয় অৰ্কিড আৰু জৈৱ-বৈচিত্ৰ্য উদ্যানত অৰ্কিড সম্পৰ্কে জ্ঞান লাভ কৰাৰ উপৰি অসমৰ সাংস্কৃতিক দিশত জড়িত হৈ জাতি-জনগোষ্ঠীয় বহু যুৱক-যুৱতীয়ে বৃত্তিমুখী হোৱাৰ বিষয় ছাত্ৰ-ছাত্ৰীসকলে অৱগত হৈছে।

### বৃহৎ পৰিমাণৰ গাঞ্জা জব্দ, এজন আটক

# হালোৱাটিং আৰক্ষীৰ মাদক দ্ৰব্যৰ বিৰুদ্ধে সফল অভিযান

**অসম বাৰ্তা, আমগুৰি, ১২ ফেব্ৰুৱাৰী ঃ** সাম্প্ৰতিক সময়ত মানৱ সমাজক পঙ্গু কৰা মাদক দ্ৰব্যৰ বিৰুদ্ধে শিৱসাগৰ জিলাৰ হালোৱাটিং আৰক্ষীয়ে কঠোৰ স্থিতি গ্ৰহণ কৰি আজি চাৰি কিলোগ্ৰামৰো অধিক সন্দেহজনক গাঞ্জা(ভাং) জব্দ কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে এক গোপন সূত্ৰৰ পম খেদি হালোৱাটিং থানাৰ অন্তৰ্গত দুৱৰা গাঁৱৰ পৰা মুঠ ৪.২২২ কিঃ গ্ৰাম সন্দেহজনক গাঞ্জা(ভাং) জব্দ কৰে। দুৱৰা গাঁৱৰ নিবাসী পবিত্ৰ দুৱৰাৰ ঘৰত অভিযান চলাই সন্দেহজনক গাঞ্জাখিনি জব্দ কৰাৰ লগতে পবিত্ৰ দুৱৰাক আটক কৰে আৰক্ষীয়ে। পৰৱৰ্তী সময়ত উপ আৰক্ষী অধীক্ষকৰ উপস্থিতিত জব্দকৃত গাঞ্জাখিনি আৰু আটকাধীন ব্যক্তিৰ বিৰুদ্ধে যাৱতীয় আইনী ব্যৱস্থা গ্ৰহণ কৰা হয়। আৰক্ষী সূত্ৰৰ মতে এনডিপিএছ (NDPS) আইনৰ সংশ্লিষ্ট ধাৰাৰ অধীনত পৰৱৰ্তী আইনগত ব্যৱস্থা গ্ৰহণ কৰা হৈছে। অধিক তথ্যৰ বাবে আৰক্ষীৰ তদন্তত অব্যাহত আছে।

# মায়ঙৰ প্ৰখ্যাত যাদুশিল্পী ৰনেন্দ্ৰ নাথৰ মৃত্যুত গভীৰ শোক

**অসম বাৰ্তা, মৰিগাঁও, ১২ ফেব্ৰুৱাৰী ঃ** অসমৰ ৰহস্যময় ভূমি মায়ঙৰ যাদু-সংস্কৃতিৰ সৈতে ওতপ্ৰোতভাৱে জড়িত যাদুশিল্পী ৰনেন্দ্ৰ নাথৰ কালি গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত মৃত্যু হোৱাত আজি মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰি নশ্বৰদেহ ৰজা মায়ঙৰ নিজ ঘৰলৈ অনা হয়। উল্লেখ্যযে মায়ঙৰ চনকাত যাদু দেখুৱাই ঘৰলৈ উভতিবৰ সময়ত এক বাইক দুৰ্ঘটনাত পতিত হৈ এসপ্তাহ ধৰি চিকিৎসাধীন হৈ আছিল বিখ্যাত যাদুশিল্পী গৰাকী। মাত্ৰ ৪৫ বছৰ বয়সতে যাদু শিল্পী গৰাকীৰ অকাল মৃত্যুৰ খবৰে সমগ্ৰ মায়ঙত শোকৰ ছাঁ পেলাইছে। আনহাতে তেখেত কেৱল এগৰাকী যাদু শিল্পীয়েইনাছিল, কৌতুক অভিনয়, সংগীত চৰ্চা আদিও সমানেই চলাই নিছিল। ইপিনে পবিতৰাৰ নিকটৱৰ্তী প্ৰতিখন নামি দামী ৰিজৰ্টতে ৰনেন্দ্ৰৰ যাদু চাই অভিভূত হৈ পৰিছিল দেশীবিদেশী পৰ্যটক সকল। ৰনেন্দ্ৰ নাথ কেৱল এজন যাদুকৰেই নাছিল তেওঁ আছিল মায়ঙৰ শতাব্দী পুৰণি লোকবিশ্বাস, যাদু-কলা আৰু পৰম্পৰাৰ এজন বাহক। তেখেতৰ যাদু প্ৰদৰ্শনত কেৱল কৌতূহল বা বিনোদনেই নাছিল, আছিল মায়ঙৰ ইতিহাস আৰু সংস্কৃতিৰো বাহক। যাৰবাবে দেশৰ বিভিন্ন প্ৰান্তৰ লগতে বহু বিদেশী পৰ্যটকেও তেওঁৰ যাদু চাবলৈ মায়ঙলৈ আহিছিল। তদুপৰি তেওঁ যাদু দেখুওৱাৰ মাজতে মায়ঙৰ লোককথা আৰু পৰম্পৰাৰ বিষয়েও পৰ্যটক সকলক সহজ ভাষাত বুজাই দিছিল। মায়ঙক "যাদুৰ দেশ" হিচাপে নহয়, অসমৰ এক গুৰুত্বপূৰ্ণ সাংস্কৃতিক ঐতিহ্য হিচাপে চিনাকি কৰোৱাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল ৰনেন্দ্ৰ নাথে। এনে এগৰাকী যাদুশিল্পীৰ আকস্মিক মৃত্যুয়ে মায়ঙৰ যাদু সংস্কৃতিত এক অপূৰণীয় শূন্যতা সৃষ্টি কৰিলে বুলি উল্লেখ কৰিছে মায়ঙৰ বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠান আৰু বিশিষ্ট ব্যক্তি সকলে। মৃত্যুৰ সময়ত তেওঁ পত্নী আৰু দুই পুত্ৰ কন্যাক এৰি থৈ যায়।

# পথ নিৰ্মাণ দাবী সমিতিৰ স্মাৰক পত্ৰ প্ৰদান

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ১২ ফেব্ৰুৱাৰী ঃ** ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা লাইপুলি সেনা ছাউনীৰ সন্মুখৰ ৰেল গেট পাৰ হৈ বাওঁফালেদি আহি পিএমশ্ৰী ইন্দিৰা গান্ধী উচ্চ মাধ্যমিক বিদ্যালয়ৰ লগতে লাইপুলি ডিমৰুগুৰি আৰু কাপ্তানচুক গাওঁ কেইখনলৈ অহা-যোৱা কৰা পথটিৰ বৰ্তমানৰ অৱস্থা সন্দৰ্ভত আৰু নতুন পথ নিৰ্মাণৰ দাবীত 'পথ নিৰ্মাণ দাবী সমিতি'য়ে বুধবাৰে তিনিচুকীয়া জিলা আয়ুক্ত, তিনিচুকীয়া ৰাজহ চক্ৰৰ চক্ৰ বিষয়া, উত্তৰ-পূৰ সীমান্ত ৰেলৱেৰ মাণ্ডলিক ৰেল প্ৰবন্ধক, উত্তৰ-পূৰ সীমান্ত ৰেলৱেৰ জ্যেষ্ঠ মাণ্ডলিক অভিযন্তা(চি)ক সাক্ষাৎ কৰি বিভিন্ন গণতান্ত্ৰিক দল-সংগঠন, গাঁও প্ৰধান, বিদ্যালয়সমূহৰ কৰ্তৃপক্ষ, আঠ শতাধিক ৰাইজৰ স্বাক্ষৰ আৰু ঐতিহাসিক তথ্য সম্বলিত স্মাৰক পত্ৰ প্ৰদান কৰে। উল্লেখযোগ্য যে বৰ্তমান অতি বিপদজনক অৱস্থাত থকা পথটি ১৯৬২ চনতেই স্থাপিত পিএমশ্ৰী ইন্দিৰা গান্ধী উচ্চ মাধ্যমিক বিদ্যালয়লৈ ডিমৰুগুৰি গাঁও পঞ্চায়তৰ অন্তৰ্গত প্ৰায় ১০(দহ)খন গাঁৱৰ স্কুলীয়া ছাত্ৰ-ছাত্ৰীসকল, লাইপুলি-ডিমৰুগুৰি আৰু কাপ্তানচুকৰ গাঁওবাসী তথা ভিতৰুৱা কেইবাখনো গাঁৱৰ ৫ সহস্ৰাধিক স্থানীয় ৰাইজৰ অহা যোৱা কৰা একমাত্ৰ পথ। সেই পথেদি আহি সংলগ্ন হয় ঐতিহাসিক ডিমৰুগুৰি গাঁৱত অৱস্থিত ১৯৫৬ চনত স্থাপিত ডিমৰুগুৰি প্ৰাথমিক বিদ্যালয়। লগতে বহু ৰাজহুৱা ঐতিহাসিক অনুষ্ঠান-প্ৰতিষ্ঠানো এই লাইপুলি -ডিমৰুগুৰি কাপ্তানচুক গাঁৱত অৱস্থিত। ইয়াৰ সমান্তৰালকৈ উক্ত অঞ্চলটো যুগ যুগ ধৰি মটক, আহোম, চাহ জনগোষ্ঠী (আদিবাসী)ৰ লগতে বিভিন্ন জাতি-জনগোষ্ঠীৰ বসতি প্ৰধান অঞ্চল। গতিকে স্কুলীয়া ছাত্ৰ-ছাত্ৰীসকলৰ লগতে লাইপুলি- ডিমৰুগুৰি, কাপ্তানচুক গাঁৱলৈ ৰাইজে সুৰক্ষিতভাৱে আৰু নিৰাপদে অহা যোৱা কৰিবলৈ বহু বছৰ বছৰ ধৰি ৰেলৱে লাইনৰ কাষে কাষে অহা যোৱা কৰি থকা পথটি নতুনকৈ নিৰ্মাণ কৰিবলৈ আৰু যেতিয়ালৈকে নতুন পথ নিৰ্মাণৰ ব্যৱস্থা গ্ৰহণ কৰা নহয় তেতিয়ালৈকে বৰ্তমানৰ পথটি যাতায়তৰ উপযোগী হোৱাকৈ মেৰামতিৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰু অচিৰেই ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা লাইপুলি সেনা ছাউনীৰ সন্মুখৰ ৰেল গেট পাৰ হৈ পিএমশ্ৰী ইন্দিৰা গান্ধী উচ্চ মাধ্যমিক বিদ্যালয়ৰ লগতে লাইপুলি ডিমৰুগুৰি আৰু কাপ্তানচুক গাঁও কেইখনলৈ অহা-যোৱা কৰিবলৈ ৰেলৱে লাইনৰ সমান্তৰালকৈ নতুন পথ নিৰ্মাণৰ ব্যৱস্থা গ্ৰহণ কৰি হাজাৰ হাজাৰ ৰাইজক উপকৃত কৰিবলৈ তিনিচুকীয়া জিলা প্ৰশাসন আৰু ৰেলৱে প্ৰশাসনক অনুৰোধ জনাই পৃথকে পৃথকে স্মাৰক পত্ৰ প্ৰদান কৰে। স্মাৰক পত্ৰ প্ৰদান কৰোঁতে উপস্থিত থাকে পথ নিৰ্মাণ দাবী সমিতিৰ সভাপতি শীৰ্ষজ্যোতি নেওগ(প্ৰাঞ্জল), কাৰ্যকৰী সভাপতি মাধুৰ্য্য ৰাজখোৱা, সম্পাদক মৃত্যুঞ্জয় বুঢ়াগোহাঁই, সহকাৰী সম্পাদক অৰুণ বেগ, উপদেষ্টা ক্ৰমে মিলন গোহাঁই, কুসুম কুমাৰ গোহাঁই, পুষ্পা নেওগ, প্ৰতিভা নেওগ উপস্থিত থাকে।

### হাতীৰ আক্ৰমণৰ মুখৰ পৰা অলৌকিকভাৱে ৰক্ষা পৰিল লংকাৰ পনয় দাস

# মৃত্যুৰ দুৱাৰত থিয় হৈও উভতি আহিল জীৱন

**অসম বাৰ্তা, লংকা, ১২ ফেব্ৰুৱাৰী ঃ** হোজাই জিলাৰ লংকাৰ দক্ষিণ লস্কৰ পথাৰ গাঁৱত সংঘটিত এক চাঞ্চল্যকৰ ঘটনাই সমগ্ৰ অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। বনৰীয়া হাতীৰ আক্ৰমণত গুৰুতৰভাৱে আহত হোৱা ১৮ বছৰীয়া প্ৰণয় দাসে মৃত্যুৰ দুৱাৰৰ পৰা উভতি আহি অলৌকিকভাৱে প্ৰাণ ৰক্ষা কৰিবলৈ সক্ষম হৈছে। প্ৰাপ্ত তথ্য অনুসৰি, দক্ষিণ লস্কৰ পথাৰ গাঁৱৰ বাসিন্দা লভা দাসৰ পুত্ৰ পনয় দাসে গাঁওখনৰ সমীপৱৰ্তী অঞ্চলত থকা সময়তে এটা বনৰীয়া হাতীৰ সন্মুখীন হয়। আচম্বিতে হাতীটোৱে আক্ৰমণ চলোৱাত পনয় দাস গুৰুতৰভাৱে আহত হয়। আক্ৰমণৰ তীব্ৰতাত তেওঁ মাটিত বাগৰি পৰে আৰু ঘটনাস্থলীত উপস্থিত লোকসকলে কিছু সময়ৰ বাবে তেওঁৰ জীৱন সংকটাপন্ন বুলি আশংকা কৰে। স্থানীয় ৰাইজৰ তৎপৰতাই ঘটনাটোৰ গতি সলনি কৰে। গাঁওবাসীয়ে নিজৰ জীৱন বিপন্ন কৰি হাতীটোৰ পৰা পনয়ক উদ্ধাৰ কৰি তৎক্ষণাত হোজাই জিলা অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। চিকিৎসালয়ত ভৰ্তি কৰোৱাৰ পাছত চিকিৎসকে তেওঁক প্ৰয়োজনীয় চিকিৎসা আগবঢ়ায়। চিকিৎসকৰ মতে, পনয় দাস বৰ্তমান স্থিৰ অৱস্থাত আছে যদিও সম্পূৰ্ণ সুস্থ হৈ উঠিবলৈ অধিক চিকিৎসা আৰু পৰ্যবেক্ষণৰ প্ৰয়োজন। এই ঘটনাই পুনৰাই অঞ্চলটোত বনৰীয়া হাতীৰ উপদ্ৰৱৰ সমস্যাটো জোৰদাৰকৈ উত্থাপন কৰিছে। গাঁওবাসীৰ অভিযোগ অনুসৰি, কিছু দিন ধৰি অঞ্চলটোত হাতীৰ চলাচল বৃদ্ধি পাইছে আৰু খেতি-বাতিৰ লগতে জনজীৱনো বিপৰ্যস্ত হৈ পৰিছে। নিশা সময়ত লোকসকল আতংকিত অৱস্থাত কটাইছে বুলি জানিব পৰা গৈছে। স্থানীয় ৰাইজে বন বিভাগক তৎক্ষণাত উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে। হাতীৰ গতি-প্ৰকৃতি নিৰীক্ষণ, প্ৰয়োজনীয় সতৰ্কবাণী ব্যৱস্থা আৰু সুৰক্ষা ব্যৱস্থা জোৰদাৰ কৰাৰ লগতে ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক সহায় আগবঢ়োৱাৰো দাবী উত্থাপন কৰিছে। পনয় দাসৰ এই অলৌকিক ৰক্ষাই সমগ্ৰ গাঁওখনত একপ্ৰকাৰ স্বস্তিৰ নিশ্বাস আনিছে যদিও ঘটনাটোৱে মানুহ-বন্যপ্ৰাণীৰ সংঘাতৰ ভয়ংকৰ বাস্তৱতাক পুনৰ উন্মোচিত কৰিছে। ভৱিষ্যতে এনে দুৰ্ঘটনা যাতে পুনৰাবৃত্তি নহয়, তাৰ বাবে সংশ্লিষ্ট বিভাগসমূহে দীৰ্ঘম্যাদী আৰু ফলপ্ৰসূ পদক্ষেপ গ্ৰহণ কৰাটো সময়ৰ দাবী বুলি সচেতন মহলে মত প্ৰকাশ কৰিছে।

# অসম বংগ সীমান্তৰ বাউসেৰকুটি খোৱাপানী যোগান আঁচনিৰ কমিটিক লৈ উত্তেজনা

**অসম বাৰ্তা, আগমনী, ১২ ফেব্ৰুৱাৰী ঃ** অসম-বংগ সীমান্তৰ বাউসেৰকুটি খোৱাপানী যোগান আঁচনিৰ কমিটিক লৈ উত্তেজনা। ভোট দান প্ৰক্ৰিয়াৰে পুৰনি কমিটি বাহাল। বাউসেৰকুটি খোৱা-পানী যোগান আঁচনিৰ কমিটিক লৈ গাঁওখনত সৃষ্টি হয় দুটা ফৈদৰ। এটা ফৈদে নতুন কমিটি গঠনৰ দাবী জনায়। আন এটা ফৈদে পুৰনি কমিটি বাহালৰ দাবী জনায়। ইয়াকে লৈ গাঁওখনত ৰাইজৰ মাজত তীব্ৰ উত্তেজনাৰ সৃষ্টি হয়। অৱশেষত ভামনডাঙা গাঁও পঞ্চায়তৰ সভানেত্ৰী মনিষা খাতুনৰ সভাপতিত্বত এখন সভা অনুষ্ঠিত হয়। সভাত পঞ্চায়ত সচিব ইজাজুল হক, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অভিযন্তা ৰাজ কুমাৰ চৌধুৰী আৰু কৰ্মচাৰী মহিবুৰ ৰহমান, মেহবুব আলমো উপস্থিত থাকে। সভাত নতুন কমিটি গঠন আৰু পুৰনি কমিটি বাহালক লৈ মতানৈক্যৰ সৃষ্টি হয়। অৱশেষত সভাই ভোট দান প্ৰক্ৰিয়াৰে সমাধানৰ প্ৰস্তাৱ গ্ৰহণ কৰে। সেই মৰ্মে সভাত উপস্থিত ৰাইজৰ মাজত ভোট দান অনুষ্ঠিত হয়। ভোটত পুৰনি কমিটি বাহালৰ পক্ষত অধিকাংশ ৰাইজে ভোটদান কৰে।

### গোনা মহৰ ছিণ্ডিকেটৰ বিৰুদ্ধে গোলকগঞ্জ আৰক্ষীৰ অভিযান

# অসম বংগ সীমান্তত অব্যাহত চোৰাং মহৰ ছিণ্ডিকেট ট্ৰাকত ২৩টা মহ জব্দ



**অসম বাৰ্তা, আগমনি, ১৪ ফেব্ৰুৱাৰী ঃ** অসমৰ পশ্চিম সীমান্তৱৰ্তী ধুবুৰী জিলাত পুনৰ এক বৃহৎ গোনা মহ ছিণ্ডিকেটৰ তথ্য পোহৰলৈ আহিছে। অসম-বংগ সীমান্ত অঞ্চলত দীৰ্ঘদিন ধৰি অব্যাহত থকা এই অবৈধ ব্যৱসায়ক কেন্দ্ৰ কৰি পুনৰ উত্তপ্ত হৈ উঠিছে সীমান্তাঞ্চল। আৰক্ষীৰ কঠোৰ নজৰদাৰী থকাৰ পিছতো কিছু অসাধু চক্ৰই আইনক অমান্য কৰি চলাই আছে এই ছিণ্ডিকেট ৰাজ। বিশেষকৈ তথাকথিত আন্দ্ৰা বাহিনী আৰু নুৰ বাহিনী নামৰ দুই প্ৰভাৱশালী গোটে অসম-বংগ সীমান্তত আৰক্ষীৰ চকুত ধূলি দি অবৈধভাৱে গোনা মহ সৰবৰাহ কৰাৰ অভিযোগ উত্থাপিত হৈছে। দুই গোটৰ মাজত চলি থকা শীতল যুদ্ধই এতিয়া ছিণ্ডিকেটক অধিক জটিল ৰূপ দিছে। কোনে কোন কৌশল অৱলম্বন কৰি অধিক সংখ্যক গোনা মহ সীমান্ত পাৰ কৰিব পাৰে, তাৰেই নীৰৱ প্ৰতিযোগিতাত নামি পৰা বুলি স্থানীয় সূত্ৰে প্ৰকাশ কৰিছে। এই পৰিপ্ৰেক্ষিততে আজি পুৱতি নিশা গোপন সূত্ৰৰ ভিত্তিত গোলকগঞ্জ আৰক্ষীয়ে এক বিশেষ অভিযান চলায়। অভিযান চলোৱা হয় গোলকগঞ্জৰ ৰতিয়াদহ অঞ্চলত, ১৭ নং ৰাষ্ট্ৰীয় ঘাই পথত। আৰক্ষীয়ে সন্দেহযুক্ত HR 67 B 7577 নম্বৰৰ এখন দহ চকীয়া কণ্টেনাৰট্ৰাক আটক কৰি তালাচী চলায়। তালাচীৰ সময়ত আৰক্ষীৰ চকু কপালত উঠে। কণ্টেনাৰ ট্ৰাকখনৰ ভিতৰত গোপনে ভৰাই অনা হৈছিল ২৩ টাকৈ গোনা মহ। তদন্তত পোহৰলৈ আহে যে বিহাৰৰ ডাগাৰুৱাৰ পৰা এই মহসমূহ গোৱালপাৰালৈ কঢ়িয়াই নিয়া হৈছিল। আৰক্ষীয়ে তৎক্ষণাত ব্যৱস্থা গ্ৰহণ কৰি ২২টা মহ জীৱন্ত অৱস্থাত উদ্ধাৰ কৰিবলৈ সক্ষম হয় যদিও দুখজনকভাৱে এটা মহ মৃত অৱস্থাত উদ্ধাৰ হয়। এই ঘটনাৰ সৈতে জড়িত অভিযোগত আৰক্ষীয়ে ট্ৰাকখনৰ চালক উত্তৰ প্ৰদেশৰ মুজফফেৰ নগৰৰ জাহাঙ্গীৰ আৰু হেণ্ডিমেন ভাৱনা ওৰফে বাবুক আটক কৰিছে। আটক দুই অভিযুক্তক জিজ্ঞাসাবাদ চলাই অধিক তথ্য সংগ্ৰহৰ চেষ্টা অব্যাহত আছে বুলি আৰক্ষী সূত্ৰে জনায়। সমান্তৰাল কৈ অসম-বংগ সীমান্ত অঞ্চলত গোনা মহ সৰবৰাহ এটা সংগঠিত চক্ৰৰ জৰিয়তে চলি থকা সন্দেহ বহুদিনৰ। সীমান্ত অঞ্চলত আৰক্ষীৰ অধিক সক্ৰিয়তা আৰু কঠোৰ ব্যৱস্থাই এই ছিণ্ডিকেটৰ মূল চক্ৰক উন্মোচন কৰিব নে নাই, সেয়া এতিয়া সময়েই ক'ব। স্থানীয় ৰাইজে আৰক্ষীৰ এই অভিযানক আদৰণি জনাই কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে। ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথেৰে অসমত প্ৰৱেশ কৰাৰ পৰিৱৰ্তে ভিতৰুৱা পথ খেৰবাৰী হৈ অসমত প্ৰৱেশ কৰি আছে। খেৰবাৰী হৈ অসমত প্ৰৱেশ কৰি গোহাঁই কমল পথেৰে কালডোৱা হৈ আগমনিত ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত উঠে আৰু ৰাষ্ট্ৰীয় ঘাইপথেৰে অসমৰ বিভিন্ন স্থানলৈ চোৰাং চালান চলি আহিছে। উক্ত পথটোৰ ম'হৰ চোৰাং চালানত বিশেষকৈ তথাকথিত সম্পূৰ্ণ অন্ধ্ৰা আৰু আবেদুৰ, বাহিনী, নুৰ বাহিনী নামৰ দুই প্ৰভাৱশালী গোটে এই নেতৃত্বত চলি থকা বুলি একাংশ সংবাদ মাধ্যমত প্ৰচাৰ হৈ থকাৰ সময়তে এটি বিশেষ ভিডিঅ' ভাইৰেল হৈ পৰিছে। ভিডিঅ'ত এখন বলেৰ' পিকআপ ভানত কে'বাজনো লোক চোৰাং গৰু উঠাই আছে। তাতে এজনে স্পষ্টভাৱে উল্লেখ কৰিছে যে গৰুবোৰ অন্ধ্ৰাৰ বুলি। পথটোৰে নিতৌ নিশা ম'হৰ সমান্তৰালকৈ চোৰাং গৰু, অবৈধ ধপাত আমদানি হোৱাৰ লগতে কৰফাকি দি বাৰ্মিচ চুপাৰি বহিঃৰাজ্যত প্ৰেৰণ কৰা হয় গতিকে ইয়াৰ এক উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী জনাইছে ৰাইজে।

# প্ৰথম বিজ্ঞান স্নাতক হিৰণ্য হাজৰিকাৰ স্মৃতিচাৰণ সভা; 'হিৰন্ময়ী' উন্মোচন

**অসম বাৰ্তা, জাঁজী, ১২ ফেব্ৰুৱাৰী ঃ** শিৱসাগৰ জিলাৰ আমগুৰি অঞ্চলৰ প্ৰথমগৰাকী মহিলা বিজ্ঞান স্নাতক তথা বৃহত্তৰ আমগুৰি অঞ্চলৰ অগ্ৰণী শৈক্ষিক অনুষ্ঠান 'আমগুৰি জ্ঞানবিকাশ বিদ্যাপীঠ'ৰ প্ৰাক্তন অধ্যক্ষ হিৰণ্য হাজৰিকাৰ বিশেষ স্মৃতিচাৰণ সভা আজি আমগুৰি ভূঞাহাট ন-পাম গাঁওস্থিত বিধায়ক প্ৰদীপ হাজৰিকাৰ গৃহত অনুষ্ঠিত হয়। পণ্যাগাৰ বিশেষজ্ঞ হিচাপে খ্যাতি অৰ্জন কৰি চৰকাৰী দায়িত্বৰ পৰা অৱসৰ গ্ৰহণৰ পিছত বৃহত্তৰ আমগুৰি অঞ্চলৰ শৈক্ষিক ক্ষেত্ৰত জড়িত হৈ সেৱা আগবঢ়োৱা বিশিষ্ট মহিলাগৰাকীৰ সোঁৱৰণত অনুষ্ঠিত এই সভা বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰে বিশিষ্ট শিক্ষাবিদ তথা জাঁজী হেমনাথ শৰ্মা কলেজৰ প্ৰাক্তন অধ্যক্ষ ভবাণী কুমাৰ বৰুৱাই। অৱসৰী প্ৰধান শিক্ষক পুলিন বৰঠাকুৰে মংগলাচাৰণেৰে সহযোগ কৰা আৰু বিশিষ্ট শিক্ষাবিদ তথা জাঁজী হেমনাথ শৰ্মা কলেজৰ প্ৰাক্তন অধ্যক্ষ ড° অনিল কুমাৰ গগৈ আৰু অধ্যাপক-লেখক ড° প্ৰাঞ্জল প্ৰতিম বড়াৰ পৰিচালনাৰে আৰু কলা নিৰ্দেশক মনোজ লাহনৰ শিল্পীসুলভ পৰিৱেশনৰে অনুষ্ঠিত এই সভাতে হিৰণ্য হাজৰিকাৰ সোঁৱৰণত প্ৰাক্তন উচ্চপদস্থ বিষয়া তপন কুমাৰ হাজৰিকা আৰু আমগুৰি সমষ্টিৰ বিধায়ক প্ৰদীপ হাজৰিকা সহ পৰিয়ালৰবৰ্গই প্ৰকাশ কৰা স্মৃতিগ্ৰন্থ 'হিৰন্ময়ী' উন্মোচন কৰে বিশিষ্ট সাহিত্যিক তথা শিৱসাগৰ জিলা সাহিত্য সভাৰ সভাপতি যোগেশ কিশোৰ ফুকনে। আমগুৰি খণ্ড উন্নয়ন বিষয়া ৰাতুল গগৈ, অৱসৰপ্ৰাপ্ত অধ্যক্ষ বিপুল বৰকটকী, দিখৌমুখ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰঞ্জিত কুমাৰ বৰুৱা, অৱসৰী শিক্ষাবিদ প্ৰমোদ শইকীয়া, বিমল শইকীয়া, কাশীনাথ পাত্ৰ, ৰবীন চন্দ্ৰ হাজৰিকা, প্ৰফুল্ল নেওগ, সমাজকৰ্মী দুলাল বৰুৱা, ৰমেন চেতিয়া, দিগন্ত বৰুৱা, নিত্যানন্দ কলিতা, পৰাগ তামোলী, শিক্ষক উদয় দত্ত, ইন্দ্ৰ কমল ফুকন, দিব্যজ্যোতি শইকীয়া, অনুপম দত্ত, সুৰেণ বৰা, সমাজসেৱিকা হিৰণ্য বৰুৱা, নীলিমা শইকীয়া, উৰ্মিলা দত্ত, সংবাদসেৱী গকুল বৰা প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকলে আমগুৰিৰ বিভিন্ন অনুষ্ঠান, প্ৰতিষ্ঠানৰ হৈ শ্ৰদ্ধাঞ্জলি জনোৱা এই সভাতে পৰিয়ালবৰ্গৰ হৈ বিধায়ক প্ৰদীপ হাজৰিকা, ৰক্তিম হাজৰিকা, জ্ঞানবিকাশ বিদ্যাপীঠৰ হৈ হিমাদ্ৰীজ্যোতি দত্তই বক্তব্য প্ৰদান কৰে। ড° প্ৰাঞ্জল প্ৰতিম বড়া আৰু শিক্ষক-সাংস্কৃতিক কৰ্মী সঞ্জীৱ কুমাৰ শইকীয়াৰ সম্পাদনাত প্ৰকাশিত স্মৃতিগ্ৰন্থৰ সম্পাদনা সমিতিৰ হৈ সভাপতি ড° অনিল কুমাৰ গগৈয়ে শলাগৰ শৰাই আগবঢ়োৱা এই সভাতে বংশীধৰ বেজবৰুৱাৰ কথা আৰু শিক্ষক-সাংস্কৃতিক কৰ্মী ৰুণজুন ঢেকিয়াল ফুকনৰ কণ্ঠৰে হিৰণ্য হাজৰিকাৰ স্মৃতিত প্ৰস্তুত কৰা প্ৰশস্তি গীত এটিও আনুষ্ঠানিকভাৱে মুকলি কৰা হয়।

### গোচৰ পঞ্জীয়ন কৰি জেল হাজোতলৈ প্ৰেৰণ

# বৃহৎ পৰিমাণৰ চোৰাং গাঞ্জাসহ লেখাপানী আৰক্ষীৰ জালত এজন

**অসম বাৰ্তা বিশেষ, জাগুন, ১২ ফেব্ৰুৱাৰী ঃ** অসম আৰক্ষীয়ে মাদক দ্ৰব্যৰ প্ৰচলনৰ বিৰুদ্ধে অধিক কঠোৰ আৰু তৎপৰ হৈ পৰাৰ সমান্তৰাল ভাৱে আজি লেখাপানী আৰক্ষীয়ে এক সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা সম জিলাৰ অন্তৰ্গত অসম আৰু অৰুণাচল প্ৰদেশৰ সীমামূৰীয়া অঞ্চল সমূহত দীৰ্ঘদিনৰে পৰা চলি থকা মাদক দ্ৰব্যৰ প্ৰচলনৰ বিৰুদ্ধে আৰক্ষীয়ে অভিযান চলায় যোৱাৰ মাজতেই একাংশ অসাধু ব্যক্তিয়ে আৰক্ষী প্ৰশাসনৰ চকুত ধূলি দি গোপনে চলাই গৈছে অবৈধ ড্ৰাগছ, কানি, গাঞ্জা আৰু সুৰাৰ ৰমৰমীয়া বেহা। ইয়াৰ মাজতেই বুধবাৰে লেখাপানী আৰু জাগুন আৰক্ষীয়ে যৌথ ভাৱে গোপন তথ্যৰ ভিত্তিত অভিযান চলাই টিপং অঞ্চলৰ পৰা এজন কুখ্যাত গাঞ্জা সৰবৰাহ কাৰীক হাতেলুটে আটক কৰিবলৈ সক্ষম হয়। আটক কৰা লোক জনৰ পৰা ১২.৫৯ গ্ৰাম গাঞ্জা আৰু কিছু পৰিমাণৰ সুৰা জব্দ কৰিবলৈ সক্ষম হয়। জব্দ কৰা গাঞ্জা খিনিৰ বজাৰ মূল্য প্ৰায় ৮০ হেজাৰ টকা হব বুলি জানিব পৰা গৈছে।



আটকাধিন লোকজন টিপং টাউনচিপৰ পি, চিৰা (৪৫) বুলি জানিব পৰা গৈছে। ব্যক্তি জনে বহু দিনৰ পৰা টিপং অঞ্চলত গাঞ্জা, বিলাতী সুৰা, ড্ৰাগছ, কানি ইত্যাদিৰ ৰমৰমীয়া ব্যৱসায় চলাই নৱ প্ৰজন্মক বিপথে পৰিচালিত কৰি আহিছিল বুলি অভিযোগ উত্থাপন হয় আহিছিল। আটকাধিন লোক জনৰ বিৰুদ্ধে লেখাপানী আৰক্ষী থানাৰ Case no-11/25 U/S 20(b)(।।)(B) NDPS Act R/W Sec 53(1)(a) The Assam Excise Act ৰ অধীনত কেছ পঞ্জীয়ন কৰি জেল-হাজোতলৈ প্ৰেৰণ কৰা হয়।

### শিল্পী প্ৰতিভা দেৱীক লোকশিল্পী বঁটা-২০২৬ প্ৰদান

# বৰমণিপুৰত বিশ্ব অনাঁতাৰ দিৱস উদযাপন

**অসম বাৰ্তা, বেৰেজীয়া, ১৪ ফেব্ৰুৱাৰী ঃ** "ৰেডিঅ'ই জনসাধাৰণৰ মাজত যুগ যুগ ধৰি বিভিন্ন তথ্যৰ লগতে মানুহৰ মনোৰঞ্জনৰ অভাৱ পূৰণ কৰি আহিছে। শিশুৰ পৰা বৃদ্ধলৈ ভিন্ন ধৰণৰ মাধ্যমৰ যোগেদি এক দীঘলীয়া যাত্ৰাৰে ৰেডিঅ' বৰ্তমান সময়তো এক শক্তিশালী গণমাধ্যম। ছাত্ৰ-ছাত্ৰী সকলে ৰেডিঅ' অনুষ্ঠান সমূহৰ জৰিয়তে জীৱনৰ জ্ঞান অহৰণ কৰিব পাৰে।" - এই মন্তব্য মধ্য অসম ৰেডিঅ' শ্ৰোতা সংঘৰ সঞ্চালক ৰাহুল দেৱ বৰদলৈৰ। আজি মধ্য অসম ৰেডিঅ' শ্ৰোতা সংঘই নগাঁও-মৰিগাঁও জিলাৰ সীমামূৰীয়া অঞ্চল বৰমণিপুৰত অৱস্থিত শংকৰ- আজান জাতীয় বিদ্যালয়ত দিনযোৰা কাৰ্যসূচীৰে আয়োজন কৰা বিশ্ব অনাঁতাৰ দিৱসৰ মুকলি সভাত বক্তব্য ৰাখি বৰদলৈয়ে এনেদৰে কয়। দিনৰ ১১বজাত বিশিষ্ট সমাজকৰ্মী নোমল চন্দ্ৰ বৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাত অংশগ্ৰহণ কৰে শ্ৰোতা সংঘৰ মুখ্য সঞ্চালক কিৰণ চন্দ্ৰ নাথ, বিদ্যালয়খনৰ প্ৰধান শিক্ষক আবিদুৰ ৰহমান, লোকশিল্পী মিলেশ্বৰ ডেকা, চহা শিল্পী সুৰেশ হাজৰিকা, দুৰ্গাপ্ৰসাদ নাথকে ধৰি বহু সংখ্যক ৰাইজ। অনুষ্ঠানৰ আৰম্ভণিতে সোণতৰা বৰদলৈ আৰু সংগী সকলৰ কণ্ঠত নাম পৰিৱেশন, সুৰেশ হাজৰিকাই পৰিৱেশন কৰা খগেন মহন্তৰ কালজয়ী গীতৰ পিছতে ছাত্ৰ-ছাত্ৰী সকলৰ মাজত বিচিত্ৰা অনুষ্ঠান অনুষ্ঠিত হয়। এই সভাতে মধ্য অসম ৰেডিঅ' শ্ৰোতা সংঘই প্ৰৱৰ্তন কৰা লোকশিল্পী বঁটা-২০২৬ প্ৰতিভা দেৱীলৈ আনুষ্ঠানিকভাৱে প্ৰদান কৰা হয়। এই বঁটাৰ লগত এখনি ফুলাম গামোছা, চেলেং চাদৰ, জাপি, এটি স্মাৰক আৰু সম্বৰ্ধনা পত্ৰ আছে। অনুষ্ঠানৰ লগত সংগতি ৰাখি পুৱা ৯ বজাত এখন বাহনত এটা বৃহৎ আকাৰৰ ৰেডিঅ' লৈ নগাঁও টাউনৰ মাজেৰে ঘূৰাই ৰাইদঙীয়া, চকলাঘাট, মাজগাঁৱেৰে আহি এক ব্যতিক্ৰমী ভ্ৰমণ সূচীৰে ১১ বজাত সভাস্থলিলৈ অহা হয়। মূল সভাৰ আগেয়ে ছাত্ৰ-ছাত্ৰী সকলৰ মাজত চিত্ৰাংকণ আৰু আকস্মিক বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত হয়। বিয়লি ৩ বজাত অনুষ্ঠানৰ সামৰণি পৰে।

### লৃগাঙৰ দিনা পঃৰাগ উৎসৱৰ লাইখুঁটা স্থাপন

# অফলাত আলি আঃয়ে লৃগাঙৰ ব্যাপক প্ৰস্তুতি

**অসম বাতা, দিচাংমুখ, ১২ ফেব্ৰুৱাৰী ঃ** অসমৰ ভূমিপুত্ৰ মিচিং জনগোষ্ঠীৰ হিয়াৰ আমঠু তথা কৃষি ভিত্তিক জাতীয় উৎসৱ "আলি আঃয়ে লৃগাং উৎসৱ অহা ১৮ ফেব্ৰুৱাৰীৰ ফাগুন মাহৰ প্ৰথম বুধবাৰৰ দিনা অফলা গাঁৱৰ মুৰংঘৰ চৌহদৰ খেলপথাৰত দিনযোৱাকৈ অফলা গাঁও উন্নয়ন সমিতিৰ উদ্যোগত আৰু গাঁওখনৰ ৰাইজৰ সহযোগত ধৰ্মীয় পৰম্পৰাগত ৰীতি-নীতিৰে আলি আঃয়ে লৃগাঙ উৎসৱ উলহ-মালহেৰে উদযাপনৰ ব্যাপক প্ৰস্তুতি চলোৱা হৈছে। উল্লেখ্য যে সুদীৰ্ঘ ১৫ বছৰৰ বিৰতি পিছত অফলা গাঁৱৰ ৰাইজে মিচিং সকলৰ পৰম্পৰাগত "পঃৰাগ উৎসৱ" ভাগি ২০২৭ বৰ্ষত উদযাপন কৰিবলৈ আৰু ৰাইজৰ সৰ্বসন্মতিক্ৰমে বৰ্ষজোৰা কৰ্মসূচীৰ শুভাৰম্ভ দিন হিচাপে আলি আঃয়ে লৃগাঙৰ দিনা "পঃৰাগ উৎসৱ"ৰ লাইখুঁটা স্থাপন কৰাৰো সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। তদুপলক্ষে অসম তথা ভাৰতৰ ভিন্ন প্ৰান্তত চৰকাৰী-বেচৰকাৰী কৰ্মচাৰীসকলে কৰ্মসূত্ৰে আৰু নিগাজীকৈ চহৰে-নগৰে বসতি কৰি থকা অফলা গাঁৱৰ সকলো সু-সন্তানসকলৰ গঠনমূলক দিহা-পৰামৰ্শ আশা কৰি আলি আঃয়ে লৃগাং উৎসৱ ২০২৬ উদযাপনৰ দিনা "পঃৰাগ উৎসৱ"ৰ লাইখুঁটা স্থাপন কাৰ্যসূচীত নিশ্চিতভাৱে উপস্থিতি একান্তই কামনা কৰিছে।

# গোলোকগঞ্জ মটেৰঝাৰত পথ দুৰ্ঘটনাত নিহত এক

**অসম বাৰ্তা, আগমনি, ১২ ফেব্ৰুৱাৰী ঃ** ধুবুৰী জিলাৰ গোলকগঞ্জত ড্ৰাম্পাৰৰ দৌৰাত্ম্য। প্ৰানঘাতী হৈ পৰিছে অভাৰলোড শিলৰ ডাম্পাৰ। নীৰৱ বন পৰিবহণ বিভাগ। আৰক্ষীৰ ভূমিকাও ৰহস্যজনক। আজি তীব্ৰ বেগী ড্ৰাম্পাৰৰ খুন্দাত থিতাতে প্ৰান হেৰুৱালে এজন মৃৎ শিল্পী, আন জনৰ অৱস্থা সংকটজনক। প্ৰাপ্ত তথ্য মতে ১২৭ বি ৰাষ্ট্ৰীয় ঘাইপথ মটেৰঝাৰ আমতলাত সংঘটিত হয় এই ভয়ঙ্কৰ পথ দুৰ্ঘটনা। ভাৰত বন্ধৰ দিনা পুৱাই সংঘটিত হয় এই ভয়ঙ্কৰ পথ দুৰ্ঘটনা। নিহত ব্যক্তি গৰাকী হৈছে মটেৰঝাৰ আমতলাৰ অনিল মালাকাৰ (৫০) আৰু গুৰুতৰ আঘাত হয়জন খয়বৰ (ভেঁকু) সেখ বুলি জানিব পৰা গৈছে। সোণাহাট আন্তৰ্জাতিক বাণিজ্য কেন্দ্ৰ অভিমুখি অভাৰলোড শিল ভৰ্তি ডাম্পাৰৰ লগত ই ৰিস্কাৰ সংঘৰ্ষ। তীব্ৰ বেগী শিলকৰিয়াই অনা ডাম্পাৰ খনে ই ৰিস্কাক খুন্দা মৰাৰ ফলত সংঘটিত হয় দুৰ্ঘটনা। দুৰ্ঘটনা সংঘটিত কৰি ডাম্পাৰখন পলায়ন কৰে। ফলত ঘটনাস্থলীতে মৃত্যু হয় মৃৎ শিল্পীজনৰ। উক্ত মৰ্মান্তিক ঘটনাক কেন্দ্ৰ কৰি অঞ্চলজুৰি সোকৰ ছাঁ পৰিছে। পিছে ক্ষোভিত ৰাইজে ঘাইপথ অৱৰোধ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। ঘটনস্থলীত গোলকগঞ্জ আৰক্ষী উপস্থি হৈ তদন্ত আৰম্ভ কৰে। পিছত মৰণোত্তৰ পৰীক্ষাৰ বাবে ধুবুৰী চিকিৎসা মহাবিদ্যালয়ত প্ৰেৰণ কৰে। সঘনাই দুৰ্ঘটনা সংঘটিত কৰা অভাৰলোড ডাম্পাৰ সমূহ নাকি লগোৱাত জিলা প্ৰশাসনৰ ব্যৰ্থতাই ৰহস্যৰ সৃষ্টি কৰিছে।

# গৰৈমাৰীত ছমৰীয়া সমষ্টি ভিত্তিক কংগ্ৰেছৰ বুথ বি এল এ, মণ্ডল আৰু ব্লক কমিটিৰ বিষয়ববীয়াৰ প্ৰশিক্ষণ শিবিৰ সম্পন্ন




**অসম বাৰ্তা, গৰৈমাৰী, ১২ ফেব্ৰুৱাৰী ঃ** ছমৰীয়া সমষ্টিৰ অন্তৰ্গত গৰৈমাৰীত আজি কংগ্ৰেছৰ দলীয় সাংগঠনিক শক্তি অধিক সুদৃঢ় কৰাৰ লক্ষ্যৰে গৰৈমাৰী ব্লক আৰু ছমৰীয়া ব্লকৰ বুথ বি এল এ, মণ্ডল সভাপতিসকল, ব্লক কমিটিৰ বিষয়ববীয়াসকলৰ এদিনীয়া প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হয়। অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ উদ্যোগত ২৭ নং ছমৰীয়া বিধানসভা সমষ্টি ভিত্তিক অনুষ্ঠিত প্ৰশিক্ষণ শিবিৰ উপলক্ষে অনুষ্ঠিত সভাত সম্বৰ্ধনাপৰ্ব পৰিচালনা কৰে গৰৈমাৰী ব্লক কংগ্ৰেছ কমিটিৰ সভাপতি নুৰুল ইছলামে আৰু আদৰণি ভাষণ প্ৰদান কৰে ছয়গাঁও সমষ্টিৰ বিধায়ক ৰেকিবুদ্দিন আহমেদে। প্ৰশিক্ষণ শিবিৰত আগন্তুক নিৰ্বাচনক কেন্দ্ৰ কৰি বুথ পৰ্যায়ত সাংগঠনিক ভেটি শক্তিশালী কৰা, ঘৰে-ঘৰে সংযোগ স্থাপন আদি বিষয়ত বিস্তৃত আলোচনা কৰা হয়। দলীয় নীতি-আদৰ্শ সাধাৰণ ৰাইজৰ মাজলৈ লৈ যোৱাৰ ক্ষেত্ৰত বুথ পৰ্যায়ৰ কৰ্মীৰ ভূমিকাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। সভাৰ অন্তত সকলোৱে ঐক্যবদ্ধভাৱে দলীয় কাৰ্যসূচী আগবঢ়াই নিয়াৰ সংকল্প গ্ৰহণ কৰে। প্ৰশিক্ষণ কাৰ্যসূচীত বুথ পৰিচালনা কাৰ্যসূচীৰ ৰাষ্ট্ৰীয় প্ৰশিক্ষক আয়ুষ পাণ্ডে, এ পি চি চি মিডিয়া কোষৰ ৰাজ্যিক সমন্বয়ক আৰু নিৰ্বাচন পৰিচালনা সমিতিৰ মাষ্টাৰ প্ৰশিক্ষক হেপ্পী গগৈ, কামৰূপ জিলা কংগ্ৰেছৰ তত্বাৱধায়ক আনোৱাৰ হুচেইন, এ পি চি চিৰ সাধাৰণ সম্পাদক নাছিৰ খান, মনোজ কলিতাৰ লগতে ছমৰীয়া সমষ্টিৰ কংগ্ৰেছৰ দলীয় প্ৰাৰ্থিত্ব প্ৰত্যাশী ক্ৰমে—ছয়গাঁও সমষ্টিৰ বিধায়ক ৰেকিবুদ্দিন আহমেদ, বকো সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা প্ৰাক্তন মন্ত্ৰী গোপীনাথ দাস, অধিবক্তা ফাইজুৰ ৰহমান চৌধুৰী, অধিবক্তা আমান ৱাদুদ, অধিবক্তা ৰফিকুল ইছলাম, অধিবক্তা কুৰবান আলী, সোণতলী টুপামাৰী জিলা পৰিষদৰ প্ৰাক্তন সদস্য ছাহজাহান আলী, ৰাজ্যিক কিষাণ কোষৰ উপ-সভাপতি মেহবুব আলী, ফজলুল হককে প্ৰমুখ্য কৰি কংগ্ৰেছ দলৰ বিভিন্ন পৰ্যায়ৰ দলীয় কাৰ্যকৰ্তা উপস্থিত থাকে।

# বঙাইগাঁৱত জিলাত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ

**অসম বাৰ্তা, মাণিকপুৰ, ১২ ফেব্ৰুৱাৰী ঃ** ৰাজ্যৰ আন ঠাইৰ লগতে বঙাইগাঁৱ জিলাতো ১০ ফেব্ৰুৱাৰীত প্ৰকাশ পালে বিশেষ পুনৰীক্ষণৰ আধাৰত প্ৰকাশিত ২০২৬ চনৰ চূড়ান্ত ভোটাৰ তালিকা। সংবাদমেল যোগে বঙাইগাঁৱ জিলা আয়ুক্ত দিবাকৰ নাথে আনুষ্ঠানিক ভাৱে সমষ্টি ভিত্তিক প্ৰকাশিত চূড়ান্ত ভোটাৰ তালিকাৰ বিস্তৃত তথ্য দাঙি ধৰে। সেই অনুসৰি তিনিটা সমষ্টিৰে গঠিত বঙাইগাঁও জিলাত সৰ্বমুঠ ভোটাৰৰ সংখ্যা ৫,৮৬,৮৪২ গৰাকী। ইয়াৰে পুৰুষ ভোটাৰৰ সংখ্যা ২,৯৬,৭৫৭ গৰাকী, মহিলা ভোটাৰৰ সংখ্যা ২,৯০,০৭৭ গৰাকী আৰু তৃতীয় লিংগৰ ভোটাৰ ৮ গৰাকী। সন্দেহ জনক ভোটাৰ ৯১৫ গৰাকী। ইয়াৰে ১৬ নং অভয়াপুৰী বিধানসভা সমষ্টিৰ মুঠ ভোটাৰ ১৮২৩৭৬ গৰাকী। পুৰুষ ভোটাৰ ৯১২৮২ আৰু মহিলা ভোটাৰ ৯১,০৯৪ গৰাকী। ১৭ নং সৃজনগ্ৰাম বিধানসভা সমষ্টি মুঠ ভোটাৰ ২,৩৩,২৬৬ গৰাকী ইয়াৰে পুৰুষ ১,২০,৭০২ আৰু মহিলা ১,১২,৫৬৪ গৰাকী। ১৮ নং বঙাইগাঁৱ বিধানসভা সমষ্টিত মুঠ ভোটাৰ ১৭১২০০ গৰাকী। ইয়াৰে পুৰুষ ভোটাৰ ৮৪,৭৭৩ আৰু মহিলা ভোটাৰ ৮৬৪২৭ গৰাকী। মন কৰিবলগীয়া বিষয় এই যে খচৰা তালিকাত জিলাখনত সৰ্বমুঠ ভোট আছিল ৫,৮৩,১২৮ গৰাকী। ১৬ নং অভয়াপুৰীত খচৰা ভোটাৰ তালিকাত ভোট আছিল ১৮২৬৬৭ গৰাকী। ইয়াৰে মুঠ ভোটাৰ কৰ্তন হৈছে ৬,৪১১ গৰাকী। আৰু চূড়ান্ত তালিকাত অন্তৰ্ভুক্ত হৈছে ৬১২০ গৰাকী ভোটাৰ। ১৭ নং সৃজনগ্ৰাম বিধানসভা সমষ্টিৰ খচৰা তালিকাত ভোটাৰ সংখ্যা ২,২৯,২০১ গৰাকী। ইয়াৰ পৰা মুঠ ভোট কৰ্তন হ'ল ৩,৫৮৩ গৰাকী। চূড়ান্ত তালিকাত অন্তৰ্ভুক্ত হল মুঠ ৭,৬৪৮ গৰাকী। আৰু ১৮ নং বঙাইগাঁও বিধানসভা সমষ্টিত খচৰা তালিকাত সৰ্বমুঠ ভোটাৰৰ সংখ্যা ১,৭১,২৬০ গৰাকী। ইয়াৰ পৰা কৰ্তন হ'ল ৪,৩৫৪ গৰাকী। চূড়ান্ত তালিকাত অন্তৰ্ভুক্ত হ'ল মুঠ ৪,২৯৪ গৰাকী। জিলাত খচৰা তালিকাৰ পৰা সৰ্বমুঠ কৰ্তনৰ ভোটাৰ সংখ্যা ১৪,৩৪৮ গৰাকী। চূড়ান্ত ভোটাৰ তালিকাত অন্তৰ্ভুক্ত হ'ল সৰ্বমুঠ ১৮০৬২ গৰাকী।

# বকোত দক্ষিণ পশ্চিম কামৰূপ ছাত্ৰ সন্থাৰ উদ্যোগত শ্বহীদ দিৱস উদযাপন

### সৰ্বধৰ্ম প্ৰাৰ্থনা সভা

**অসম বাৰ্তা, বকো, ১২ ফেব্ৰুৱাৰী ঃ** অসমৰ অস্তিত্ব ৰক্ষা সংগ্ৰামৰ জাগ্ৰত প্ৰহৰী সদৌ অসম ছাত্ৰ সন্থাৰ কামৰূপ জিলা সমিতিৰ অন্যতম গোট দক্ষিণ পশ্চিম কামৰূপ ছাত্ৰ সন্থাৰ শ্বহীদ দিৱস আজি দিনযোৰা কাৰ্য্যসূচীৰে অনুষ্ঠিত হয়। বকোস্থিত কেন্দ্ৰীয় শ্বহীদ বেদীত বন্তি প্ৰজ্বলন আৰু শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি শুভাৰম্ভ কৰা শ্বহীদ দিৱসে আজি ৫৩ বছৰত ভৰি দিলে। ছয় বছৰীয়া বিদেশী বহিষ্কাৰ আন্দোলনত অসম মাতৃৰ অস্তিত্ব ৰক্ষাৰ বাবে প্ৰাণ আহুতি দিয়া শ্বহীদ সকলোক স্মৰণ কৰা হয়। ইফালে দক্ষিণ পশ্চিম কামৰূপ ছাত্ৰ সন্থাৰ সভাপতি ৰিংকু ৰাভা আৰু সম্পাদক জয়ন্ত কলিতাই জনোৱা অনুসৰি পূৰ্বৰ ছাত্ৰ সন্থাৰ নীতি অনুসৰণ কৰি আজিও আয়োজন কৰা হৈছে শ্বহীদ দিৱসৰ বৰ্ণাঢ্য কাৰ্য্যসূচী। শ্বহীদ দিৱসৰ কাৰ্য্যসূচী অনুসৰি ছাত্ৰ সন্থাৰ পতাকা উত্তোলন; কেন্দ্ৰীয় বেদীত শ্ৰদ্ধাঞ্জলি আৰু সৰ্ব ধৰ্ম প্ৰাৰ্থনা সভাৰ উপৰিও নাম প্ৰসংগ। ইফালে সন্ধিয়া পৰত ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি পৰাণজ্যোতি দাস আৰু জগত চন্দ্ৰ দাসৰ জৰিয়তে বন্তি প্ৰজ্বলন কৰা হ'ব।

# সামাজিক মাধ্যমত হিংসা আৰু বিদ্বেষ বিয়পোৱাৰ বিৰুদ্ধে আমছুৰ তীব্ৰ প্ৰতিবাদ

**অসম বাৰ্তা, সৃজনগ্ৰাম, ১২ ফেব্ৰুৱাৰী ঃ** অভয়াপুৰী লেংটিছিঙাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পুত্তলিকা দাহ। সামাজিক মাধ্যমৰ জৰিয়তে হিংসা, বিদ্বেষ, সাম্প্ৰদায়িকতা আৰু সমাজ বিভাজনমূলক মনোভাৱ ইচ্ছাকৃতভাৱে বিয়পোৱাৰ অভিযোগ উত্থাপন কৰি আজি আমছু (All Assam Minority Students' Union)ৰ উদ্যোগত এক প্ৰতিবাদী কাৰ্যসূচী অনুষ্ঠিত হয়। আমছুৰ উত্তৰ শালমাৰা জিলা সমিতিৰ আহ্বানত অনুষ্ঠিত এই প্ৰতিবাদী কাৰ্যসূচী অভয়াপুৰী লেংটিছিঙা চাৰিআলিত উক্ত কাৰ্য্যসূচী ৰূপায়ণ কৰা হয়। প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰা আমছুৰ নেতা-কৰ্মীসকলে সামাজিক মাধ্যমৰ অপব্যৱহাৰৰ জৰিয়তে ৰাজ্যত অশান্তি সৃষ্টিৰ চেষ্টা চলি থকাৰ অভিযোগ উত্থাপন কৰে। সংগঠনটোৰ মতে, সামাজিক মাধ্যমক ব্যৱহাৰ কৰি কিছুমান শক্তিয়ে সমাজত বিদ্বেষ, হিংসা আৰু বিভাজনমূলক মানসিকতা প্ৰচাৰ কৰি অহা দেখা গৈছে, যাৰ ফলত ৰাজ্যৰ সামাজিক সম্প্ৰীতি আৰু শান্তি বিপন্ন হৈছে। কাৰ্যসূচীৰ অংশ হিচাপে প্ৰতিবাদকাৰীসকলে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পুত্তলিকা দাহ কৰি চৰকাৰৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। এই সময়ত প্ৰতিবাদকাৰীসকলে "মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা গো বেক" আদি শ্লোগান দি পৰিৱেশ উত্তাল কৰি তোলে আৰু মুখ্যমন্ত্ৰীৰ পদত্যাগ দাবী জনায়। প্ৰতিবাদী সভাত বক্তাসকলে সামাজিক মাধ্যমৰ ওপৰত কঠোৰ নিয়ন্ত্ৰণ আৰোপ কৰা, হিংসা উচতনিমূলক পোষ্টৰ বিৰুদ্ধে কঠোৰ আইনগত ব্যৱস্থা গ্ৰহণ কৰা আৰু সমাজত শান্তি-সম্প্ৰীতি বজাই ৰখাৰ ক্ষেত্ৰত চৰকাৰে দায়বদ্ধ ভূমিকা পালন কৰাৰ দাবী জনায়। লগতে, এনে পৰিস্থিতি অব্যাহত থাকিলে আগন্তুক দিনত আমছুৰ নেতৃত্বত ৰাজ্যজুৰি আৰু অধিক শক্তিশালী গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলা হ'ব বুলিও সকীয়াই দিয়া হয়। প্ৰতিবাদী কাৰ্যসূচী শান্তিপূৰ্ণভাৱে সম্পন্ন হয় যদিও সংগঠনটোৱে সামাজিক মাধ্যমৰ অপব্যৱহাৰৰ বিৰুদ্ধে নিজৰ আন্দোলন অব্যাহত ৰাখিব বুলি স্পষ্ট কৰি দিয়ে।

# মহাশিৱৰাত্ৰি আৰু শিৱৰ কিছু কথা

সমগ্ৰ দেশজুৰি হিন্দু ধৰ্মাৱলম্বী লোকসকলে অতীজৰ পৰাই শিৱৰাত্ৰি উদ্‌যাপন কৰি আহিছে। শান্তি, সমৃদ্ধিৰ লগতে মনোবাঞ্চা পূৰণৰ বিশ্বাস মনত লৈ ভক্তসকলে আদিযোগী ভোলানাথৰ আশিস লয়। শিৱক সকলোৱে এগৰাকী মংগলকাৰী দেৱতা বুলি কয় সেয়েহে তেওঁ কাৰোৱে অহিত হোৱাটো নিবিচাৰে। সেয়েহে সকলোৰে প্ৰিয় দেৱাদি দেৱ মহাদেৱ। ‘শিৱ’ শব্দটো সংস্কৃত শব্দৰ পৰা অহা, অৰ্থাৎ সংস্কৃত শব্দ ‘শিৱ’ৰ অৰ্থ হৈছে মংগল। মহাদেৱ হৈছে হিন্দু সকলৰ তিনিটা বিশেষ প্ৰাথমিক দৈৱসত্ত্বাৰ অন্যতম। এই তিনি প্ৰাথমিক দৈৱসত্ত্বাক ত্ৰিমূৰ্তি বুলি কোৱা হয়। এই ত্ৰিমূৰ্তিৰ ভিতৰত শিৱকেই অধিকাংশ লোকে সৰ্বোচ্চ ঈশ্বৰ বুলি জ্ঞান কৰা দেখিবলৈ পোৱা যায়।

যদিও শিৱক ইয়াৰ ব্যুৎপত্তিগত দিশৰ পৰা মংগলকাৰী হিচাপে পূজা অৰ্চনা কৰা হয় তথাপি কিন্তু ই কেতিয়াবা কেতিয়াবা সংহাৰ সৃষ্টিকাৰী ৰূপত ৰুদ্ৰমূৰ্তি ধাৰণ কৰি নিজকে ধ্বংসৰ প্ৰতীক হিচাপে প্ৰতিষ্ঠা কৰাৰ কথাও আমি পাওঁ। এইখিনিতে এটা প্ৰশ্ন মনলৈ আহে, মানুহে শিৱক কেতিয়াৰ পৰা পূজা কৰিবলৈ লৈছিল সেই সম্পৰ্কে কোনো নিশ্চিতভাৱে ক'ব পৰা তথ্য পোৱা নাযায়। অৱশ্যে এইখিনিতে এটা কথা উল্লেখ কৰিব পাৰি যে, মহেঞ্জোদাৰো খনন কাৰ্যৰ সময়ত উদ্ধাৰ হোৱা প্ৰাচীন ভাস্কৰ্যত খোদিত কৰা চিত্ৰ দেখা গৈছিল যি চিত্ৰই শিৱক প্ৰতিনিধিত্ব কৰে বুলিব পাৰি।

তদুপৰি আধুনিক শিৱ আৰু বৈদিক দেৱতা ৰুদ্ৰৰ মাজত ভালেখিনি সাদৃশ্য পৰিলক্ষিত হয় বুলি ক'ব পাৰি। অৱশ্যে আমাৰ সনাতনী হিন্দু সমাজত দুয়োকে একেজন দেৱতা বুলিয়েই জ্ঞান কৰে। আনহাতে ঋগবেদত শিৱক মৰুৎগণৰ পিতা বুলি উল্লেখ থকাৰ কথা পোৱা যায়। তদুপৰি হিন্দু ধৰ্মৰ আন এক বেদ যজুৰ্বেদতো “ৰুদ্ৰম স্তোত্ৰ”ত ৰুদ্ৰক শিৱ নামেৰে বন্দনা কৰাৰ কথা পোৱা যায়, যাক হিন্দুসকলৰ বাবে অতি পবিত্ৰ জ্ঞান কৰা হয়।

দেৱাদিদেৱ শিৱৰ উপাসনাৰ উদ্দেশ্যেই প্ৰতি বছৰে শিৱৰাত্ৰি উৎসৱ পালন কৰা হয়। হিন্দু দিনপঞ্জী অনুসৰি প্ৰতি মাহৰে ত্ৰয়োদশ নিশা/চতুৰ্দশ দিনত এবাৰকৈ শিৱৰাত্ৰি তিথি পৰে। কিন্তু সেয়া হ'লেও তেনেদৰে নকৰি বছৰত এবাৰকৈ ফাগুণ মাহত “মহাশিৱৰাত্ৰি”: আয়োজন কৰা হয়।

হিন্দু সকলে এই গুৰুত্বপূৰ্ণ উৎসৱত জীৱন আৰু বিশ্বৰ অন্ধকাৰ আৰু অৱহেলা আঁতৰ কৰাৰ পণ স্মৰণ কৰি ইয়াক পালন কৰে। এই উৎসৱত ভক্তসকলে শিৱৰ আঁৰতি পাঠ, উপবাস, যোগ আদি নিয়ম পালন কৰে। কোনো কোনোৱে আকৌ “মহা শিৱৰাত্ৰি”ৰ দিনটোত শিৱ মন্দিৰ বা জ্যোতিৰ্লিংগও দৰ্শন কৰিবলৈ যায়।

দেৱাদিদেৱ মহাদেৱৰ এটা বিশেষ বৈশিষ্ট্য হৈছে- তেওঁ ত্ৰিনয়ন। কঠিত অনুসৰি, এই তৃতীয় নয়নেৰে মহাদেৱে কামদেৱক ভস্ম কৰিছিল। একেদৰে শিৱৰ জঁটাধাৰী শিৰত চন্দ্ৰই বিৰাজ কৰাৰ বাবে শিৱৰ আন এক নাম চন্দ্ৰশেখৰ হৈছে বুলি কোৱা হয়। সৰ্বাংগত ভস্ম অৰ্থাৎ বিভূতিৰ প্ৰলেপ থকাৰ বাবেই তেওঁৰ আন এক নাম হ'ল বিভূতিভূষণ হৈছে বুলি কোৱা হয়।

আমি আমাৰ কল্পনাৰ শিৱ বা পূজ্য মহাদেৱৰ চুলি জঁটাবন্ধা বুলি জানো। তেওঁ সমুদ্ৰ মন্থনৰ সময়ত ওলোৱা বিহ পান কৰাৰ বাবে নীলকণ্ঠ নামেৰেও পৰিচিত হৈছিল। তদুপৰি আন এক বিশ্বাস আছে যে পবিত্ৰ গংগা নদী শিৱৰ জঁটাৰ পৰা ওলাইছে। পবিত্ৰ গংগা নদী মৰ্ত্যলৈ নামি অহাৰ সময়ত পৃথিৱী ধ্বংস হ'বলৈ নিদি মহাদেৱে তেওঁৰ জঁটাত ধাৰণ কৰি লৈছিল। শিৱ আৰাধনাত ঔমঃকাৰ ধ্বনিয়ে তেওঁৰ পৰম ব্ৰহ্ম ৰূপক উপস্থাপিত কৰে বুলিব পাৰি। এইবোৰৰ উপৰিও আমি শিৱৰ হাতত এবিধ বিশেষ বাদ্যৰ উপস্থিতি দেখিবলৈ পাওঁ। এই বিশেষ বাদ্য বিধ হৈছে ডম্বৰু। তেওঁ ডম্বৰু বজাই এক বিশেষ ভংগীমাৰে শিৱৰ অস্তিত্বক নটৰাজ ৰূপত উপাসকসকলে কল্পনা কৰি পূজা কৰা দেখিবলৈ পোৱা যায়।

একেদৰে শিৱৰ আন এটা ৰূপ হ'ল তাণ্ডৱ ৰূপ। তেওঁ যেনেদৰে দুৰ্বলজনৰ ত্ৰাণকৰ্তা, তেনেদৰে অপশক্তিৰ বিনাশৰ বাবে মুহূৰ্ততে তাণ্ডৱ ৰূপো ধাৰণ কৰিব পাৰে সকলোৱে বিশ্বাস কৰে। শিৱক যোগী তথা উত্তম গাৰ্হস্থ্যধৰ্মী ৰূপতো কল্পনা কৰা হয়। পাৰ্বতীৰ স্বামী আৰু গণেশ-কাৰ্তিকৰ পিতৃ হিচাবে তেওঁক এজন আদৰ্শবান গৃহস্থ হিচাপে কল্পনা কৰা হয়। গাৰ্হস্থ্য ধৰ্ম পালন কৰিলেও প্ৰয়োজনত তেওঁ সকলো পাহৰি ধ্যানস্থও হ'ব পাৰে। বহু সময়ত এই ধ্যানৰ পৰা তেওঁক বাস্তৱলৈ ঘূৰাই অনাটো অতি কঠিন। সম্ভৱতঃ সেই বাবেই তেওঁক মহাযোগী বুলিও কোৱা হয়।

শিৱ হৈছে মৃত্যুঞ্জয়ী, অৰ্থাৎ তেওঁ মৃত্যুকো জয় কৰিব পাৰে। বিশ্বৰ ভিতৰতে আটাইতকৈ বেছি ভক্ত থকা দেৱতাই হৈছে শিৱ। ব্ৰহ্মা-বিষ্ণু-মহেশ্বৰ, এই তিনিমূৰ্তিৰ ভিতৰত শিৱকেই সৰ্বশ্ৰেষ্ঠ বুলি গণ্য কৰা হয়। শিৱক লিংগ ৰূপতো পূজা পাতল কৰা হয়। এনেদৰে পূজা কৰাৰ অৰ্থ অনেক আছে। ই হৈছে এক প্ৰতীকি অৰ্থ। মূলতঃ হিন্দু ধৰ্মত শিৱ লিংগ আৰু নাৰায়ণশিলাক ভক্তসকলে এই প্ৰতীকি ৰূপ দি অতীতৰ পৰাই পূজা কৰি অহাৰ কথা জানিব পাৰোঁ।

শিৱ হৈছে অতি দয়ালু আৰু সহজ-সৰল দেৱতা। শিৱৰ দয়ালু আৰু সহজ-সৰল স্বভাৱৰ সুযোগ বহু সময়ত দুষ্ট শক্তিয়ে গ্ৰহণ কৰাও দেখিবলৈ পোৱা যায়। শিৱক আৰাধনা কৰি সন্তুষ্ট কৰাৰ পাছত নিজকে শক্তিশালী কৰাৰ বাবে তেখেতৰ পৰা বৰ আদায় কৰিছিল। সেইসকলৰ উদ্দেশ্য বহুসময়ত অশুভ আছিল। কিন্তু সহজেই সন্তুষ্ট হোৱা শিৱই এনে অসৎ উদ্দেশ্যৰ কথা উপলব্ধি কৰিব নোৱাৰি অপাত্ৰজনকে অধিক শক্তিশালী হোৱাৰ বৰদান কৰিছিল। শিৱৰ এই গুণৰ বাবেই সম্ভৱতঃ হিন্দু ধৰ্মাৱলম্বী লোকৰ গৰিষ্ঠসংখ্যকে শিৱকে প্ৰধান দেৱতা ৰূপে স্বীকাৰ কৰি সেৱা কৰে। শিৱৰ শান্ত-সৌম্য ৰূপত দয়ালু, মহৎ, কোমল আৰু শুভ্ৰ চিন্তা প্ৰবহমান বুলিব পাৰি। শিৱৰ বাহন হৈছে ষাঁড় গৰু যাক নন্দী নামেৰে জনা যায়। হিমালয়ৰ কৈলাস পৰ্বতকেই শিৱৰ বাসস্থান বুলি কোৱা হয়।

এইখিনিতে উল্লেখ কৰিব পাৰি যে, কিছু সংখ্যক যোগীৰ মতে, শিৱৰাত্ৰিৰ দিনাই হেনো শিৱই হলাহল পান কৰি এই পৃথিৱীক ৰক্ষা কৰিছিল। স্কন্দ পুৰাণ, লিংগ পুৰাণ আৰু পদ্ম পুৰাণত মহা শিৱৰাত্ৰিৰ বিষয়ে উল্লেখ আছে।

**অজিত বৰুৱা**

এইবোৰ মধ্যযুগীয় পাঠত শিৱৰাত্ৰিৰ লগত জড়িত বেলেগ বেলেগ কিংবদন্তি আছে, কিন্তু সকলোতে উপবাস আৰু শিৱৰ প্ৰতীক যেনে লিংগৰ প্ৰতি সন্মান প্ৰদৰ্শনৰ কথা উল্লেখ আছে।

মহাশিৱৰাত্ৰিৰ গুৰুত্ব বৰ্ণনা কৰা ভালেমান কাহিনী আছে। শৈৱধৰ্মত থকা তেনে এক কাহিনী অনুসৰি শিৱৰাত্ৰিৰ নিশাই ভগৱান শিৱই সৃষ্টি, পালন আৰু ধ্বংসৰ স্বৰ্গীয় নৃত্য কৰিছিল। প্ৰাৰ্থনা, শিৱ স্ত্ৰোতৰ পাঠ আৰু ভক্ত সকলৰ সমবেত কণ্ঠ এই মহাজাগতিক নৃত্যত যোগ হৈ সকলোৱে শিৱৰ উপস্থিতিৰ কথা সোঁৱৰায় বুলিব পাৰি।

বিশ্বৰ ভিতৰতে সৰ্ববৃহৎ লিংগাকাৰ মহামৃত্যুঞ্জয় মন্দিৰত হৈছে অসমৰ নগাঁৱৰ ভেৰভেৰীৰ নৰসিংহ ক্ষেত্ৰৰ ১২৬ ফুট উচ্চতাত অৱস্থিত শিৱলিঙ্গ। এই মহামৃত্যুঞ্জয় লিংগাকৃত মন্দিৰটোত অগণন ভক্তই মহাদেৱৰ আশিস লোৱা দেখিবলৈ পোৱা যায়। তদুপৰি, গুৱাহাটী মহানগৰীৰ উমানন্দ, শুক্ৰেশ্বৰ মন্দিৰৰ লগতে শিৱসাগৰৰ শিৱদৌলকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ মন্দিৰসমূহত আড়ম্বৰপূৰ্ণ ভাৱে শিৱ পূজাৰ আয়োজন কৰা হয়।

# মহাশিৱৰাত্ৰি পুৰাণৰ আখ্যান আৰু আধ্যাত্মিক দৰ্শন

**নলিনী ৰঞ্জন ভূঞা**



ভাৰতীয় আধ্যাত্মিক পৰম্পৰাত মহাদেৱ শিৱ কেৱল পূজ্য দেৱতাই নহয়, তেওঁ এক অসীম সত্তা। সৃষ্টি- স্থিতি আৰু লয়ৰ অনন্ত চক্ৰৰ চিৰন্তন আধাৰ। দেশ আৰু কালৰ পৰিধি অতিক্ৰম কৰি দৃশ্যমান জগতৰ পৰা অদৃশ্যৰ গভীৰতালৈকে তেওঁৰ অস্তিত্ব বিদ্যমান। সেইবাবেই শিৱ কেতিয়াবা কঠোৰ তপস্বী, কেতিয়াবা নিৰাসক্ত সংসাৰী, কেতিয়াবা ভয়ংকৰ সংহাৰকাৰী আৰু কেতিয়াবা অপাৰ কৰুণাৰ উৎস। শিৱৰ এই বিচিত্ৰ তথা বহুমাত্ৰিক চৰিত্ৰই তেওঁক ভাৰতীয় চিন্তা-চেতনাৰ কেন্দ্ৰবিন্দু কৰি তুলিছে।

মহাদেৱ শিৱৰ উপাসনাৰ উদ্দেশ্যে পালন কৰা মহা শিৱৰাত্ৰি হৈছে এনে এক বিশেষ দিন, য'ত প্ৰকৃতিৰ গভীৰ নিস্তব্ধতাৰ সৈতে মানৱীয় চেতনাৰ অপূৰ্ব আধ্যাত্মিক মিলন ঘটে। ফাগুন মাহৰ কৃষ্ণ পক্ষৰ চতুৰ্দশী তিথিত উদযাপিত এই পৱিত্ৰ উৎসৱ কেৱল ধৰ্মীয় আচাৰ-অনুষ্ঠানৰ মাজতে আৱদ্ধ নহয়। ই মূলতঃ আত্ম-উপলব্ধিৰ ব্যৱস্থা। শিৱৰাত্ৰিৰ পৱিত্ৰ নিশাটোত ভক্ত সকলে উপবাস পালন কৰি, উজাগৰে থাকি শিৱলিংগত জল-দুগ্ধ, বেলপাত, ধুপ, বন্তি, নৈবেদ্য আদি উছৰ্গা কৰি আধ্যাত্মিক নীতি- নিয়মৰ মাজেৰে সেৱা অৰ্চনা কৰে। সাধাৰণতে বৰ্তমানৰ যান্ত্ৰিক আৰু ব্যস্ত জীৱনত মানুহ মানসিক চাপ আৰু অস্থিৰতাৰ সন্মুখীন হৈ থাকে। এনে সময়ত মহা শিৱৰাত্ৰিৰ পৱিত্ৰ নিশাই এক বিশেষ তাৎপৰ্য বহন কৰে। এই নিশাৰ মৌন ধ্যান আৰু জাগৰণে মানুহক নিজৰ অন্তৰাত্মাৰ সৈতে সংযোগ স্থাপন কৰিবলৈ সহায় কৰে। ফলত মন শান্ত হয়, অস্থিৰতা কমে আৰু আত্মিক শক্তি বৃদ্ধি পায়। লোকবিশ্বাস অনুসৰি— এই বিশেষ দিনটোত ভগৱান শিৱৰ মহাজাগতিক শক্তি সৰ্বাধিক প্ৰবল হৈ থাকে, যাৰ সৈতে ভক্ত সকলে ভক্তি আৰু একাগ্ৰতাৰে একাত্ম হ'বলৈ যত্ন কৰে।

শিৱৰাত্ৰিৰ সৈতে জড়িত পৌৰাণিক আখ্যান সমূহো অত্যন্ত প্ৰতীকধৰ্মী। কোনো কাহিনীয়ে যদি শিৱ-পাৰ্বতীৰ মিলনৰ কথা কয়, আন কোনো কাহিনীয়ে আকৌ সেই দিনা শিৱৰ তাণ্ডৱ নৃত্যৰ জৰিয়তে সৃষ্টি আৰু ধ্বংসৰ ৰহস্য উন্মোচন কৰাৰ কথা প্ৰকাশ কৰে। অৱশ্যে এই সকলো কাহিনীৰ মূল উদ্দেশ্য একেই— জীৱনৰ নানা ধৰণৰ বৈপৰীত্যৰ মাজত সমতা আৰু সমন্বয় স্থাপন কৰা। আন্ধাৰৰ বুকুত পোহৰৰ সন্ধান কৰা আৰু অস্থিৰতাৰ মাজত স্থিৰতাক বিচাৰি পোৱাই হৈছে শিৱৰাত্ৰিৰ প্ৰকৃত শিক্ষা।

ভাৰতীয় দৰ্শন মতে- ‘শিৱ’ মানে হ'ল কল্যাণ আৰু পৰম আনন্দ। ই কোনো ব্যক্তি নহয়, বৰঞ্চ এক অসীম সচেতনতা। সেয়ে শিৱৰাত্ৰি কেৱল এটা উৎসৱ নহয়, ই হ'ল নীৰৱতাৰ মাজত নিজক বিচাৰি পোৱাৰ এক আধ্যাত্মিক যাত্ৰা। এই উৎসৱৰ প্ৰতিটো আখ্যানৰ অন্তৰালত লুকাই আছে জীৱন আৰু জগতৰ গভীৰ সত্য। স্কন্দ পুৰাণ, লিংগ পুৰাণ আৰু পদ্ম পুৰাণৰ দৰে প্ৰাচীন শাস্ত্ৰসমূহে এই নিশাৰ যি মাহাত্ম্য বৰ্ণনা কৰিছে, তাৰ প্ৰাসংগিকতা এতিয়াও আছে আৰু ভৱিষ্যতেও থাকিব। শিৱ পুৰাণত উল্লেখ থকা মতে- সৃষ্টিৰ আদি কালত এবাৰ ব্ৰহ্মা আৰু বিষ্ণুৰ মাজত তীব্ৰ তৰ্কৰ সূত্ৰপাত হৈছিল। ব্ৰহ্মাদেৱে নিজকে সৃষ্টিৰ কৰ্তা বুলি দাবী কৰিছিল আৰু বিষ্ণুৱে নিজকে পালনকৰ্তা হিচাপে প্ৰতিপন্ন কৰিব বিচাৰিছিল। এই অহংকাৰৰ জুই নুমুৱাবলৈ মহাদেৱে এক বিশাল ‘অগ্নিস্তম্ভ’ৰ ৰূপ ধাৰণ কৰি তেওঁলোকৰ সন্মুখত আৱিৰ্ভাৱ হৈছিল। এই স্তম্ভৰ আৰম্ভণি ক'ত আৰু শেষ ক'ত, তাৰ সন্ধান কৰিবলৈ ব্ৰহ্মাদেৱে হংস ৰূপ ধৰি আকাশলৈ আৰু বিষ্ণুৱে বৰাহ ৰূপ ধৰি পাতাললৈ গতি কৰিলে। সহস্ৰাধিক বছৰ পাৰ হোৱাৰ পিছতো কোনেও ইয়াৰ অন্ত বিচাৰি নাপালে। অৱশেষত দুয়ো নিজৰ অক্ষমতা স্বীকাৰ কৰিলে। (মহাশিৱৰাত্ৰিৰ উৎপত্তি আৰু ব্ৰহ্মা-বিষ্ণুৰ তৰ্কৰ এই অতি জনপ্ৰিয় তথা তাৎপৰ্যপূৰ্ণ কাহিনীটো লিংগ পুৰাণ আৰু স্কন্দ পুৰাণতো বৰ্ণিত হৈছে)। এই কাহিনীটোৱে স্পষ্ট কৰিছে যে- যেতিয়ালৈকে আমাৰ মনত ‘মই’ বা ‘মোৰ’ ভাৱ থাকে, তেতিয়ালৈকে আমি পৰম সত্যৰ সন্ধান পাব নোৱাৰো। এই অগ্নিস্তম্ভৰ আৱিৰ্ভাৱ হোৱা দিনটোৱেই আছিল মহাশিৱৰাত্ৰি। একেদৰে পদ্ম পুৰাণত বৰ্ণিত সাগৰ মন্থনৰ কাহিনীটোৱে শিৱৰ অসীম ত্যাগৰ পৰিচয় দিয়ে। দেৱতা আৰু অসুৰৰ সাগৰ মন্থনৰ সময়ত যেতিয়া ভয়ংকৰ ‘হলাহল’ বিষৰ উৎপত্তি হৈছিল, তেতিয়া সমগ্ৰ পৃথিৱী ধ্বংসৰ মুখলৈ গতি কৰিছিল। এই বিষৰ তীব্ৰতাত দেৱতা সকলো কঁপিবলৈ ধৰিছিল। জগতৰ ৰক্ষাৰ বাবে মহাদেৱে সেই কালকূট বিষ পান কৰিলে। কিন্তু তেওঁ সেই বিষ উদৰলৈ যাবলৈ নিদি কণ্ঠতে ধাৰণ কৰি ৰাখিলে। এই কাহিনীয়ে আমাক এক মহান সামাজিক শিক্ষা দিয়ে। সমাজৰ কুফল, ঘৃণা আৰু নেতিবাচকতাক হজম কৰি যিয়ে সমাজত শান্তি আৰু অমৃত বিতৰণ কৰিব পাৰে, তেৱেঁই হ'ল প্ৰকৃত যোগী। নীলকণ্ঠৰ সেই নীলা কণ্ঠই আমাক ধৈৰ্য্য আৰু সহনশীলতাৰ শিক্ষা প্ৰদান কৰে। শিৱৰাত্ৰিৰ মাহাত্ম্য বুজাবলৈ স্কন্দ পুৰাণত লুব্ধক নামৰ এজন ব্যাধৰ কাহিনীও বৰ্ণনা কৰা হৈছে। জীৱিকাৰ বাবে চিকাৰ কৰি ফুৰা লুব্ধকে এদিন অৰণ্যত বাট হেৰুৱাই এজোপা বেল গছৰ ওপৰত আশ্ৰয় লৈছিল। গছৰ তলতে থকা শিৱলিংগ তেওঁ দেখা পোৱা নাছিল। ভোক-পিয়াহত আতুৰ লুব্ধকে গোটেই নিশা সাৰে থাকি নিজৰ অজানিতে বেলপাতবোৰ তললৈ পেলাই আছিল। সেইদিনা আছিল শিৱৰাত্ৰি। তেওঁৰ সেই উপবাস আৰু অজানিতে হলেও বেলপাতৰ অৰ্পণে মহাদেৱক সন্তুষ্ট কৰিলে। এই কাহিনীৰ তাৎপৰ্য হ'ল—ঈশ্বৰৰ ওচৰত সৰলতাই সৰ্বোচ্চ। পূজাৰ নীতি-নিয়মতকৈও পবিত্ৰ মনৰ একোটা সৰু কৰ্মই মুক্তিৰ পথ মুকলি কৰিব পাৰে।

আধ্যাত্মিক আৰু মহাজাগতিক দৃষ্টিত মহা শিৱৰাত্ৰিয়ে বিশেষ গুৰুত্ব বহন কৰে। এই বিশেষ সময়ছোৱাত পৃথিৱীৰ অৱস্থান আৰু সৌৰজগতৰ পৰিৱেশে প্ৰকৃতিত এক সূক্ষ্ম শক্তিৰ প্ৰবাহৰ সৃষ্টি কৰে। বিশেষকৈ উত্তৰ গোলাৰ্ধত এই শক্তিৰ ধাৰা উৰ্ধমুখীভাৱে গতি কৰে বুলি ধাৰণা কৰা হয়। সহজ ভাষাত ক'বলৈ গ'লে, এই দিনা নিশা প্ৰকৃতিৰ শক্তিৰ সৈতে নিজকে সংযোগ কৰাৰ এক বিৰল আৰু অনুকূল সুযোগ লাভ কৰা যায়। শৰীৰ বিজ্ঞানৰ দৃষ্টিৰে চালে আমাৰ মেৰুদণ্ডডাল কেৱল হাড়ৰ সমষ্টি নহয়। ই হৈছে স্নায়ুতন্ত্ৰৰ মূল পথ। দেহৰ বহু গুৰুত্বপূৰ্ণ সংকেত এই অংশৰ জৰিয়তে মগজুলৈ আৰু মগজুৰ পৰা শৰীৰৰ বিভিন্ন অংগলৈ যাতায়াত কৰে। সেইবাবেই শিৱৰাত্ৰিৰ নিশা উজাগৰে থাকি মেৰুদণ্ডডাল পোনকৈ ৰাখি বহা বা থিয় হৈ থকাক এক গভীৰ আধ্যাত্মিক অনুশীলন হিচাপে গণ্য কৰা হয়। বিশ্বাস কৰা হয় যে— এই অৱস্থাত থাকিলে প্ৰাকৃতিক শক্তিৰ সোঁত শৰীৰত সহজে প্ৰবাহিত হয় আৰু মানুহৰ ভিতৰত নিহিত সুপ্ত চেতনাক জাগ্ৰত কৰাত সহায় কৰে। আনহাতে, এই দিনটোত পালন কৰা উপবাসৰো এক বিশেষ তাৎপৰ্য আছে। উপবাসে আমাৰ পাচনতন্ত্ৰক বিশ্ৰাম দিয়ে, শৰীৰক লঘু কৰে আৰু মনক সংযম কৰে। ইয়াৰ ফলত মানুহৰ চিন্তাধাৰা অধিক স্পষ্ট হয় আৰু একাগ্ৰতা বৃদ্ধি পায়, যি আধ্যাত্মিক সাধনাৰ বাবে অত্যন্ত প্ৰয়োজনীয়।

মহাদেৱে ‘পঞ্চানন’ স্বৰূপে সৃষ্টিৰ পাঁচটা উপাদানক প্ৰতিনিধিত্ব কৰে। সেই পাঁচটা উপাদান হ'ল-ক্ষিতি (মাটি), অপ (পানী), তেজ (অগ্নি), মৰুৎ (বতাহ) আৰু ব্যোম (আকাশ)। এই পাঁচ উপাদান মিলিয়েই আমাৰ শৰীৰ আৰু বিশ্বব্ৰহ্মাণ্ড গঢ়ি উঠিছে বুলি ধাৰণা কৰা হয়। সেইবাবে শিৱৰাত্ৰিৰ উপাসনাৰ অন্যতম উদ্দেশ্য হৈছে এই পঞ্চভূতৰ শুদ্ধিকৰণ, অৰ্থাৎ দেহ আৰু মনক সু-সমতা আৰু পবিত্ৰতাৰ দিশে আগ বঢ়াই নিয়া। বিশ্বাস কৰা হয় যে- এই সাধনাৰ জৰিয়তে মানুহে মানসিক অশান্তি আৰু নানা ব্যাধিৰ পৰা মুক্তি লাভ কৰি ‘শিৱত্ব’ বা শান্ত-সচেতন অৱস্থাত উপনীত হ'ব পাৰে। মহাদেৱৰ সংহাৰী ৰূপটোক সাধাৰণতে ধ্বংসৰ সৈতে জড়িত কৰা হয়। কিন্তু ইয়াৰ অন্তৰ্নিহিত অৰ্থ বেলেগ। ই হৈছে ‘লয়’, পুৰণি আৰু অশুদ্ধ বস্তু বিলুপ্ত হৈ নতুন সৃষ্টিৰ পথ মুকলি কৰা। এই লয়ে আমাৰ মনত থকা কুসংস্কাৰ, অহংকাৰ আৰু কুপ্ৰবৃত্তিৰ অন্ত ঘটাই নতুন জ্ঞান আৰু সৎ চিন্তাৰ দুৱাৰ মুকলি কৰে। শিৱৰ জঁটাত শোভা পোৱা চন্দ্ৰ মনৰ স্থিৰতা আৰু নিয়ন্ত্ৰণৰ প্ৰতীক। ডম্বৰুৰ শব্দই বিশ্বব্ৰহ্মাণ্ডৰ কম্পন আৰু কোৱাণ্টাম তত্ত্বৰ সেই সূক্ষ্ম স্পন্দনক বুজায়, যি আমাৰ হৃদস্পন্দনৰ সৈতে জড়িত। গাৰ বিভূতি বা ভস্মই- এই নশ্বৰ শৰীৰ এদিন ছাইত পৰিণত হ'ব, গতিকে জীয়াই থকা কালত সৎ কৰ্ম কৰাটোৱেই যে একমাত্ৰ ধৰ্ম এই কথাকে প্ৰতিপন্ন কৰে।

পৰিশেষত ক'ব পাৰি যে- মহাশিৱৰাত্ৰি হ'ল অন্ধকাৰৰ পৰা পোহৰলৈ যোৱাৰ এক মহাযাত্ৰা। এই নিশাৰ আৰাধনাৰ জৰিয়তে আমি যি ত্যাগ, সংযম আৰু ভক্তিৰ শিক্ষা পাওঁ, সেয়া কেৱল মন্দিৰতে সীমাবদ্ধ নাৰাখি আমাৰ কৰ্মক্ষেত্ৰতো প্ৰতিফলিত কৰা উচিত। শিৱৰাত্ৰিৰ পবিত্ৰ আলোক শিখাই আমাৰ মনৰ সকলো কলুষতা দূৰ কৰি সমাজত শান্তি আৰু সমিলমিলৰ পৰিৱেশ গঢ়ি তোলক— এয়াই আমাৰ একমাত্ৰ প্ৰাৰ্থনা।

# শিৱৰাত্ৰি মানেই ভাং, ঘোটাৰ বেপাৰ আৰম্ভ

“ওঁ এয়ম্বকং য়জামহে সুগন্ধিং পুষ্টিবৰ্ধনম্।
উৰ্বাৰুকমিৱ বন্ধনান্ মৃত্যোৰ্মুক্ষীয় মামৃতাত্।”

হিন্দু দিনপঞ্জী অনুসৰি প্ৰতিমাহৰে ত্ৰয়োদশ ৰাতি/চতুৰ্দশ দিনত এবাৰকৈ শিৱৰাত্ৰি তিথি পৰে, কিন্তু তথাপিও বছৰত এবাৰকৈ ফাগুন মাহত ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত অতি ধুমধামেৰে মহা শিৱৰাত্ৰি উৎসৱৰ আয়োজন কৰা হয়। সঁচা অৰ্থত ক'বলৈ গলে শিৱৰাত্ৰি উৎসৱৰ আৰম্ভণিৰ তাৰিখ সঠিকভাৱে ক'ব নোৱাৰি। তথাপিও কিছু সংখ্যক যোগীৰ মতে, ‘মহা শিৱৰাত্ৰিৰ দিনাই শিৱই হলাহল পান কৰি পৃথিৱী ৰক্ষা কৰিছিল’। অন্য এটি তথ্য অনুসৰি, ‘এই নিশাই শিৱ আৰু পাৰ্বতীৰ বিবাহ হৈছিল’। এনেদৰে শিৱৰাত্ৰি উৎসৱ উদ্‌যাপন কৰাৰ ক্ষেত্ৰত বিভিন্ন ধৰণৰ মতানৈক্য থকা দেখিবলৈ পোৱা যায়। তথাপিও হিন্দু দিনপঞ্জী মতে ফাগুন মাহৰ ত্ৰয়োদশ ৰাতি/ চতুৰ্দশ দিনত ভাৰতৰ প্ৰায় প্ৰতিটো ঠাইতে মহা শিৱৰাত্ৰি উৎসৱ উদ্‌যাপন কৰা দেখিবলৈ পোৱা যায়।

এতিয়া কথা হ'ল আমাৰ হিন্দু সমাজত ধৰ্মবোৰক লৈ কিছুমান মিথ্যা নিয়ম প্ৰচলিত হবলৈ আৰম্ভ কৰিছে। সঁচা অৰ্থত কবলৈ গ'লে আমি নিজে এই বোৰ অনৈতিক পৰিৱেশ সমূহ সৃষ্টি কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰিছোঁ। এতিয়া আমি সৰুৰে পৰা দেখি অহা মতে মহা শিৱৰাত্ৰি দিনাখন প্ৰতিখন শিৱ মন্দিৰ প্ৰাংগনত বা মন্দিৰৰ ওচৰে-পাজৰে থকা সৰু সৰু স্থায়ী বা অস্থায়ী দোকান সমূহে মুক্ত ভাৱে ভাং, ঘোটাৰ ব্যৱসায়ি আৰম্ভ কৰি থকা দেখিবলৈ পোৱা যায়। কিন্তু ইয়াৰ লগত আমাৰ ধৰ্ম গ্ৰন্থ সমূহত তেনে কোনো তাৎপৰ্য সংলগ্ন থকা দেখিবলৈ পোৱা নাযায়। আনকি আমাৰ ইন্দু ধৰ্ম গ্ৰন্থ শিৱ পুৰাণত এবাৰো কতো উল্লিখিত হোৱা নাই যে, মহাদেৱ শিৱ ভগৱানে ভাং, ঘোটাৰ সেৱন কৰা কথা। আৰু শিৱ পুৰাণত এইটোওঁ উল্লেখ কৰা নাই যে ভাং, ঘোটা আদিৰ দ্ৰব্য মহাদেৱ শিৱৰ অতিকৈ প্ৰিয় বস্তু বুলি। তেন্তে আমি কি আধাৰত শিৱৰাত্ৰি মানেই ভাং, ঘোটাৰ বেপাৰ আৰম্ভ কৰি দিওঁ। আৰু আমাৰ সকলোবোৰ মানুহৰ পৰা নিচাযুক্ত দ্ৰব্যৰ সেৱনৰ বাবে ইমানকৈ সমাদৰ লাভ কৰাৰ আচল তাৎপৰ্যটো



কি কোনোবাই ইয়াৰ বিষয়ে জনা বিদগ্ধ পণ্ডিত আছে যদি আমাক ইয়াৰ আচল বিষয়-বস্তুবোৰ লিখিত ৰূপত উল্লেখ কৰি দিবচোন? আমি সদায় যদি সফলতাৰ দিনত আগবাঢ়ি যাবলৈ ইচ্ছা প্ৰকাশ কৰো তেন্তে আগৰ পৰা চলি থকা, মানি অনা অপপ্ৰচাৰ কিছুমান কথা ত্যাগ কৰিলেহে আমি আৰু অধিক দূৰ্ত গতিত আগবাঢ়ি যাবলৈ সক্ষম হ'ম। আপোনালোকে নিজে চিন্তা এটা কৰকচোন ভক্তিৰ লগত কেতিয়াবা নিচাযুক্ত মাদক দ্ৰব্য সমূহ সংলগ্ন হৈ থকাটো কিমান যুক্তিকৰ কথা? সেয়েহে মহা শিৱৰাত্ৰি দিনাখন পাৰিলে ঠায়ে ঠায়ে মেলা লগায় ভাল ভাল নতুন নতুন উন্নত মানৰ মানুহৰ বাবে লাগতিয়াল বস্তুবোৰৰ ব্যৱসায় স্থাপন কৰক। তাতে কাৰো একো আপত্তিজনক কথা নাথাকে। কিন্তু পৰাপক্ষত দেশৰ আৰু নৱপ্ৰজন্মৰ উন্নত ভৱিষ্যত নিৰ্মাণৰ স্বাৰ্থত ভাং, ঘোটা আদিৰ দৰে নিচাযুক্ত দ্ৰব্যৰ প্ৰচলন প্ৰতিটো মন্দিৰ প্ৰাংগনত বা প্ৰতিটো ঠাইতে বন্ধ কৰাৰ বাবে আজিৰে পৰা দৃঢ়প্ৰতিজ্ঞাবদ্ধ হওঁ আহক।

***চন্দ্ৰ শেখৰ পৰাজুলী***

# শিৱৰাত্ৰী, মহাশিৱৰাত্ৰী আৰু চতুৰ্দশী তিথিত শিৱপূজাৰ মাহাত্ম্য

**দিলীপ কুমাৰ ৰয়**

**সংস্কৃতত শিৱ মানে?**

ইয়াৰ আক্ষৰিক অৰ্থ শুভ বা মঙ্গল। শিৱ হিন্দু দেৱতা। হিন্দুসকলৰ মতে তিনিটা বিশেষ প্ৰাথমিক দৈৱসত্ত্বা ত্ৰিমূৰ্ত্তিৰ অন্যতম। ত্ৰিমূৰ্তিৰ শিৱ হৈছে ধ্বংসৰ প্ৰতীক। হিন্দুধৰ্মৰ শৈৱ সম্প্ৰদায়ৰ মতে, শিৱই হ'ল সৰ্বোচ্চ ঈশ্বৰ। যিসকল হিন্দু ধৰ্মাৱালম্বীয়ে শিৱকেই প্ৰধান দেৱতা বুলি জ্ঞান কৰি শিৱৰ পূজা আৰাধনা কৰে, তেওঁলোক “শৈৱ” নামে পৰিচিত।

জগতৰ ঈশ, জগদীশ্বৰ, মহাপ্ৰভু, মহাদেৱ, ত্ৰিগুণাতীত, নিৰাকাৰ, নীলকণ্ঠ, মঙ্গল কাৰক, যিজন আদি, মধ্য, অন্তহীন, অনন্ত ত্ৰিনেত্ৰ, শুক্ৰেশ্বৰ, চিদা-নন্দ স্বৰূপ পৰম দয়ালু বিশ্বনাথ শিৱক নমস্কাৰ - “হৰ পাপং হৰ শোকং হৰাশুভং মহাদেৱ নমোস্তুতে”।

প্ৰকৃততে শৈৱ শক্তি এক পৰম মঙ্গলময় শক্তি। শিৱ শব্দটোৰ অৰ্থই হ'ল মঙ্গলময়, কল্যাণময়। জীৱক মায়াৰ বন্ধনৰ পৰা মুক্তি কৰি সাযুঁজ্য ৰূপে মোক্ষ বা মুক্তি প্ৰদান কৰি কল্যাণ কৰে বাবে তেওঁ ‘শিৱ’। শিৱ কোনো দেৱতা নহয়। তেওঁ হ'ল পৰমাত্মা, পৰম ব্ৰহ্ম, নিৰঞ্জন। পৰম ব্ৰহ্ম অক্ষৰ, অব্যয়, অনন্ত— বেদত তেওঁক ঈশ বুলি কোৱা হৈছে। ব্ৰহ্মাই নাৰদক কৈছিল, হে নাৰদ! সেই তত্ত্ব অৰ্থাৎ জগত-সৃষ্টিৰ চৌবিছটা মূল সত্যৰ তত্ত্ব অনুসৰি ভগৱান নীল আৰু লোহিত একাক্ষৰ ওঁ-কাৰ স্বৰূপ। সেই ওঁ-কাৰৰ অৱয়ৱৰ যি অ-কাৰ তাকেই সৃষ্টিকৰ্তা, উ-কাৰ জগতপতি আৰু ম-কাৰ মহেশ্বৰ। অৰ্থাৎ ‘ওঁ’ৰ ‘অ’ হৈছে সৃষ্টিকৰ্তা ব্ৰহ্মা, ‘উ’ হৈছে পালনকৰ্তা বিষ্ণু আৰু ‘ম’ হৈছে সংহাৰকৰ্তা মহেশ্বৰ।

এই শিৱক বেদ-পুৰাণ আদিত শিৱ মহাদেৱ, শম্ভু, ঈশ, পশুপতি, শূলীন, ঈশান, শঙ্কৰ, চন্দ্ৰশেখৰ, ভূতেশ, গিৰীশ, মৃড়, মৃত্যুঞ্জয়, কৃত্তিবাস, প্ৰমসাধিপ, উগ্ৰ, কপৰ্দিন, ধূৰ্জটি, হৰ, ত্ৰ্যম্বক, ত্ৰিপুৰান্তক, গংগাধৰ, শ্ৰীকণ্ঠ, কপালভৃত, বামদেৱ, বিৰূপাক্ষ, ত্ৰিলোচন, বৃষধ্বজ, ব্যোমকেশ, ভৱ, ভীম, স্থানু, ৰুদ্ৰ, উমাপতি আদি বিভিন্ন নামেৰে পৰিচিত। লোকজীৱনত তেওঁ বুঢ়া গোসাঁই, ভঙুৱা শঙ্কৰ, ভোলানাথ আদি নামে জনাজাত।

**শিৱৰাত্ৰী কি?**

প্ৰতি মাহৰ কৃষ্ণ পক্ষৰ চতুৰ্দশী তাৰিখত শিৱৰাত্ৰি পালন কৰা হয় যাক মাহিলী( মাহেকীয়া ) শিৱৰাত্ৰী বুলি জনা যায়। এই হিচাপৰ ভিত্তিত এবছৰত মাহিলী ১২ বাৰ শিৱৰাত্ৰী হয়। প্ৰতিমাহে শিৱৰাত্ৰি পালনৰ তাৎপৰ্য বেলেগ। অৱশ্যে শাওণ মাহত শিৱৰাত্ৰি পালন অধিক গুৰুত্ব লাভ কৰে।

**মহাশিৱৰাত্ৰী কি?**

ফাগুন মাহত পালন হোৱা শিৱৰাত্ৰিক মহাশিৱৰাত্ৰী বোলা হয়। এই শিৱৰাত্ৰিক মহাশিৱৰাত্ৰী বুলি কোৱা হয় কাৰণ এই দিনটোতে ভগৱান শিৱই বৈৰাগ্য ত্যাগ কৰি পাৰ্বতীক বিয়া কৰাই ছিল। বিশ্বাস কৰা হয় যে মহাশিৱৰাত্ৰিৰ দিনা ভগৱান শিৱৰ লগতে দেৱী পাৰ্বতীক পূজা কৰাৰ এক বিশেষ পৰম্পৰা আছে।

**শিৱৰাত্ৰী আৰু মহাশিৱৰাত্ৰীৰ পাৰ্থক্য?**

এফালে মাহিলী শিৱৰাত্ৰিত কেৱল মহাদেৱকহে পূজা কৰিব পাৰি। একে সময়তে মহাশিৱৰাত্ৰিত মহাদেৱৰ লগতে দেৱী পাৰ্বতীক পূজা কৰা হয়। শিৱৰাত্ৰি পূজা কৰাৰ অৰ্থ হ'ল ভগৱান শিৱক মনত ৰাখি নিজকে তেওঁৰ অংশ বুলি গণ্য কৰি তেওঁৰ ওচৰত আত্মসমৰ্পণ কৰা। আনহাতে একে সময়তে মহাশিৱৰাত্ৰীৰ পূজা মানে মনত অগ্নি উপাদান জাগ্ৰত কৰা। কাৰণ এই দিনটোতে মহাদেৱ প্ৰথমবাৰৰ বাবে শিৱলিংগ ৰূপত আবিৰ্ভাৱ হৈছিল য'ত শিৱৰাত্ৰিৰ দিনা পূজা কৰিলে ভগৱান শিৱৰ আশীৰ্বাদৰ বৰষুণ হয় আৰু ব্যক্তিজনে আধ্যাত্মিকতাৰ দিশে আগবাঢ়ি যায় আৰু ভক্তি মনত সংঘটিত হয়। একে সময়তে মহাশিৱৰাত্ৰিত ভগৱান শিৱ আৰু মাতৃ পাৰ্বতীক পূজা কৰিলে বিবাহিত জীৱনত মধুৰতা আনে আৰু লগতে প্ৰেমৰ সম্পৰ্ক সুদৃঢ় হয়।

**শিৱৰাত্ৰি চতুৰ্দশী তিথিত কিয় পালিত হয়?**

‘অগ্নি পুৰাণ’ত চতুৰ্দশী তিথিত পালন কৰিব লগা কেবাটাও ব্ৰতৰ উল্লেখ আছে। এইব্ৰতৰ ফলত ভোগ আৰু মোক্ষ উভয় ফালেই লাভ হয় বুলি কোৱা হয়। উল্লিখিত চতুৰ্দশী তিথিত ব্ৰত-উপবাসে থাকি যথা নিয়মে শিৱ পূজা কৰাৰ যিকেইটা ব্ৰত দিয়া হৈছে সেইকেইটি ব্ৰতক শিৱ চতুৰ্দশী, ফল চতুৰ্দশী আৰু শিৱ ৰাত্ৰি ব্ৰত বোলা হয়। ‘অগ্নিপুৰাণ’ৰ মতে শিৱ চতুৰ্দশী ব্ৰত কাতিমাহৰ চতুৰ্দশীৰ পৰা আৰম্ভ কৰা হয়। উক্ত দিনা নিৰাহাৰে থাকি ভক্তি পূৰ্বক শিৱ পূজা কৰিব লাগে। সেইদিনাৰ পৰা প্ৰত্যেক মাহৰ চতুৰ্দশী তিথিত এইব্ৰত কৰি এক বছৰ শিৱ পূজা কৰিব লাগে। এইব্ৰতৰ ফলত ভোগ, ধন আৰু দীৰ্ঘায়ু লাভ হয়। আনহাতে আঘোণ মাহৰ শুক্ল পক্ষৰ অষ্টমীত, তৃতীয়া, দ্বাদশী, বা চতুৰ্দশী তিথিত মৌন ব্ৰত ধৰি ফলাহাৰ গ্ৰহণ কৰি শিৱ পূজা কৰি দিনটো কটাব লাগে। প্ৰতিদিনেই ব্ৰতাচাৰীয়ে কোনো এটি ফল ত্যাগ কৰি দান কৰিব লাগে। সেয়ে এই ব্ৰতক ‘ফল চতুৰ্দশী’ ব্ৰত বুলি কোৱা হয়। এই ব্ৰতৰ ফলত লোকৰ স্বৰ্গ প্ৰাপ্তি ঘটে বুলি ভৱা হয়। ইয়াৰ পিছত সৰ্ব শ্ৰেষ্ঠ ব্ৰত হ'ল ফাগুন মাহৰ কৃষ্ণা চতুৰ্দশী তিথিত পালনীয় ‘শিৱৰাত্ৰী ব্ৰত’।

শিৱৰাত্ৰিৰ ব্ৰত পালনত এটি পৌৰাণিক আখ্যান জড়িত হৈ আছে। এই আখ্যান মতে, ফাগুন মাহৰ কৃষ্ণা চতুৰ্দশীৰ দিনা এজন ব্যাধে চিকাৰ কৰিবলৈ হাবিলৈ গ'ল। ব্যাধে হাবিৰ পছু, চৰাই মাৰি তাকে বেচি জীৱন নিৰ্বাহ কৰিছিল। সেই দিনা ব্যাধে গোটেই দিনটো ঘূৰি সন্ধ্যা সময়ত এটি হৰিণা পাই তাকে কুটি-বাছি টোপোলাত লৈ আহিল। কিন্তু হাবিৰ মাজেদি আহি থাকোঁতে ৰাতি হোৱাত তাতে বনৰীয়া জীৱ-জন্তুৰ মাত শুনি ভয়ত এজোপা বেলগছৰ ওপৰত উঠি আশ্ৰয় ল'লে আৰু মঙহৰ টোপোলাটো গছৰ ডাল এটাত বান্ধি থলে। সেই বেল গছৰ তলত এটি শিৱৰ লিঙ্গ আছিল। ব্যাধে বান্ধি থোৱা মাংসৰ টোপোলাৰ পৰা টোপ টোপকৈ তেজ ওলাই শিৱ লিঙ্গৰ ওপৰত পৰিল। লগতে ব্যাধে অজানিতে ভাৱে দুই-এটা বেল পাত তললৈ পেলাই দিয়াত সেই শিৱ লিঙ্গতে পৰিল। শিৱ অলপতে সন্তুষ্ট হয় বাবে তেওঁৰ আন এটা নাম আশুতোষ। আশুতোষে ব্যাধৰ পৰা হৰিণৰ তেজ আৰু বেলপাত পাই সন্তুষ্ট হ'ল আৰু সেই লিঙ্গৰপৰা জ্যোৰ্তিময় সদাশিৱ ওলাই ব্যাধক ওচৰলৈ মাতিলে, ব্যাধে বেল গছৰ পৰা নামি আহি শিৱক অষ্টাঙ্গে প্ৰণিপাত কৰিলে। সদাশিৱয়ো ব্যাধৰ ভক্তিত সন্তুষ্ট হৈ বৰ দি ক'লে যে সেই দিনৰ পৰা তাৰ সকলো দুখ-কষ্ট অন্ত পৰিব আৰু অতুল ঐশ্বৰ্যৰ গৰাকী হ'ব। তাৰ পাছতে শিৱ অন্তৰ্ধান হ'ল আৰু ব্যাধেও ৰাতি পুওঁৱাৰ লগে লগে পৰম আনন্দ মনে খোজ ল'লে। ব্যাধে শিৱ পূজা কৰা দিনটো আছিল ফাগুন মাহৰ কৃষ্ণা চতুৰ্দশী। সেই আখ্যানৰ পৰাই এই পৱিত্ৰ দিনটো শিৱচতুৰ্দশী বা শিৱৰাত্ৰী হিচাপে পালন কৰা হয় বুলি কথিত আছে। এই তিথি হিন্দুসকলৰ বিশেষকৈ শৈৱ সম্প্ৰদায়ৰ লোকসকলে অতি পৱিত্ৰভাৱে পালন কৰে। এই পৱিত্ৰ দিনটোত শিৱ লিঙ্গ বা বিগ্ৰহ দৰ্শন কৰিলে, শিৱ পূজা কৰিলে ল'ৰা, বুঢ়া, সধৱা-বিধৱা, জীয়ৰী-বোৱাৰী সকলোৱে মঙ্গল হয়, কোনো নিঃসন্তান সধৱাৰ পুত্ৰ লাভ হয, অবিবাহিত জীয়ৰীৰ মনোমত বৰ লাভ হয় আৰু অন্য সকলৰো মনৰ কামনা পূৰ্ণ হয়। অন্য কোনো দিনত যদি শিৱৰাত্ৰি বা শিৱ পূজা পাতিব লগা হয়, তেন্তে তাৰ বাবে এটি অংক কৰি শুভ দিন চাব পাৰি এইদৰে—

“তিথিভিশ্চ দ্বিগুণিকৃত্য পঞ্চভিশ্চ সমন্বিতম। সপ্তভিশ্চ হৰেৎ ভাগংশিৱস্থানং বিনিদৃশেৎ।।”

অৰ্থাৎ— যি দিনা পূজা পাতিব বুলি ভাবে, সেই দিনাৰ তিথিৰ সংখ্যা দ্বিগুণ কৰি তাৰ লগত পাঁচ যোগ দিব লাগে। আৰু পাছত সাতেৰে সেই সংখ্যা ভাগ কৰি ভাগশেষ যি থাকিব তাৰ পৰাই শিৱৰ স্থিতি নিৰ্ণয় কৰিব পাৰি। ভাগশেষ ১ থাকিলে শিৱ কৈলাসত, ফল সুখ বৃদ্ধি, ২ থাকিলে শিৱ গৌৰী সান্নিধ্যত, ফল সম্পদ বৃদ্ধি, ৩ থাকিলে শিৱ বৃষভত, ফল সন্তাপ বৃদ্ধি, ৪ থাকিলে শিৱ সভাত, ফল কাৰ্যহানি, ৫ থাকিলে শিৱ ভোজনত, ফল কাৰ্যহানি, ৬ থাকিলে শিৱ ক্ৰীড়াৰত, ফল সন্তাপ বৃদ্ধি, ৭ বাকী থাকিলে শিৱ শ্মশানত, ফল মৃত্যু।

## খানাপাৰাত নিৰ্বাচনী ৰণডংকা বজালে মোদীয়ে

সংকল্প প্ৰকাশ কৰে আৰু কংগ্ৰেছক তীব্ৰ সমালোচনা কৰে। 'জয় আই অসম' ধ্বনিৰে ভাষণ আৰম্ভ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে অসমৰ বুথ পৰ্যায়ৰ কাৰ্যকৰ্তাসকলৰ সাক্ষাৎ পোৱাটো তেওঁৰ বাবে সৌভাগ্যৰ কথা। "বুথ পৰ্যায়ৰ কাৰ্যকৰ্তাসকলেই বিজেপিৰ চালিকা শক্তি। ভাৰত মাতাৰ জয় আৰু জনসেৱাক ধৰ্ম বনোৱাৰ বাবে আপোনালোকক ধন্যবাদ। বিজেপিৰ আজিৰ সফলতাৰ কৃতিত্ব কেৱল কাৰ্যকৰ্তাসকলৰ। কাৰ্যকৰ্তাই বিজেপিৰ প্ৰাণবায়ু আৰু অক্সিজেন। মোৰ বাবে ডাঙৰ প্ৰাপ্তি যে মই বিজেপিৰ কাৰ্যকৰ্তা", তেওঁ মন্তব্য কৰে। প্ৰধানমন্ত্ৰীয়ে অলপতে মৃত্যুবৰণ কৰা বিজেপিৰ পিতামহ স্বৰূপ কবীন্দ্ৰ পুৰকায়স্থক স্মৰণ কৰি কয় যে এসময়ত বোমা বিস্ফোৰণেৰে গুঞ্জৰিত অসম আজি শান্তি আৰু উন্নয়নৰ পথত আগবাঢ়িছে। "কংগ্ৰেছে অসমক আকৌ অনুপ্ৰৱেশকাৰীৰ হাতত গতাই দি অশান্তিৰ মাজত ডুবাই দিব বিচাৰিছে। ৰাজ্যবাসীক অত্যন্ত সজাগ হৈ থাকিব লাগিব", তেওঁ সতৰ্ক কৰে। অসমৰ উন্নয়নৰ কথা উল্লেখ কৰি মোদীয়ে কয় যে কংগ্ৰেছৰ আমোলত অসমক উপেক্ষা কৰা হৈছিল আৰু প্ৰতিটো পইচাৰ বাবে হাহাকাৰ কৰিব লগা হৈছিল। "বিজেপি চৰকাৰৰ দিনত অসমৰ টেক্সৰ অংশীদাৰী পাঁচগুণ বৃদ্ধি পাইছে। এইবাৰ বাজেটত অসমে ৫০ হাজাৰ কোটি টকা পাব। বিগত ১১ বছৰত কেন্দ্ৰই অসমক চাৰে পাঁচ লাখ কোটি টকাৰো অধিক পুঁজি দিছে। মৰাণৰ ৰাজপথত বিমান অৱতৰণ কৰাটো নতুন ইতিহাস। কংগ্ৰেছৰ দিনত অসমৰ বাট-পথৰ অৱস্থা নাছিল, আজি পথত বিমান নামিব পাৰে", তেওঁ যোগ কৰে। কংগ্ৰেছৰ বিৰুদ্ধে তীব্ৰ সমালোচনা কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে কংগ্ৰেছে তুষ্টিকৰণ আৰু ভোট বেংকৰ ৰাজনীতি কৰিছিল। "কংগ্ৰেছে দেশৰ সুৰক্ষাক কেতিয়াও গুৰুত্ব দিয়া নাছিল। মুছলিম লীগৰ আদৰ্শেৰে কাম কৰে কংগ্ৰেছে। শাসনত নথকা কংগ্ৰেছ এতিয়া অধিক বিষাক্ত হৈ পৰিছে। অসমক অশান্ত কৰিব বিচাৰিছে। অসমৰ পৰিচয় নোহোৱা কৰিব বিচাৰিছে" তেওঁ অভিযোগ কৰে। ব্ৰহ্মপুত্ৰৰ ওপৰত দলং নিৰ্মাণৰ কথা উল্লেখ কৰি মোদীয়ে কয় যে ৭০ বছৰত কংগ্ৰেছে মাত্ৰ ৩খন দলং নিৰ্মাণ কৰিছিল, কিন্তু বিজেপিয়ে বিগত ১০ বছৰত ৫খন দলং নিৰ্মাণ কৰিছে। "কুমাৰ ভাস্কৰ বৰ্মা সেতু অসমৰ আধুনিক আন্তঃগাঁথনিৰ পৰিচয়। গুৱাহাটীক দেশৰ গুৰুত্বপূৰ্ণ কেন্দ্ৰ কৰি তুলিব এই দলঙে", তেওঁ কয়। বুথ কাৰ্যকৰ্তাসকলক নিজৰ বুথৰ দায়িত্ব ল'বলৈ আহ্বান জনাই প্ৰধানমন্ত্ৰীয়ে কয় যে আগন্তুক নিৰ্বাচন অতি গুৰুত্বপূৰ্ণ। "অসমত বিজেপিৰ ডাবল ইঞ্জিন চৰকাৰ অতি জৰুৰী। এইবাৰ অধিক ভোটত আমাৰ চৰকাৰ হ'ব। অসমৰ ৰাইজৰ মন জয় কৰিব লাগিব। অসমৰ বিকাশৰ বাবে তৃতীয়বাৰৰ বাবে বিজেপি চৰকাৰ গঠন কৰিব লাগিব, "তেওঁ সংকল্প ব্যক্ত কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে এইবাৰ বিজেপিয়ে ৰেকৰ্ড কৰি জিকিব। "প্ৰধানমন্ত্ৰীয়ে আমাক যি বিচাৰিছোঁ তাকে দিছে। গহপুৰ-নুমলীগড় ব্ৰহ্মপুত্ৰৰ তলেদি সুৰংগৰ বাবে ১৮ হাজাৰ কোটি টকা অনুমোদন দিয়া হৈছে। অহাবাৰ ২ লাখ চাকৰি দিম, ৫ লাখ বিঘা ভূমি বেদখলমুক্ত কৰিম। বিজেপিলৈ দেখুওৱা ৰঙা চকু আমি উন্নয়নেৰে কাঢ়ি ল'ম", মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে। সভাত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, বৈজয়ন্ত জয় পাণ্ডা, হৰিশ দ্বিবেদী আদি নেতৃত্ব উপস্থিত থাকে। সভা শেষ হোৱাৰ পিছত প্ৰধানমন্ত্ৰী দিল্লীলৈ প্ৰত্যাৱৰ্তন কৰে।

## গৌৰৱ গগৈৰ পাকিস্তান

গগৈৰ পাকিস্তান সংযোগৰ প্ৰসংগত তীব্ৰ সমালোচনা কৰি কয় যে এই কাণ্ডই অসমৰ বীৰ সন্তানসকলৰ বীৰত্ব আৰু বলিদানক কলংকিত কৰিছে। মঙলদৈস্থিত দৰং জিলা বিজেপি কাৰ্যালয়ত অনুষ্ঠিত সংবাদমেলত তেওঁ কাৰ্গিল যুদ্ধত শ্বহীদ হোৱা অসমৰ বীৰ যোদ্ধা কেপ্টেন জিণ্টু গগৈৰ পিতৃ-মাতৃৰ বক্তব্য উদ্ধৃত কৰি গৌৰৱ গগৈৰ পাকিস্তান ভ্ৰমণক শত্ৰু ৰাষ্ট্ৰৰ সৈতে সংযোগ স্থাপনৰ দৃষ্টান্ত হিচাপে চিত্ৰিত কৰে। সংবাদমেলত জয়ন্ত গোস্বামীয়ে কয় যে এই বিষয়টো অতি স্পৰ্শকাতৰ আৰু অসমৰ ৰাইজৰ বাবে বেদনাদায়ক। শ্বহীদ জিণ্টু গগৈৰ পিতৃ-মাতৃয়ে স্পষ্টকৈ কৈছে যে গৌৰৱ গগৈয়ে পাকিস্তানৰ সেনা হেডকোৱাৰ্টাৰ থকা ৰাওয়ালপিণ্ডি জিলাৰ তক্ষশীলা অঞ্চললৈ ভ্ৰমণ কৰিছে বুলি স্বীকাৰ কৰিছে। এনে ভ্ৰমণে কাৰ্গিল যুদ্ধত পাকিস্তানৰ বিৰুদ্ধে যুঁজি শ্বহীদ হোৱা জিণ্টু গগৈৰ বীৰত্ব আৰু চৰম বলিদানক কলংকিত কৰিছে। তেওঁলোকে এই ভ্ৰমণক অসমৰ বীৰত্বৰ প্ৰতি অপমান বুলি অভিহিত কৰিছে। মুখপাত্ৰ গোস্বামীয়ে লগতে কয় যে যিটো সময়ত অসমৰ বীৰ যোদ্ধা জিণ্টু গগৈয়ে দেশৰ বাবে প্ৰাণ আহুতি দি বীৰত্বৰ পৰিচয় দিছিল, সেই বীৰৰ গাঁথাক গৌৰৱ গগৈৰ এই কাৰ্যই কালিমা লগাইছে। এনে কাণ্ডই অসমৰ সন্তানসকলৰ দেশপ্ৰেম আৰু বলিদানক লঘু কৰি পেলাইছে বুলি তেওঁ মন্তব্য কৰে। সংবাদমেলত জয়ন্ত গোস্বামীয়ে আন এটা গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰি কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা শনিবাৰে গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী ষষ্ঠ ব্ৰহ্মপুত্ৰ দলং মুকলি কৰিব। এই দলঙে গুৱাহাটীৰ সৈতে দৰং জিলাক ওচৰ চপাই জিলাখনৰ আৰ্থ-সামাজিক উন্নয়নত নতুন দিগন্ত মেলি দিব। এই পদক্ষেপে অসমৰ উন্নয়নৰ এক নতুন অধ্যায়ৰ সূচনা কৰিব বুলি তেওঁ উল্লেখ কৰে। সংবাদমেলত দৰং জিলা বিজেপি সভাপতি মুকুন্দ ডেকা আৰু মিডিয়া আহ্বায়ক জয়ন্ত শৰ্মাৰ লগতে অন্যান্য নেতৃত্ব উপস্থিত থাকে। এই প্ৰসংগত বিজেপিৰ পক্ষৰ পৰা গৌৰৱ গগৈৰ বিৰুদ্ধে অভিযোগসমূহক ৰাষ্ট্ৰীয় নিৰাপত্তাৰ সৈতে জড়িত বুলি দাবী কৰি চৰকাৰী তদন্তৰ প্ৰয়োজনীয়তা পুনৰ উত্থাপন কৰা হয়।

## ২১ ফেব্ৰুৱাৰীত পুনৰ

'ভাইব্ৰেণ্ট ভিলেজ প্ৰগ্ৰাম' (Vibrant Villages Programme)ৰ অধীনত এখন গুৰুত্বপূৰ্ণ অনুষ্ঠানত অংশগ্ৰহণ কৰিব। এই কাৰ্যসূচীৰ জৰিয়তে সীমান্তৱৰ্তী গাঁৱসমূহৰ ব্যাপক উন্নয়ন, জীৱিকাৰ সুবিধা বৃদ্ধি, পৰ্যটন প্ৰসাৰ, সাংস্কৃতিক ঐতিহ্য সংৰক্ষণ, দক্ষতা বিকাশ আৰু কৃষি তথা সম্পৰ্কিত খণ্ডৰ শক্তিশালীকৰণক লক্ষ্য কৰা হৈছে। অমিত শ্বাহে ২০ ফেব্ৰুৱাৰীত অসমত উপনীত হ'ব বুলি জানিব পৰা গৈছে আৰু পিছদিনা ২১ তাৰিখে পুৰা নাতানপুৰ গাঁৱত উপস্থিত হ'ব। অনুষ্ঠানত গৃহ মন্ত্ৰণালয়ৰ কেইবাজনো উচ্চপদস্থ বিষয়া আৰু উদ্যোগপতিৰ লগতে স্থানীয় প্ৰশাসনৰ বিষয়াসকলো উপস্থিত থাকিব। এই আগমনক কেন্দ্ৰ কৰি নাতানপুৰ অঞ্চলত ব্যাপক প্ৰস্তুতি চলি আছে। প্ৰস্তাৱিত সভাস্থলীত হেলিপেড নিৰ্মাণৰ কাম দ্ৰুতগতিত আগবাঢ়ি আছে। বৰাক উপত্যকা উন্নয়ন বিভাগৰ মন্ত্ৰী কৌশিক ৰায়ে স্থানীয় প্ৰশাসনৰ বিষয়াসকলৰ সৈতে নাতানপুৰলৈ গৈ অনুষ্ঠানৰ স্থান পৰিদৰ্শন কৰি প্ৰস্তুতিৰ অগ্ৰগতি পৰ্যালোচনা কৰিছে। সীমান্ত সুৰক্ষা বাহিনী (BSF)ৰ বিষয়াসকলেও নিৰাপত্তা ব্যৱস্থাৰ দিশত বিশেষ গুৰুত্ব দিছে। স্থানীয় লোকে এই আগমনক অতি গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰিছে। ভিডিপি সচিব দীপক দেবে জনোৱা মতে, স্বাধীনতাৰ পিছত প্ৰথমবাৰৰ বাবে কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে কাটিগড়া অঞ্চললৈ আহিব। সীমান্ত অঞ্চলত বহু দিন ধৰি চলি অহা বিভিন্ন সমস্যা—যেনে শিল্প প্ৰতিষ্ঠান স্থাপন, মহাবিদ্যালয় আৰু স্বাস্থ্য কেন্দ্ৰ নিৰ্মাণৰ দৰে দাবীসমূহ—অমিত শ্বাহৰ উপস্থিতিত দাঙি ধৰাৰ চেষ্টা কৰা হ'ব। লগতে সীমান্তত নিয়োজিত বিএছএফ জোৱানসকলৰ সৈতেও গৃহমন্ত্ৰীৰ আলোচনা হ'ব পাৰে বুলি আশা কৰা হৈছে। উল্লেখ্য যে, ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে এই সফৰৰ ৰাজনৈতিক তথা সুৰক্ষাৰ দিশত বিশেষ তাৎপৰ্য আছে। বিজেপিয়ে অবৈধ অনুপ্ৰৱেশৰ বিৰুদ্ধে কঠোৰ অৱস্থান গ্ৰহণ কৰাৰ লগতে সীমান্ত অঞ্চলৰ উন্নয়নৰ জৰিয়তে স্থানীয় জনসাধাৰণৰ মাজত আস্থা বৃদ্ধি কৰাৰ প্ৰয়াস চলাই আছে। নাতানপুৰ অঞ্চলত সাম্প্ৰতিক বছৰবোৰত বাংলাদেশ আৰু ম্যানমাৰৰ নাগৰিকসহ ২০০ৰো অধিক অবৈধ অনুপ্ৰৱেশকাৰীক গ্ৰেপ্তাৰ কৰা হৈছে বুলি জানিব পৰা গৈছে। এই অনুষ্ঠানে সীমান্তৱৰ্তী অঞ্চলৰ উন্নয়নৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ দৃঢ় প্ৰতিশ্ৰুতি প্ৰতিফলিত কৰিব বুলি আশা কৰা হৈছে।

## বড়ো সাহিত্য সভাৰ প্ৰাঃ সভাপতি, শিক্ষাবিদ তৰেণ

তৰেণ বড়োৱে শনিবাৰে দুপৰীয়া ২.৫৬ বজাত গুৱাহাটীৰ উইণ্ট্ৰ'ৱ হাস্পতালত শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭০ বছৰ। জানিব পৰা মতে, তেওঁ দীৰ্ঘদিনীয়া ক্ৰনিক ৰোগ আৰু নিউমনিয়াত আক্ৰান্ত আছিল। শনিবাৰে হঠাৎ অসুস্থ হৈ পৰাৰ পিছত দুপৰীয়া ২ বজাত তেওঁক হাস্পতালত ভৰ্তি কৰা হয়। কিন্তু চিকিৎসাৰ মাজতে বিয়লি ২.৫৬ বজাত তেওঁৰ মৃত্যু হয়। মৃত্যুৰ পিছতে হাস্পতাল চৌহদত সাহিত্যিক, বৌদ্ধিক আৰু আত্মীয়-স্বজনসকলে তেওঁক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি এক মিনিট মৌন পালন কৰে। তাৰ পিছত তেওঁৰ নশ্বৰ দেহ খাৰঘূলিৰ ওপৰ লুইতপুৰস্থিত বাসগৃহলৈ লৈ যোৱা হয়। তৰেণ বড়োৱে বড়ো ভাষাৰ লগতে অসমীয়া ভাষাতো সাহিত্য চৰ্চা কৰি আহিছিল। তেওঁ নাটক, চুটিগল্প, উপন্যাস, কবিতা আদি বিভিন্ন ধাৰাত ১৪ খনতকৈ অধিক গ্ৰন্থ ৰচনা কৰিছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ১৯৭৮ চনত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰা তৰেণ বড়োৱে ভাৰতীয় ৰিজাৰ্ভ বেংকত চাকৰি কৰি অৱসৰ গ্ৰহণ কৰাৰ পিছত সাহিত্য আৰু সাংস্কৃতিক ক্ষেত্ৰত নিয়োজিত হৈছিল। তেওঁ বড়ো সাহিত্য সভাৰ মুখপত্ৰ 'The Bodo'ৰ সম্পাদক, যুটীয়া সম্পাদক, কোষাধ্যক্ষ, উপ-সভাপতি আৰু দুবাৰকৈ সভাপতি হিচাপে দায়িত্ব পালন কৰিছিল। লগতে সাহিত্য একাডেমীৰ বড়ো ভাষাৰ উপদেষ্টা সমিতিৰ আহ্বায়ক হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁৰ জীৱনকালত বিভিন্ন গুৰুত্বপূৰ্ণ পদত অধিষ্ঠিত হৈছিল যেনে—২০০৫ চনত সদৌ ভাৰতীয় ৰিজাৰ্ভ বেংক কৰ্মচাৰী সন্থাৰ গুৱাহাটী শাখাৰ সম্পাদক, ২০১৩ চনত বোলছবিৰ এডভাইজৰী ব'ৰ্ডৰ সদস্য, ২০১৫ চনত কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি, নাগৰিক কমিটীৰ সদস্য আদি। তেওঁ বড়ো আৰু অসমীয়া চিনেমা জগততো অভিনয় আৰু সাংস্কৃতিক উন্নয়নৰ ক্ষেত্ৰত উল্লেখযোগ্য অৱদান আগবঢ়াইছিল। তেওঁৰ সাহিত্যিক আৰু সামাজিক অৱদানৰ স্বীকৃতিস্বৰূপে বিভিন্ন বঁটা-সন্মান লাভ কৰিছিল—যেনে জননেতা ভীমবৰ দেউৰী একতা বঁটা, মহম্মদ ইব্ৰাহিম আলী সাহিত্য বঁটা, অসম খেল আৰু সাংস্কৃতিক বঁটা, আহমদ আলী বাসখণ্ড সাহিত্য বঁটা, শ্ৰেষ্ঠ সমাজকৰ্মী বঁটা আদি। উল্লেখযোগ্য যে, সাহিত্য আৰু সংস্কৃতিৰ ক্ষেত্ৰত জাতিৰ বাবে আগবঢ়োৱা অৱদানৰ বাবে তেওঁক ৰাষ্ট্ৰীয় বঁটাৰ বাবে নিৰ্বাচিত কৰা হৈছিল আৰু আগন্তুক ২ অ'ক্টোবৰত নতুন দিল্লীত গান্ধী জয়ন্তীৰ দিনা এই বঁটা প্ৰদানৰ কথা আছিল। তৰেণ বড়োৰ মৃত্যুৰ খবৰত অসম সাহিত্য সভা, বড়ো সাহিত্য সভা, অসম প্ৰকাশন পৰিষদ, অসম নাট্য সন্মিলনকে ধৰি বিভিন্ন সাহিত্যিক-সাংস্কৃতিক সংগঠনে গভীৰ শোক প্ৰকাশ কৰিছে। অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামী, উপ-সভাপতি পদুম ৰাজখোৱা আৰু প্ৰধান সম্পাদক দেৱজিৎ বৰাই শোকবাৰ্তাত কয় যে, "বড়োৰ মৃত্যু অসমৰ সাহিত্য, সংস্কৃতি আৰু সমাজ জীৱনৰ বাবে বিস্তৰ ক্ষতি। তেখেতে কেৱল বড়ো সাহিত্য সভাকেই নহয়, সমগ্ৰ অসমীয়া জাতি সত্তাক শক্তিশালী কৰি ৰাখিছিল।" বড়ো সাহিত্য সভাৰ সভাপতি ড° সুৰথ নাৰ্জাৰীয়ে তেওঁক "সু-সাহিত্যিক আৰু উচ্চ পৰ্যায়ৰ অভিনেতা" বুলি অভিহিত কৰি কয় যে, এই আকস্মিক মৃত্যু বড়ো জাতিৰ বাবে অপূৰণীয় ক্ষতি। সভাই আগন্তুক ৭ দিনলৈ কেন্দ্ৰীয় কাৰ্যালয়কে ধৰি সকলো জিলা আৰু প্ৰাথমিক সাহিত্য সভাৰ কাৰ্যালয়ত পতাকা অৰ্ধনমিত কৰাৰ সিদ্ধান্ত লৈছে। অসম সাহিত্য সভাই কাইলৈ ১৫ ফেব্ৰুৱাৰীত ৰাজ্যৰ সকলো আঞ্চলিক কাৰ্যালয়, জিলা সভাসমূহত পতাকা অৰ্ধনমিত কৰি তেওঁৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব। তৰেণ বড়োৰ বিয়োগত অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত সমন্বয়ৰ সেতু গঢ়ি তোলাৰ প্ৰয়াসৰ বাবে ৰাজ্যবাসী চিৰকৃতজ্ঞ হৈ থাকিব। তেওঁৰ আত্মাৰ সদগতি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰা হৈছে।

## দেশৰ ৰাষ্ট্ৰীয় নিৰাপত্তাৰ

কৰি উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথম অত্যাধুনিক ইমাৰজেন্সী লেণ্ডিং ফিল্ড (ELF) নিৰ্মাণ কৰা হৈছে। এই ঐতিহাসিক পদক্ষেপক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শনিবাৰে উদ্বোধন কৰে। প্ৰধানমন্ত্ৰীয়ে C-130J বিমানত উঠি এই বিশেষ ৰানৱেত অৱতৰণ কৰি উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰে। এই উন্নয়নক আদৰণি জনাই অসম জাতীয় পৰিষদ (AJP)ৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে স্পষ্টকৈ কয় যে দেশৰ অভ্যন্তৰীণ নিৰাপত্তা আৰু সাৰ্বভৌমত্ব ৰক্ষাৰ বাবে এনে কৌশলগত পদক্ষেপ অতি গুৰুত্বপূৰ্ণ। মৰাণৰ খোৱাঙত সাংবাদিকৰ সৈতে কথা পাতি তেখেতে কয়, "দেশৰ নিৰাপত্তাৰ ক্ষেত্ৰত মৰাণত নিৰ্মিত এই ইমাৰজেন্সী লেণ্ডিং ফিল্ড এটা অতি প্ৰয়োজনীয় আৰু প্ৰশংসনীয় কাম। এই স্থান সামৰিক দৃষ্টিকোণৰ পৰা অতি কৌশলগত। প্ৰধানমন্ত্ৰী মোদীৰ চৰকাৰে অসমমালা আঁচনিৰ অধীনত দেশৰ বিভিন্ন ঠাইত এনে ইমাৰজেন্সী লেণ্ডিং ফিল্ড নিৰ্মাণ কৰিছে। এনে কামত কোনো আপত্তিৰ অৱকাশ নাই। ৰাষ্ট্ৰীয় নিৰাপত্তা আৰু সাৰ্বভৌমত্ব বজাই ৰখাৰ বাবে কৰা যিকোনো পদক্ষেপত মই প্ৰধানমন্ত্ৰীৰ লগত আছোঁ।" লুৰীণজ্যোতি গগৈয়ে লগতে জোৰ দি কয় যে "মোৰ বাবে ৰাষ্ট্ৰ প্ৰথম, দেশৰ নিৰাপত্তা প্ৰথম। এই বিষয়ত কাৰো দ্বিমত থকা উচিত নহয়।" উল্লেখ্য যে এই ৪.২ কিলোমিটাৰ দীঘল ৰানৱে (ৰাষ্ট্ৰীয় ঘাইপথ ৩৭ৰ এটা অংশত নিৰ্মিত) উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতিৰক্ষা ব্যৱস্থাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে। ইয়াৰ উপৰিও প্ৰাকৃতিক দুৰ্যোগৰ সময়তো ই এক গুৰুত্বপূৰ্ণ সহায়ক হ'ব। কিন্তু উদ্বোধনৰ পিছত বহু বিৰোধী নেতাই এই প্ৰকল্পক সমালোচনা কৰিছে। তথাপি অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে প্ৰধানমন্ত্ৰী মোদীৰ চৰকাৰৰ এই কামক প্ৰথমবাৰৰ বাবে আদৰণি জনাইছে। এই পদক্ষেপে ৰাজ্যখনৰ ৰাজনৈতিক পৰিৱেশতো নতুন মাত্ৰা যোগ কৰিছে, বিশেষকৈ ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে। এই ইমাৰজেন্সী লেণ্ডিং ফিল্ড উত্তৰ-পূৰ্বাঞ্চলৰ একমাত্ৰ অত্যাধুনিক সুবিধা হিচাপে পৰিগণিত হৈছে আৰু ইয়াৰ নিৰ্মাণে দেশৰ প্ৰতিৰক্ষা আৰু অৱকাঠামো উন্নয়নৰ ক্ষেত্ৰত এক নতুন অধ্যায়ৰ সূচনা কৰিছে।

## ১৬ ফেব্ৰুৱাৰীৰ পৰা অসম

বছৰৰ শেষলৈকে তথা নিৰ্বাচনৰ পিছত নতুন চৰকাৰ গঠন নোহোৱালৈকে ৰাজ্য চৰকাৰৰ দৈনন্দিন আৰু অপৰিহাৰ্য খৰচ চলাই ৰাখিবলৈ লেখানুদান বাজেট দাখিল কৰা। ভাৰতীয় সংবিধানৰ অনুচ্ছেদ ১৭৬(১) অনুসৰি ৰাজ্যপাল শ্ৰী লক্ষ্মণপ্ৰসাদ আচাৰ্যই ১৬ ফেব্ৰুৱাৰীত বিধানসভাত ভাষণ দি এই অধিৱেশনৰ শুভাৰম্ভ কৰিব। অসম বিধানসভাৰ সচিব দুলাল পেগুৱে জনাইছে যে কাৰ্য নিৰ্ধাৰণ সমিতিৰ বৈঠকত সিদ্ধান্ত লোৱা হৈছে এই অধিৱেশন চাৰিদিনীয়াকৈ অনুষ্ঠিত হ'ব। অধিৱেশনত কোনো গুৰুত্বপূৰ্ণ নতুন বিল প্ৰৱৰ্তন কৰা নহ'ব যদিও এখন সংশোধনী বিল দাখিল হ'ব। সেইখন হৈছে ভেল্যু এডেড টে' (সংশোধনী) বিল। ইয়াৰ উপৰিও পৰিপূৰক দাবীসমূহৰ মঞ্জুৰী লাভ কৰাৰ লগতে লেখানুদান বাজেট উত্থাপন কৰা হ'ব। লেখানুদান বাজেট হৈছে নিৰ্বাচনৰ বছৰত বা নতুন পূৰ্ণাংগ বাজেট অনুমোদিত নোহোৱালৈকে চৰকাৰক বিত্তীয় অচলাৱস্থাৰ পৰা ৰক্ষা কৰিবলৈ গ্ৰহণ কৰা এক অংশকালীন ব্যৱস্থা। ইয়াৰ জৰিয়তে বেতন-ভাতা, পেঞ্চন, ঋণৰ সুত, চিকিৎসা আৰু অন্যান্য জৰুৰী খৰচসমূহ চলাই ৰখা সম্ভৱ হয়। অসমত সম্ভৱতঃ মাৰ্চ-এপ্ৰিল মাহত অনুষ্ঠিত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ পিছত নতুন চৰকাৰ গঠন নোহোৱালৈকে ৰাজ্যৰ প্ৰশাসনিক কাম-কাজ অব্যাহত ৰাখিবলৈ এই লেখানুদান বাজেটৰ প্ৰয়োজন। ১৭ ফেব্ৰুৱাৰীত এই বাজেট দাখিল কৰা হ'ব বুলি আশা কৰা হৈছে। এই অন্তৰ্বৰ্তীকালীন অধিৱেশনৰ অন্তত অসম বিধানসভাৰ পৰৱৰ্তী পূৰ্ণাংগ বাজেট অধিৱেশন (২০২৬-২৭ বিত্তীয় বছৰৰ বাবে) নিৰ্বাচনৰ পিছত সম্ভৱতঃ জুলাই মাহত অনুষ্ঠিত হ'ব। বৰ্তমান বিধানসভাৰ মেয়াদ ২০ মে' ২০২৬ত সমাপ্ত হ'ব। নিৰ্বাচন আয়োগে এতিয়াও নিৰ্দিষ্ট তাৰিখ ঘোষণা কৰা নাই যদিও মাৰ্চ-এপ্ৰিলৰ ভিতৰত নিৰ্বাচন অনুষ্ঠিত হোৱাৰ সম্ভাৱনা প্ৰবল। এই অধিৱেশনে বৰ্তমান চৰকাৰৰ শেষ পৰ্যায়ৰ কাম-কাজত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি বিশ্লেষকসকলে মত পোষণ কৰিছে।

## পইণ্ট ব্লেংক শ্বট ভিডিঅ'

উচ্চতম ন্যায়ালয়ত অনুষ্ঠিত হ'ব। ভাৰতৰ মুখ্য ন্যায়াধীশ সূৰ্য কান্ত আৰু ন্যায়াধীশ জয়মল্য বাগচীৰে গঠিত বিচাৰপীঠে এই গোচৰৰ শুনানি গ্ৰহণ কৰিব। ভাৰতীয় কমিউনিষ্ট পাৰ্টি (মাৰ্ক্সবাদী) আৰু ভাৰতীয় কমিউনিষ্ট পাৰ্টিৰ নেতৃত্বই ১০ ফেব্ৰুৱাৰীত উচ্চতম ন্যায়ালয়ত এখন আৱেদন দাখিল কৰে। আৱেদনত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে অসমৰ মুছলমান সম্প্ৰদায়ক লক্ষ্য কৰি ঘৃণামূলক ভাষণ দিয়া আৰু সাম্প্ৰদায়িক উচটনি দিয়াৰ অভিযোগ উত্থাপন কৰা হৈছে। অধিবক্তা নিজাম পাছাই বিচাৰপীঠৰ সন্মুখত জৰুৰী শুনানিৰ দাবী জনাই কয় যে মুখ্যমন্ত্ৰীৰ ভাষণ আৰু শেহতীয়াকৈ ভাইৰেল হোৱা ভিডিঅ'টোত বিশেষ সম্প্ৰদায়ৰ লোকক লক্ষ্য কৰি ৰাইফলৰে গুলী চলোৱাৰ দৃশ্য দেখা গৈছে। তেওঁ উল্লেখ কৰে যে অভিযোগ দাখিল হ'লেও এতিয়ালৈকে কোনো এফ আই আৰ পঞ্জীয়ন কৰা হোৱা নাই। মুখ্য ন্যায়াধীশ সূৰ্য কান্তই শুনানিৰ সময়ত মন্তব্য কৰে যে নিৰ্বাচনৰ সময়ত বহু বিষয় উচ্চতম ন্যায়ালয়ৰ দুৱাৰমুখলৈ লৈ অহা হয়, যিটো এটা সমস্যা। তেওঁ কয়, "আমি গম পাম... তাৰিখ দিম।" আৱেদনখনত উল্লেখ কৰা হৈছে যে মুখ্যমন্ত্ৰীয়ে কেইবাবাৰো ৰাজহুৱা ভাষণত মুছলমান সম্প্ৰদায়ৰ বিৰুদ্ধে শত্ৰুতা, ভয় দেখুৱাই আৰু হিংসাৰ উচটনি দিয়াৰ ধৰণ দেখা গৈছে। এই ভাষণসমূহ ছপা, ইলেক্ট্ৰনিক আৰু ডিজিটেল মিডিয়াত ব্যাপকভাৱে প্ৰচাৰিত হৈছে। আৱেদনকাৰীসকলে কয় যে এই বক্তব্যসমূহে সংখ্যালঘু সম্প্ৰদায়ক বদনাম কৰে, মিছা আৰু মানহানিকাৰক আৱেগ বিয়পায় আৰু সামাজিক-অৰ্থনৈতিক বৰ্জনৰ পৰিৱেশ সৃষ্টি কৰে। বিশেষভাৱে উল্লেখ কৰা হৈছে যে ৭ ফেব্ৰুৱাৰীত বিজেপি অসম প্ৰদেশৰ অফিচিয়েল এক্স হেণ্ডেল (@BJP4Assam)ত পোষ্ট কৰা এটা ভিডিঅ'ত এজন ব্যক্তিয়ে ৰাইফলৰে গুলী চলোৱাৰ দৃশ্য দেখা যায়। ভিডিঅ'টোত ক্ৰছহেয়াৰৰ ভিতৰত থিয় হৈ থকা দুজন মুছলমান ব্যক্তিৰ এনিমেটেড ছবি দেখুৱাই তেওঁলোকক গুলী মৰাৰ দৃশ্য চিত্ৰিত কৰা হৈছে। ভিডিঅ'ত "পইণ্ট ব্লেংক শ্বট" আৰু "নো মাৰ্চি" আদি বাক্যাংশো ব্যৱহাৰ কৰা হৈছে। তীব্ৰ সমালোচনাৰ পিছত বিজেপিয়ে ভিডিঅ'টো আঁতৰাই দিলেও ইয়াক অন্যান্য ছ'চিয়েল মিডিয়া প্লেটফৰ্মত ব্যাপকভাৱে প্ৰচাৰ কৰা হৈছে। আৱেদনখনত এই কাৰ্যসমূহক সংবিধানৰ অধীনত মুখ্যমন্ত্ৰীয়ে গ্ৰহণ কৰা শপতৰ স্পষ্ট উলংঘা বুলি অভিহিত কৰা হৈছে। আৱেদনকাৰীসকলে ভাৰতীয় দণ্ডবিধিৰ প্ৰাসংগিক ধাৰাসমূহ আৰু অন্যান্য প্ৰযোজ্য আইনৰ অধীনত এফ আই আৰ পঞ্জীয়ন কৰি তদন্ত আৰম্ভ কৰাৰ নিৰ্দেশ বিচাৰিছে। এই গোচৰে ২০২৬ৰ অসম বিধানসভা নিৰ্বাচনৰ পূৰ্বে ৰাজনৈতিক উত্তেজনা আৰু সাম্প্ৰদায়িক বিষয়ক লৈ নতুন বিতৰ্কৰ সৃষ্টি কৰিছে।

## ৰানৱেলৈ উন্নীত অসমৰ

৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ এটা অংশক ৰানৱে হিচাপে ৰূপান্তৰিত কৰি নিৰ্মাণ কৰা এই ELF-এ সামৰিক তথা অসামৰিক দুয়োটা ক্ষেত্ৰতে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। এদিনীয়া অসম ভ্ৰমণৰ অংশ হিচাপে প্ৰধানমন্ত্ৰী মোদী দিল্লীৰ পৰা পোনপটীয়াকৈ ডিব্ৰুগড়ৰ চাবুৱা বিমানঘাঁটিত উপস্থিত হয়। তাৰ পিছত তেওঁ C-130J পৰিবহণ বিমানত উঠি ৰাষ্ট্ৰীয় ঘাইপথ-৩৭ৰ মৰাণ অংশত অৱতৰণ কৰে আৰু ইয়াতেই ELF-টোৰ উদ্বোধন কৰে। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু ভাৰতীয় বায়ুসেনাৰ মুখ্য মাৰ্শ্বাল এ পি সিঙে উপস্থিত থাকে। মুখ্যমন্ত্ৰী শৰ্মাই প্ৰধানমন্ত্ৰীক অসমীয়া গামোচা, ফুলাম জাপি আৰু চুতীয়া ৰাজ্যৰ অন্তিম ৰাণী সতী সাধনীৰ প্ৰতিচ্ছবিৰে আদৰণি জনায়। এই ৪.২ কিলোমিটাৰ দীঘলীয়া ইমাৰজেন্সী লেণ্ডিং ফিল্ডে যুদ্ধ বিমান আৰু পৰিবহণ বিমানৰ বাবে কৌশলগত ৰানৱে হিচাপে কাম কৰিব। বায়ুসেনাৰ বিষয়াসকলে জনোৱা মতে, এই সুবিধা জৰুৰীকালীন অৱস্থাত ডিব্ৰুগড় বিমানবন্দৰৰ বিকল্প হিচাপেও ব্যৱহাৰ কৰিব পৰা যাব। পথটোৰ বহল ৩০ মিটাৰ আৰু বিমান অৱতৰণৰ সময়ত নিৰাপত্তাৰ বাবে ফেঞ্চিং ব্যৱস্থা কৰা হৈছে। সাধাৰণতে যাতায়াতৰ বাবে পথটো মুক্ত থাকিব আৰু কেৱল জৰুৰী পৰিস্থিতিতহে ELF হিচাপে ব্যৱহাৰ কৰা হ'ব। প্ৰায় ১৫০ কোটি টকাৰ ব্যয়ত NHIDCL-ৰ তত্বাৱধানত নিৰ্মাণ কৰা হৈছে এই অত্যাধুনিক প্ৰকল্প। উদ্বোধনী অনুষ্ঠানৰ সময়ত ভাৰতীয় বায়ুসেনাই মৰাণৰ ৰাষ্ট্ৰীয় ঘাইপথত নিজৰ শক্তি প্ৰদৰ্শন কৰে। ৰাফেল, ছুখয় SU-30 MKI, মিগ আৰু কাৰ্গো বিমানসহ মুঠ ১৬খন যুদ্ধ আৰু পৰিবহণ বিমানে পথত অৱতৰণ কৰাৰ লগতে আকাশত যুদ্ধ কৌশল প্ৰদৰ্শন কৰে। উত্তৰ-পূৰ্বাঞ্চলক এক সংবেদনশীল অঞ্চল হিচাপে বিবেচনা কৰি প্ৰতিৰক্ষা মন্ত্ৰালয়ে এই ELF নিৰ্মাণৰ সিদ্ধান্ত লৈছে। এই প্ৰকল্পই অসমৰ সামৰিক অৱকাঠামোক শক্তিশালী কৰাৰ লগতে ৰাজ্যৰ নিৰাপত্তা আৰু উন্নয়নত নতুন মাত্ৰা যোগ কৰিব বুলি বিশেষজ্ঞসকলে মত পোষণ কৰিছে। প্ৰধানমন্ত্ৰী মোদীৰ এই উদ্বোধনে অসমত কেন্দ্ৰীয় চৰকাৰৰ উন্নয়নমূলক দৃষ্টিভংগীৰ এক প্ৰতীক হিচাপে পৰিগণিত হৈছে।

## পুলৱামা শ্বহীদসকলৰ সপ্তম

আৰক্ষী বাহিনী (CRPF)ৰ ৪০জন সাহসী জোৱানৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাবলৈ আজি শনিবাৰে লেথপোৰাত এক আন্তৰিক পুষ্পাঞ্জলি অৰ্পণ অনুষ্ঠান অনুষ্ঠিত হয়। এই অনুষ্ঠানত CRPFৰ উচ্চপদস্থ বিষয়া, সেনাবাহিনী, জম্মু-কাশ্মীৰ আৰক্ষী আৰু অসামৰিক প্ৰশাসনৰ জ্যেষ্ঠ বিষয়াসকলে অংশগ্ৰহণ কৰি শ্বহীদসকলৰ স্মৃতিচিহ্নত পুষ্পমাল্য অৰ্পণ কৰে আৰু এক মিনিট নীৰৱতা পালন কৰে। CRPF-এ এই দিনটোক 'Black Day' হিচাপে পালন কৰি শ্বহীদসকলৰ ত্যাগ, বীৰত্ব আৰু অটল দেশপ্ৰেমক গভীৰ শ্ৰদ্ধাৰে স্মৰণ কৰে। CRPFৰ আধিকাৰিক একাউণ্টত 'X' (পূৰ্বৰ টুইটাৰ)ত পোষ্ট কৰি কোৱা হৈছে যে, "Lest we forget. On 14 Feb 2019, 40 bravehearts of CRPF made the supreme sacrifice in Pulwama. Their valour remains etched in our hearts forever. DG Shri G. P. Singh & all Ranks pay solemn tributes to our martyrs. We stand firmly with their families. #NationFirst #PulwamaMartyrs।" সঞ্চালক প্ৰধান (DG) জি. পি. সিংয়ে অনুষ্ঠানৰ পিছত সংবাদমেলত কয় যে, CRPF দেশৰ পৰা সকলো প্ৰকাৰৰ সন্ত্ৰাসবাদ নিৰ্মূল কৰিবলৈ বদ্ধপৰিকৰ আৰু শ্বহীদসকলৰ পৰিয়ালৰ সৈতে সদায় থিয় দি আছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও 'X'ত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি লিখে, "Remembering the brave heroes who laid down their lives in Pulwama on this day in 2019. Their devotion, resolve and service to the nation remain forever etched in our collective consciousness. Every Indian draws strength from their enduring courage." তেওঁ কয় যে এই বীৰসকলৰ অদম্য সাহসে প্ৰতিগৰাকী ভাৰতীয়ক অনুপ্ৰাণিত কৰি আহিছে। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে (আৰু পূৰ্বৰ উল্লেখ অনুসৰি C.P. ৰাধাকৃষ্ণণৰ দৰে) শ্বহীদসকলৰ প্ৰতি বিনম্ৰ শ্ৰদ্ধা নিবেদন কৰি কয় যে, তেওঁলোকৰ সৰ্বোচ্চ ত্যাগ ভাৰতীয় ইতিহাসত চিৰদিনৰ বাবে খোদিত হৈ থাকিব আৰু যুগ যুগ ধৰি দেশক অনুপ্ৰাণিত কৰি যাব। তেওঁৰ পোষ্টত উল্লেখ কৰা হৈছে যে, "Their supreme sacrifice will forever remain etched in the nation's memory and continues to inspire us to build a strong and secure India."২০১৯ চনৰ ১৪ ফেব্ৰুৱাৰীত শ্ৰীনগৰ-জম্মু ৰাষ্ট্ৰীয় ঘাইপথৰ লেথপোৰাত CRPFৰ এটা বিশাল কনভয়ক লক্ষ্য কৰি জেইশ-ই-মহম্মদ নামৰ পাকিস্তানভিত্তিক সন্ত্ৰাসবাদী সংগঠনে আত্মঘাতী বোমাৰু আক্ৰমণ চলায়। সেই কনভয়ত ৭৮খন বাছ আছিল আৰু প্ৰায় ২,৫০০জন জোৱান জম্মুৰ পৰা শ্ৰীনগৰলৈ যাত্ৰা কৰি আছিল। এই আক্ৰমণত ৪০জন জোৱান শ্বহীদ হয় আৰু বহুতে আহত হয়। এই ঘটনা ভাৰতৰ নিৰাপত্তা বাহিনীৰ ওপৰত সংঘটিত অন্যতম ভয়ংকৰ আক্ৰমণ হিচাপে চিহ্নিত হৈ আছে। আক্ৰমণৰ পিছত ভাৰতে সন্ত্ৰাসবাদ বিৰোধী কঠোৰ পদক্ষেপ গ্ৰহণ কৰে, য'ত পাকিস্তানৰ ভিতৰত থকা সন্ত্ৰাসবাদী শিবিৰত বিমান আক্ৰমণকে ধৰি বিভিন্ন অভিযান অন্তৰ্ভুক্ত আছিল। এইবাৰৰ সপ্তম বাৰ্ষিকীতো সমগ্ৰ দেশতে শ্বহীদসকলৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হৈছে আৰু দেশবাসীয়ে তেওঁলোকৰ ত্যাগক স্মৰণ কৰি এক শক্তিশালী, সুৰক্ষিত ভাৰত গঢ়াৰ প্ৰতিজ্ঞা পুনৰব্যক্ত কৰিছে।

## বহু আকাংক্ষিত গুৱাহাটী

টকাৰ উচ্চাকাংক্ষী প্ৰকল্পত অনুমোদন জনায়। এই প্ৰকল্পসমূহে অসমৰ আন্তঃগাঁথনি, স্বাস্থ্য, শিক্ষা আৰু জলসিঞ্চন খণ্ড শক্তিশালী কৰিব। কেন্দ্ৰ-ৰাজ্য সহযোগিতাৰ প্ৰতীক ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত ৬ লেনযুক্ত দলং উদ্বোধন কৰাৰ পিছত অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এক বিশাল ৰাজহুৱা সভাত এক শক্তিশালী ভাষণ প্ৰদান কৰে। সভাৰ আৰম্ভণিতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰধানমন্ত্ৰী মোদীক আদৰণি জনায়। তেওঁ কয় যে, "প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণ অসমৰ বাবে এক মাইলৰ খুঁটি। ব্ৰহ্মপুত্ৰৰ ওপৰত ৬ লেনযুক্ত দলং আৰু ইএলএফৰ দৰে প্ৰকল্পই ৰাজ্যখনৰ যোগাযোগ ব্যৱস্থাক আন্তৰ্জাতিক মানদণ্ডৰ কৰি তুলিব। যোৱা ১০ বছৰত বিজেপি চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলক মূলসুঁতিৰ সৈতে সংযোগ কৰিছে। কংগ্ৰেছ যুগত য'ত সন্ত্ৰাসবাদৰ প্ৰাধান্য আছিল, আজি শান্তি আৰু উন্নয়নৰ ৰাজত্ব আছে। কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰ অংশীদাৰিত্বৰ জৰিয়তে অসমে নতুন উচ্চতা অৰ্জন কৰিব। শৰ্মাই স্থানীয় লোকসকলক বিকাশৰ এই যাত্ৰাৰ অংশীদাৰ হ'বলৈ আহ্বান জনাই। এই সভাত সমবেত ৰাইজক সম্বোধন কৰি প্ৰধানমন্ত্ৰী মোদীয়ে পোনপটীয়াকৈ কংগ্ৰেছক আক্ৰমণ কৰে। তেওঁ উত্তৰ-পূব অঞ্চলত অঞ্চলটোক অৱহেলা কৰা আৰু অসমত সন্ত্ৰাসবাদৰ পৃষ্ঠপোষকতা কৰা বুলি অভিযোগ কৰে। "কংগ্ৰেছে বাৰম্বাৰ দেশৰ সুৰক্ষাৰ প্ৰতি ভাবুকি আনিছে। কংগ্ৰেছৰ শাসনকালত অসম ভয় আৰু নিৰাপত্তাহীনতাৰ জালত আৱদ্ধ হৈ পৰিছিল। প্ৰধানমন্ত্ৰী মোদীয়ে কংগ্ৰেছৰ মেৰুকৰণ ৰাজনীতিক কটাক্ষ কৰে: "কংগ্ৰেছে ভোট বেংকৰ বাবে নীতি গ্ৰহণ কৰিছিল যি বিভাজন বৃদ্ধি অব্যাহত ৰাখিছিল।' 'দেশৰ বিভাজনৰ আঁৰত মুছলিম লীগ আছিল, কিন্তু এতিয়া 'এমএমচি'ৰ ভাবুকি শেষ হৈ পৰিছে- মাওবাদী, মুছলমান, কংগ্ৰেছ! প্ৰধানমন্ত্ৰীয়ে সতৰ্ক কৰি দি কয়, "অসমৰ জনসাধাৰণে সতৰ্ক হৈ থাকিব লাগিব। কংগ্ৰেছে অনুপ্ৰৱেশকাৰীক ঢাল হিচাপে ব্যৱহাৰ কৰা বুলি অভিযোগ কৰি তেওঁ কয়, "বিজেপিয়ে অবৈধ প্ৰব্ৰজন নিৰ্মূল কৰিব। সেয়েহে, অহা ৫ বছৰ ৰাজ্যখনৰ বাবে অতি গুৰুত্বপূৰ্ণ। মোডীয়ে সতৰ্ক কৰি দি কয়, "অসমত ১০ বছৰ ধৰি ক্ষমতাহীন কংগ্ৰেছে ক্ষমতাত থকাতকৈ অধিক বিষাক্ত হৈ পৰিছে। 'ইয়াৰ প্ৰমাণ হৈছে ইয়াৰ নেতাসকলৰ বিষাক্ত মন্তব্য, "তেওঁ কয়। উন্নয়নৰ ক্ষেত্ৰত কংগ্ৰেছক আক্ৰমণ কৰি তেওঁ দাবী কৰে, "৭০ বছৰত, কংগ্ৰেছে ব্ৰহ্মপুত্ৰত মাত্ৰ ৩খন দলং নিৰ্মাণ কৰিছে, আনহাতে বিজেপিয়ে মাত্ৰ ১০ বছৰত ৫খন দলং নিৰ্মাণ কৰিছে।" বিজেপি চৰকাৰৰ অক্লান্ত পৰিশ্ৰমৰ ফলস্বৰূপে অসমৰ সৰ্বাংগীণ উন্নয়ন হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। পথ, ৰেলপথ, বিমানবন্দৰ আৰু স্বাস্থ্য সুবিধাই বৈপ্লৱিক পৰিৱৰ্তন আনিছে। শৰ্মা আৰু মোডীৰ যুটীয়া ভাষণে ৫০,০০০ ৰো অধিক জনতাৰ মাজত উত্তেজনাৰ ঢৌ সৃষ্টি কৰিছিল। এই সমাৱেশ কেৱল উন্নয়নৰ উদযাপনেই নহয়, ই আগন্তুক ৰাজনৈতিক সমীকৰণৰ ওপৰতো প্ৰভাৱ পেলাব। ব্ৰহ্মপুত্ৰ দলংখনে দক্ষিণ অসমৰ জিলাসমূহত ভ্ৰমণৰ সময় আধা হ্ৰাস কৰিব, বাণিজ্য বৃদ্ধি কৰিব আৰু পৰ্যটনৰ বিকাশ ঘটিব। অসম এতিয়া 'বিকশিত ভাৰত'ৰ এক শক্তিশালী স্তম্ভ হৈ উঠিব বুলি উল্লেখ কৰে নেতাদ্বয়ে।

## লখিমপুৰত কংগ্ৰেছৰ সময়

বিভিন্ন নেতাই পদত্যাগ কৰিছে। কিন্তু বেটি পঢ়াও বেটি বাচাও শ্লোগান দিয়া চৰকাৰখনৰ মন্ত্ৰীৰে কুখ্যাত নাবালিকা নিৰ্যাতনকাৰী এপষ্টিনৰ সম্পৰ্ক থকা বুলি চৰ্চা হোৱাৰ পিছতো মোডী চৰকাৰ নিমাত।'- কংগ্ৰেছৰ 'সময় পৰিৱৰ্তন যাত্ৰা'ত লখিমপুৰত উপস্থিত হৈ প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে এনেদৰে কয়। প্ৰধানমন্ত্ৰীক সমালোচনা কৰি গৌৰৱ গগৈয়ে কুখ্যাত এপষ্টিনৰ সম্পৰ্কত কয়, এপষ্টিন ফাইল সন্দৰ্ভত সকলোৱে চৰকাৰৰ পৰা জানিবলৈ বিচাৰে। ৰাজ্যৰ বিভিন্ন জিলাৰ পাছত শনিবাৰে লখিমপুৰত উপস্থিত হয় কংগ্ৰেছৰ পৰিৱৰ্তন যাত্ৰা। প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈ, সাংসদ ৰকিবুল হুছেইন, ৰাণী নৰহ আদিসকলৰ নেতৃত্বত শনিবাৰে পুৱাবেলা লখিমপুৰত আৰম্ভ হোৱা সময় পৰিৱৰ্তন যাত্ৰাত বহু কংগ্ৰেছৰ কৰ্মী তথা বিষয়ববীয়াই অংশগ্ৰহণ কৰে। লখিমপুৰৰ আৱৰ্ত ভৱনৰ পৰা এই যাত্ৰা আৰম্ভ কৰাৰ প্ৰাকমুহূৰ্তত সংবাদকৰ্মীক সম্বোধন কৰি গৌৰৱ গগৈয়ে কয়, ২০১৩ আমি এই যাত্ৰাৰে য'লৈকে গৈছো তাতেই ৰাইজৰ মৰম, সঁহাৰি, সমৰ্থন পাইছো। সেয়াই আমাৰ শক্তি। আমাক ৰাইজে গ্ৰহণ কৰিছে। বহু দল আছে। বহু নেতা আছে। উদাহৰণস্বৰূপে- মুখ্যমন্ত্ৰী গৰাকী। যি নিজৰ ইচ্ছা মতে বহু কথা কয়। কিন্তু সেই কথাবোৰ ৰাইজে গ্ৰহণ নকৰে। ৰাইজে স্বীকাৰ নকৰে। অসমৰ ৰাইজ স্বাভিমানী। ভাল কোনটো, বেয়া কোনটো সেয়া অসমৰ ৰাইজে জানে। বৰ্তমানৰ চৰকাৰ বিজেপিয়ে আমাৰ ওপৰত বিভিন্ন ধৰণে উপৰ্যুপৰি হেঁচা দিছে। তথাপি তেওঁলোক ফেইল হৈছে। কিন্তু সাধাৰণভাৱে ৰাইজৰ মাজত প্ৰচাৰ কৰি কংগ্ৰেছ সফল হৈছে। তেওঁ আৰু কয় দেশতকৈ মামী ডাঙৰ নহয় শ্লোগান কংগ্ৰেছৰ নহয়। কংগ্ৰেছক এই শ্লোগান ৰাইজে উপহাৰ দিছে। সাংবাদিকৰ বিভিন্ন প্ৰশ্নৰ উত্তৰ দি গৌৰৱ গগৈয়ে কয়, মোডী চৰকাৰে আমেৰিকাৰ সৈতে এখন চুক্তি কৰিলে। যিখনৰ জৰিয়তে তাৰ কৃষক লাভান্বিত হ'ব, কিন্তু ক্ষতিগ্ৰস্তহে হ'ব অসমৰ কৃষক। মৰাণৰ ৰাজপথত বিমান অৱতৰণ প্ৰসংগত গৌৰৱ গগৈয়ে কয় ৰাজপথত বিমান নামিছে ঠিকেই, কিন্তু সাধাৰণ মানুহ বিমানৰ ওচৰ চাপিব নোৱাৰে। বিমানৰ অত্যধিক ভাড়াৰ বাবে বিমানত উঠাতো সাধাৰণ ৰাইজৰ বাবে এক সপোন বুলিহে তেওঁ অভিহিত কৰে। সাংসদ ৰকিবুল হুছেইনেও মুখ্যমন্ত্ৰীক সমালোচনা কৰি কয়, কালি মাজুলীত গৌৰৱ গগৈ আহিব বুলি গম পাই মুখ্যমন্ত্ৰীয়ে পুঁজি বিতৰণ কৰিলে। পিছে মহিলাসকলে এখন হাতেৰে পুঁজি লৈ আনখন হাতেৰে গৌৰৱ গগৈক মৰম কৰিলে। মাজুলীৰ পৰা বিধায়ক হৈ মুখ্যমন্ত্ৰী হৈ পৰৱৰ্তী সময়ত কেন্দ্ৰীয় মন্ত্ৰী হোৱাজনৰ এখনো ফটো কালি মাজুলীত দেখা নগ'ল বুলি বিজেপিক কটাক্ষ কৰে ৰকিবুল হুছেইনে। মিত্ৰতাৰ প্ৰসংগত তেওঁ কয়, আমাৰ ইমান ধুনীয়াকৈ মিত্ৰতা হ'ব যে বিজেপি তচনচ হৈ যাব। কংগ্ৰেছৰ 'সময় পৰিৱৰ্তন যাত্ৰা' অংশস্বৰূপে প্ৰদেশ কংগ্ৰেছৰ সভাপতিজনে লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ৰ অধীক্ষকক সাক্ষাৎ কৰি চিকিৎসা মহাবিদ্যালয়খনৰ পৰিস্থিতিৰ বুজ লয়। অধীক্ষকক সাক্ষাৎ কৰি ওভতাৰ সময়তে মহাবিদ্যালয়খনত এক উত্তপ্ত পৰিস্থিতিৰ উদ্ভৱ হয়। বিজেপি কৰ্মীয়ে মহিলাৰ গাত হাত দিয়া বুলি ভূপেন বৰাৰ বিৰুদ্ধে অভিযোগ তোলাৰ লগতে পাকিস্তানলৈ কিয় গৈছিল বুলি গৌৰৱ গগৈক প্ৰশ্ন কৰে বিজেপি কৰ্মীয়ে। চিকিৎসা মহাবিদ্যালয়খনত গৌৰৱ গগৈৰ উপস্থিতিত কংগ্ৰেছ-বিজেপি কৰ্মীৰ মাজত হতাহতি হয়। দুয়োটা দলৰে কৰ্মীয়ে কংগ্ৰেছ গ'বেক, বিজেপি গ'বেক, গৌৰৱ গগৈ গ'বেক আদি ধ্বনিৰে পৰিস্থিতি উত্তপ্ত কৰি তোলে। যাৰ ফলত চৰম অপমানৰ সন্মুখীন গৌৰৱ গগৈ আৰু ভূপেন বৰা।

## হাজো মণিকূট হাইস্কুলত সংহত গণিত আৰু বিজ্ঞান গৱেষণাগাৰৰ নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ

**অসম বাৰ্তা, হাজো, ১৪ ফেব্ৰুৱাৰী** ঃ অসম চৰকাৰৰ সমগ্ৰ শিক্ষা অসমৰ দ্বাৰা আবণ্টিত ১৮, ৯৭, ০০০ টকাকৈ ব্যয় সাপেক্ষে আজি হাজো-শুৱালকুছি সমষ্টিৰ অন্তৰ্গত এক নং হাজো গাঁও পঞ্চায়তৰ অন্তৰ্গত মণিকূট হাইস্কুলত সংহত গণিত আৰু বিজ্ঞান গৱেষণাগাৰৰ নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ কৰা হয়। মণিকূট হাইস্কুল পৰিচালনা সমিতিৰ সভাপতি তথা সাহিত্যিক নৃপেন্দ্ৰ কুমাৰ ভাগৱতীয়ে এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। বিদ্যালয়ৰ প্ৰধান শিক্ষক নৱ কুমাৰ দাসে আঁত ধৰা এই অনুষ্ঠানত উপস্থিত থাকে বিশিষ্ট সমাজকৰ্মী হাঁহিৰাম কলিতা, মৃণাল কুমাৰ দাস, ভবেশ ওজা, তিলক দাস, অমৰ মালাকৰ, নৱ কুমাৰ শৰ্মা, সত্যেন্দ্ৰ দেৱশৰ্মা, গৰ্গৰাম মেধি, বিভাগীয় অভিযন্তা ৰেকাত আলী প্ৰমুখ্যে শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকল। গৱেষণাগাৰৰ নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ কৰি বিশিষ্ট সাহিত্যিক তথা বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি নৃপেন্দ্ৰ কুমাৰ ভাগৱতীয়ে কয়, অসম চৰকাৰৰ নানা উন্নয়নমূলক কাম কাজে ছাত্ৰ-ছাত্ৰী সকলৰ লগতে জনসাধাৰণৰ উন্নতি সাধন কৰিছে। এই গৱেষণাগাৰৰ জৰিয়তে আগন্তুক দিনত ছাত্ৰ-ছাত্ৰী সকলে শিক্ষাৰ ক্ষেত্ৰত এক নতুন দিগন্তৰ সূচনা কৰিব বুলিও মন্তব্য কৰে।

বিশিষ্ট ব্যক্তিলৈ বঁটা প্ৰদান

# ধেমাজি মাছখোৱাত সংযুক্ত অনাতাঁৰ শ্ৰোতা সংঘৰ প্ৰথম বছৰৰ প্ৰতিষ্ঠা দিৱসৰ বৰ্ণাঢ্য আয়োজন

**অসম বাৰ্তা, জাঁজী, ১২ ফেব্ৰুৱাৰী ঃ** ৰেডিঅ'ক অধিক জনপ্ৰিয় কৰাৰ ক্ষেত্ৰত অসমৰ বিভিন্ন জিলাৰ শ্ৰোতা সকলক লগ লাগি অহা ১৫ মাৰ্চৰ দিনা প্ৰথম বৰ্ষৰ প্ৰতিষ্ঠা দিৱসটি ধেমাজি মাছখোৱাত উলহ-মালহেৰে উদ্‌যাপন কৰিবলৈ স্থিৰ কৰা হৈছে। কাৰ্য্যসূচী অনুসৰি পুৱা চাফাই, পতাকা উত্তোলন, গছপুলি ৰূপন, বন্তি প্ৰজ্বলন, মূল সভা, আৰু তাৰ পিছতেই বটা বিতৰণি আৰু সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হব। আনহাতে বটাঁ প্ৰাপ্ত সকল ক্ৰমে- আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ মহাবাহু শাখাৰ কাৰ্তিক সূত্ৰধৰক অনুপ্ৰেৰণা বটা, মহাবাহু শাখাৰ কাৰ্য্যবাহী বিষয়া ঋতুপৰ্ণ দাসক নাট্য প্ৰভাকৰ বটাঁ, মহাবাহুৰ শাখাৰ ঘোষিকা বিনীতা ডেকাক জনপ্ৰিয় ঘোষিকা বঁটা, ডিব্ৰুগড় কেন্দ্ৰৰ বিন্দু ৰাজখোৱা আৰু গোপা হাজৰিকাক ঘোষিকা বঁটা, যোৰহাট কেন্দ্ৰৰ ঘোষিকা গায়ত্ৰী দেৱী, মৃনালী শইকীয়া দত্ত, পূৰবী ভট্টাচাৰ্য, তেজপুৰ কেন্দ্ৰৰ ঘোষক ত্ৰৈলোক্য বৰা, ৰূপলী বৰা আৰু নগাঁও কেন্দ্ৰৰ ঘোষক কিৰণ চন্দ্ৰ নাথক বঁটা প্ৰদানৰ লগতে আকাশবাণীৰ সৰ্বশ্ৰেষ্ঠ জনপ্ৰিয় তথা অনুৰাগী শ্ৰোতা বন্ধু বঁটা শিৱসাগৰ জিলাৰ জাঁজী খাটোৱাল গাঁৱৰ প্ৰণৱ কুমাৰ দত্ত, টিয়ক জগদুৱাৰ লক্ষ্মীমন্দিৰ পথৰ মানস জ্যোতি কটকী আৰু ধেমাজী মাছখোৱাৰ অনুপমা শইকীয়াই লাভ কৰিব "অনুৰাগী শ্ৰোতা বন্ধু বঁটা"। শ্ৰেষ্ঠ সাংবাদিক বঁটা লাভ কৰিব ধেমাজী মাছখোৱাৰ অসমীয়া প্ৰতিদিনৰ সাংবাদিক বীৰেণ কোঁৱৰ, শিৱসাগৰ চাৰিংৰ দৈনিক জনমভূমি কাকতৰ সাংবাদিক পদ্মলোচন খনিকৰ, গৌৰিসাগৰৰ নিয়মীয়া বাৰ্তা কাকতৰ মৃগাংক হাজৰিকা, মাছখোৱাৰ নিয়মীয়া বাৰ্তাৰ সাংবাদিক মিণ্টু শইকীয়াক প্ৰদান কৰিব। ইয়াৰোপৰি এই সভাত মাছখোৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ দিগন্ত কুমাৰ ভূএঞা, যুৱলেখক মানস প্ৰতিম দত্তকো বঁটা প্ৰদান কৰিব। সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকিব ধেমাজী জিলাৰ গণ্য-মান্য ব্যক্তিৰ লগতে নগাঁও, তেজপুৰ, যোৰহাট, গুৱাহাটী আৰু ডিব্ৰুগড় কেন্দ্ৰৰ বিষয়াৰ লগতে ঘোষক-ঘোষিকাসকল।

# নলবাৰীত চৰকাৰী স্বীকৃতিপ্ৰাপ্ত সাংবাদিক আৰু হকাৰৰ বাবে বিনামূলীয়া হেল্‌থ কাৰ্ড মুকলি

**অসম বাৰ্তা, বাঁহজানী, ১২ ফেব্ৰুৱাৰী ঃ** নলবাৰী জিলাৰ অন্যতম ফিজিঅ'থেৰাপি প্ৰতিষ্ঠান ফিটনেচ পাৰ্কৰ সন্ধেলী স্থিত শাখা ফিটনেচ পাৰ্ক অৰ্থো এণ্ড নিউৰ ফিজিঅ'থেৰাপি ক্লিনিকৰ প্ৰথম বৰ্ষপূৰ্তি উপলক্ষে চৰকাৰী স্বীকৃতিপ্ৰাপ্ত সাংবাদিক আৰু বাতৰি কাকতৰ হকাৰৰ বাবে বিনামূলীয়া ফিটনেচ পাৰ্ক হেল্‌থ কাৰ্ড মুকলি কৰা হয়। এই উপলক্ষে ফিটনেচ পাৰ্কৰ সঞ্চালক ডাঃ প্ৰণৱ কুমাৰ চক্ৰৱৰ্তী (পিটি)ৰ সঞ্চালনাত অনুষ্ঠিত হোৱা উন্মোচনী সভাখনত হেল্‌থ কাৰ্ডখন আনুষ্ঠানিকভাৱে উন্মোচন কৰে চৰকাৰী স্বীকৃতিপ্ৰাপ্ত সাংবাদিক তথা বৰভাগ প্ৰেছক্লাবৰ সভাপতি আব্দুল কাদেৰ আহমেদে। অনুষ্ঠানত চৰকাৰী স্বীকৃতিপ্ৰাপ্ত সাংবাদিক অজিত কুমাৰ চক্ৰৱৰ্তী, শংকৰ শৰ্মা, ফিটনেচ পাৰ্কৰ চিকিৎসক ডাঃ কান্তা চক্ৰৱৰ্তী (পিটি), ডাঃ নিকুঞ্জ মজুমদাৰ (পিটি) উপস্থিত থাকে। হেল্‌থ কাৰ্ডখন উন্মোচন কৰি দিয়া ভাষণত আব্দুল কাদেৰ আহমেদে কয়, চৰকাৰী স্বীকৃতিপ্ৰাপ্ত সাংবাদিকসকলে অশেষ কষ্ট কৰি বিভিন্ন অঞ্চলৰ বা- বাতৰি সংগ্ৰহ কৰি আহিছে, সমান্তৰালকৈ বাতৰি কাকতৰ হকাৰসকলেও ৰাতিপুৱাই ৰদ বৰষুণ নেওচি পাঠকৰ ঘৰত কাকত নিয়মিত যোগান ধৰি আহিছে। বিগত ১৩ বছৰে নলবাৰীত ফিজিঅ'থেৰাপি চিকিৎসা আগবঢ়াই অহা ফিটনেচ পাৰ্কৰ এই হেল্‌থ কাৰ্ডখনৰ জৰিয়তে চৰকাৰী স্বীকৃতিপ্ৰাপ্ত সাংবাদিক আৰু বাতৰি কাকতৰ হকাৰসকল যথেষ্ট পৰিমাণে লাভাবান্বি হব। উল্লেখ্য যে, এই হেল্‌থ কাৰ্ডখনৰ জৰিয়তে এই বৰ্ষৰ পহিলা এপ্ৰিলৰ পৰা আগন্তুক ২০২৭ বৰ্ষৰ ৩১ মাৰ্চলৈ এবছৰত ৩০ দিনৰ বাবে চৰকাৰী স্বীকৃতিপ্ৰাপ্ত সাংবাদিক আৰু বাতৰি কাকতৰ হকাৰসকলে ফিটনেচ পাৰ্কৰ দুয়োটা শাখাতে বিনামূলীয়াকৈ ফিজিঅ'থেৰাপি চিকিৎসা লাভ কৰিবলৈ সক্ষম হ'ব।

# মুকালমুৱাৰ কালদিত কেইবাটাও চৰকাৰী আঁচনিৰ আধাৰশিলা শুভাৰম্ভ প্ৰাক্তন বিধায়ক নাৰায়ণ ডেকাৰ

**অসম বাৰ্তা, মুকালমুৱা, ১২ ফেব্ৰুৱাৰী ঃ** মুকালমুৱাৰ কালদিত আজি তিনিটাকৈ চৰকাৰী উন্নয়নমূলক আঁচনিৰ আধাৰশিলা, শুভ উদ্বোধন কৰে প্ৰাক্তন বিধায়ক তথা জিএমডিএৰ অধ্যক্ষ নাৰায়ণ ডেকাই। উল্লেখ্যৰ প্ৰয়োজন যে- প্ৰথমবাৰৰ বাবে কালদি গোপালথান হাইস্কুলত অনুষ্ঠিত হ'ব হাইস্কুল শিক্ষান্ত পৰীক্ষা। প্ৰাক্তন বিধায়ক নাৰায়ণ ডেকাৰ প্ৰচেষ্টাত বিদ্যালয়খনত পৰীক্ষা কেন্দ্ৰ স্থাপন হোৱাত সন্তোষ প্ৰকাশ স্থানীয় ৰাইজে। আজি নাৰায়ণ ডেকাই কালদি গোপালথান হাইস্কুলৰ চৌপাশ দেৱালৰ শুভ উদ্বোধন কৰাৰ লগতে গোপালথান উচ্চ মাধ্যমিক বিদ্যালয়ৰ আৰ.চি.চি. সংহত বিজ্ঞান পৰীক্ষাগাৰ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰে। ইয়াৰোপৰি কালদি জনতা গো-পূজা মন্দিৰৰ আন্তঃগাঁঠনি নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰে প্ৰাক্তন বিধায়ক নাৰায়ণ ডেকাই। আজি এই কাৰ্যসূচীত বৰক্ষেত্ৰী আঞ্চলিক পঞ্চায়তৰ সভাপতি প্ৰীতম গোস্বামী, মুকালমুৱা - জাগাৰা জিলা পৰিষদৰ সদস্য দীপ্তি তালুকদাৰ, বৰতলা-কালদি গাঁও পঞ্চায়তৰ সভানেত্ৰী মিতালী মেধি, বৰক্ষেত্ৰী খণ্ড উন্নয়ন বিষয়া নিধিনাথ শৰ্মা, লৰকুচি গাঁও পঞ্চায়তৰ সভাপতি নাচিৰ উদ্দিন আহমেদকে ধৰি স্থানীয় ৰাইজ আৰু একাংশ দলীয় কাৰ্যকৰ্তা উপস্থিত থাকে।

# মুকালমুৱাত ভাৰত বন্ধৰ সমৰ্থনত ধৰ্ণা

**অসম বাৰ্তা, দৌলাশাল, ১২ ফেব্ৰুৱাৰী ঃ** কেন্দ্ৰীয় ট্ৰেড ইউনিয়ন, সংযুক্ত কিষাণ মৰ্চা আৰু কৰ্মচাৰী ফেডাৰেচন সমূহৰ আহ্বানত নতুন শ্ৰম নীতি বাতিল কৰাৰ দাবীত আজি দেশজুৰি সাধাৰণ ধৰ্মঘটৰ জৰিয়তেই আহ্বান জনোৱা ভাৰত বন্ধৰ প্ৰভাৱ পৰে নলবাৰীৰ মুকালমুৱাতো। ভাৰতীয় ট্ৰেড ইউনিয়ন কেন্দ্ৰ চমুকৈ চি.আই.টি.ইউ আৰু সৰ্বভাৰতীয় কিষাণ সভা চমুকৈ এ.আই.কে.এছ বৰক্ষেত্ৰী আঞ্চলিক সমিতিৰ উদ্যোগত আজি বৰক্ষেত্ৰীৰ মুকালমুৱাতো ভাৰত বন্ধৰ সমৰ্থত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। তিনি শতাধিক সমৰ্থকে চৰকাৰ বিৰোধী বিভিন্ন ধ্বনিৰে উত্তাল কৰে তোলে মুকালমুৱা। প্ৰতিবাদকাৰীসকলে মুকালমুৱাস্থিত ভাৰতীয় ষ্টেট বেংক, ইউকো বেংক, চেণ্ট্ৰেল বেংক আদি বিত্তীয় প্ৰতিষ্ঠান সমূহৰ সন্মুখত গৈ ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। তদুপৰি বৰক্ষেত্ৰী ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়তো চৰকাৰ বিৰোধী বিভিন্ন শ্লোগান প্ৰদান কৰি উত্তাল কৰি তোলে চক্ৰ বিষয়াৰ কাৰ্যালয়। ইয়াৰ পাছতেই প্ৰতিবাদকাৰীসকলে মুকালমুৱাস্থিত ৰঘুনাথ চৌধাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সন্মুখত থকা ৰাজহুৱা মঞ্চলৈ আহি এখন সভা অনুষ্ঠিত কৰে। বৰক্ষেত্ৰীৰ অংগনবাড়ী কৰ্মী-সহায়িকা সন্থাৰ সভানেত্ৰী অনুপমা বৈশ্যৰ সভাপতিত্বত অনুষ্ঠিত সভাত চি.আই.টি.ইউ নলবাৰী জিলা সমিতিৰ সদস্য জয়নাল আলী আহমেদে উপস্থিত থাকি ভাষণ প্ৰদান কৰি কয় যে- বিজেপি চৰকাৰৰ জনবিৰোধী আৰু শ্ৰমিক বিৰোধী শ্ৰম ক'ডৰ ফলত শ্ৰমিকৰ আন্দোলন কৰা অধিকাৰ নাথাকিব, শ্ৰমিকৰ নিৰাপত্তা নাথকিব, যাৰ ফলত মালিক পক্ষৰ লাভ হ'ব বুলি কয়। বিজেপি চৰকাৰে শ্ৰমিকৰ অধিকাৰ খৰ্ব কৰিবলৈ চেষ্টা কৰিছে বুলিও চি.আই.টি.ইউৰ নেতাগৰাকীয়ে অভিযোগ কৰে। চি.আই.টি.ইউৰ নেতাগৰাকীয়েপ্ৰতিবাদকাৰীসকলক নিজৰ অধিকাৰৰ বাবে গণতান্ত্ৰিক আন্দোলনৰ মাজেৰে সংগ্ৰাম কৰিব লাগিব বুলি কয়। সভাত কৃষক সভাৰ আঞ্চলিক সদস্য নগেন দাসে ভাষণ প্ৰসংগত প্ৰতিবাদকাৰীসকলক সংগঠিত হৈ আন্দোলন কৰি প্ৰাপ্য আদায় কৰিব লাগে বুলি মন্তব্য কৰে। চি.আই.টি.ইউৰ নেতা ভুৱনেশ্বৰ বৰ্মনে সভাত ভাষণ প্ৰদান কৰি শ্ৰমিকৰ শোষণৰ বিৰুদ্ধে, শ্ৰমিক বিৰোধী নীতিৰ বিৰুদ্ধে ঐক্যবদ্ধভাৱে সংগ্ৰাম কৰিব লাগিব বুলি কয়। প্ৰতিবাদত অংগনবাড়ী কৰ্মী সহায়িকা সন্থাৰ দুই শতাধিক কৰ্মীয়ে অংশগ্ৰহণ কৰে। অংগনবাড়ী কৰ্মী-সহায়িকা সন্থাৰ উপ সভানেত্ৰী পদুমী বৈশ্য হালৈ, সম্পাদিকা ভণিতা কুমাৰী দাস, নিৰ্মাণ শ্ৰমিক ইউনিয়ন বৰক্ষেত্ৰী আঞ্চলিক সমিতিৰ সম্পাদক নুৰ হুছেইনসহ তিনি শতাধিকে প্ৰতিবাদ সাব্যস্ত কৰে।

দুৰ্যোগ ব্যৱস্থাপনাৰ বিভিন্ন ক্ৰীড়া কৌশল প্ৰদৰ্শন

# অসম সত্ৰীয়া সংগীত মহাবিদ্যালয়ৰ মহিলা কোষৰ উদ্যোগত দুৰ্যোগ ব্যৱস্থাপনাৰ সজাগতা শিৱিৰ সম্পন্ন

**অসম বাৰ্তা, যোৰহাট, ১২ ফেব্ৰুৱাৰী ঃ** অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ অধীনৰ যোৰহাটৰ অসম সত্ৰীয়া সংগীত মহাবিদ্যালয়ৰ মহিলা কোষৰ উদ্যোগত আৰু অসামৰিক প্ৰতিৰক্ষা বিভাগ, যোৰহাটৰ সহযোগত দূৰ্যোগ ব্যৱস্থাপনাৰ এক সজাগতা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। অসম সত্ৰীয়া সংগীত মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ অধ্যাপক নিৰ্মল গোস্বামী স্মৃতি প্ৰেক্ষাগৃহত অনুষ্ঠিত সজাগতা সভাখনত উপস্থিত সকলক আদৰণী ভাষণেৰে স্বাগতম জনাই মহাবিদ্যালয় খনিৰ অধ্যক্ষ ড° সাৰংগপানি বৰদলৈয়ে। উল্লেখযোগ্য যে ২০২৪ চনতে মহাবিদ্যালয়ৰ মহিলা সকলৰ মাজত কিছু সজাগতামোলক কাৰ্যসূচী কৰাৰ লক্ষ্যৰে গঢ়ি তোলা মহিলা কোষটিয়ে ইতিমধ্যে কেইবাটাও গুৰুত্বপূৰ্ণ কাম কৰি মহিলা সকলক সজাগ তথা সমাজলৈ এক ধনাত্মক চিন্তাৰ সুবাস বিলাই আহিছে। বাদ্য বিভাগৰ প্ৰশিক্ষক প্ৰশান্ত কুমাৰ দত্তই আঁত ধৰা অনুষ্ঠানটিত অসামৰিক প্ৰতিৰক্ষা বিভাগৰ জিলা উপ নিয়ন্ত্ৰক সীমান্ত শৰ্মাই ব্যৱস্থাপনাৰ ওপৰত কেনদৰে সজাগ সচেতন হ'ব লাগে তাৰ ওপৰত কেইবাটাও গুৰুত্বপূৰ্ণ কথা অৱগত কৰে। প্ৰাকৃতিক দুৰ্যোগৰ পৰা নিজকে কেনেকৈ ৰক্ষা কৰিব লাগে তাৰ বিভিন্ন ক্ৰীড়া কৌশল প্ৰদৰ্শন কৰাৰ লগতে প্ৰাথমিক চিকিৎসা ক্ষেত্ৰত কেনেদৰে সজাগতা অৱলম্বন কৰিব লাগে তাৰ ওপৰতো সুন্দৰ বিশ্লেষণ দাঙি ধৰে। মহাবিদ্যালয়ৰ শিক্ষক শিক্ষয়িত্ৰী, কৰ্মচাৰীৰ লগতে ছাত্ৰ-ছাত্ৰী সকল উপস্থিত থকা সজাগতা সভাখনত অসামৰিক প্ৰতিৰক্ষা বিভাগৰ যোৰহাটৰ সহকাৰী উপ নিয়ন্ত্ৰক বিকাশ শইকীয়া, দূৰবাৰ্তা পৰিচালক সঞ্জীৱ কুমাৰ নাথ, স্বেচ্ছাসেৱক জ্যোতিষ নয়ন বৰুৱা, বিশ্বজিৎ শইকীয়া, বৰ্ষা দত্ত আৰু অনামিকা বৰাই সহযোগিতা আগবঢ়ায়।

# গোলকগঞ্জত বৃহৎ পৰিমাণ গো-মাংসসহ এখন চাৰিচকীয়া বাহন জব্দ

**অসম বাৰ্তা, আগমনি, ১২ ফেব্ৰুৱাৰী ঃ** ধুবুৰী জিলাৰ গোলকগঞ্জত ন ন কৌশল অৱলম্বন কৰিছে ভগৱান শিৱৰ ষ্টিকাৰ লগাই চাৰি চকীয়া বাহনত গো-মাংস সৰবৰাহ অব্যাহত একাংশ অসাধু চক্ৰৰ। ধৰা পৰিল গোলকগঞ্জ আৰক্ষীৰ জালত। প্ৰায় ২ কুইন্টল গো মাংস জব্দ। এ এচ ১৬ এ ৫৮৬৩ নম্বৰৰ অল্টো বাহনৰ গোপন চেম্বাৰত লুকুৱাই আনিছিল বৃহত পৰিমাণৰ গো মাংস। গোলকগঞ্জ আৰক্ষীয়ে এক গোপন সূত্ৰৰ আধাৰত গোলকগঞ্জৰ ৰতিয়াদহৰ ১৭ নং ৰাষ্ট্ৰীয় ঘাই পথত চলাইছিল অভিযান। আৰক্ষীক দেখা পাইয়েই চালকে বাহনখন ৰখাই দৌৰি পলায়ন কৰে। পিছত গোলকগঞ্জৰ আৰক্ষীয়ে বাহন খনৰ পৰা প্ৰায় ২০০ কেজি গো-মাংস জব্দ কৰে। একাংশ অসাধু চক্ৰই অব্যাহত ৰাখিছে নিষিদ্ধ গো মাংসৰ অবৈধ সৰবৰাহ। যেন অসম আৰক্ষীক বৃদ্ধাংগুষ্ঠ দেখুৱাই আছে নিষিদ্ধ গো মাংস সৰবৰাহকাৰীয়ে। চুবুৰীয়া ৰাজ্য পশ্চিমবংগৰ পৰা অসমলৈ সৰবৰাহ হৈ আছে নিষিদ্ধ গো মাংস। ঘটনা সন্দৰ্ভত তদন্ত চলি থকাৰ বাবে অধিক তথ্য এতিয়ালৈকে প্ৰকাশ কৰা হোৱা নাই। আটকাধীন গো-মাংসৰ বাহনখন গোলকগঞ্জ আৰক্ষী থানালৈ লৈ যায় আৰু যথাযথ আইনী প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। এই ধৰণৰ অভিযানৰ জৰিয়তে বে-আইনীভাৱে পশু ধন বধ আৰু নিষিদ্ধ গো-মাংস সৰবৰাহৰ বিৰুদ্ধে চৰকাৰে কঠোৰ পদক্ষেপ গ্ৰহণ কৰা সন্দেহ প্ৰকাশ হৈছে। তদুপৰি ধুবুৰী জিলাখনৰ তামাৰহাট, পাগলাহাট, আগমনি আৰক্ষী থানা অধীনৰ ৰতিয়াদহ ঝসকাল, আশে-পাশে আৰু বিৰাট নগৰ চাৰিআলি, মটেৰঝাৰ গাঁৱৰ লগতে বালাজানৰ কোনো কোনো স্থানত নিষিদ্ধ গো-মাংস বিক্ৰী অথবা সৰবৰাহ অব্যাহত আছে বুলি স্থানীয় ৰাইজে সন্দেহ প্ৰকাশ কৰে।

# মাকুমত অসম ৰাজ্যিক অংগনবাদী কৰ্মী সহায়িকা সন্থাৰ বাজেট বিক্ষোভ কাৰ্যসূচী

**অসম বাৰ্তা, মাকুম, ১২ ফেব্ৰুৱাৰী ঃ** সমগ্ৰ ভাৰতবৰ্ষৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি প্ৰতিবাদ চলি আছে, ইফালে অসম চৰকাৰে গ্ৰহণ কৰা "অসম মটৰ পৰিবহণ শ্ৰমিক সামাজিক সুৰক্ষা আঁচনি" কাৰ্যকৰী কৰা, চালকৰ বাবে বিপদজনক মটৰ ভেহিক'ল (সংশোধনী) আইন-২০১৯ বাতিল কৰা, ভাৰতীয় ন্যায় সংহিতা (BNS)ৰ হিট এণ্ড ৰাণ বুলি জনাজাত ১০৬(২) ধাৰা বাতিল কৰা, শ্ৰমিক বিৰোধী শ্ৰম কোড(সংহিতা) বাতিল কৰা ইত্যাদিৰ দাবীত কেন্দ্ৰীয় ট্ৰেড ইউনিয়ন আৰু কৰ্মচাৰী ফেডাৰেচনসমূহৰ যৌথ মঞ্চৰ সৰ্বভাৰতীয় ধৰ্মঘটৰ সমৰ্থনত অসম মটৰ শ্ৰমিক সংগঠনসমূহৰ যৌথ মঞ্চৰ আহ্বানত সদৌ অসম গাড়ী চালক সন্থাৰ সহযোগত ২৪ ঘণ্টীয়া চকা বন্ধ ঘোষণা কৰাৰ পাছতে ঠায়ে ঠায়ে বন্ধৰ সৰ্বাত্মক প্ৰভাৱ পৰা পৰিলক্ষিত হয়। আনফালে কেন্দ্ৰীয় বাজেটত পি এম পোষণ-২ত ধন বৃদ্ধি কৰা, মাননিৰ সলনি মজুৰি প্ৰদান কৰা, অংগনবাদী কৰ্মী সহায়িকা সকলক নিয়মীয়া কৰ্মচাৰী হিচাপে স্বীকৃতি প্ৰদান কৰা, উন্নত মবাইল ফোন যোগান ধৰা, এফ.আৰ.এচ বন্ধ কৰা, ৫০ শতাংশ কৰ্মীক মুখ্য সেৱীকাৰ পদত নিযুক্তি দিয়া, সকলো জৰাজীৰ্ণ কেন্দ্ৰ সমূহ উন্নত কৰাৰ দাবীত অসম ৰাজ্যিক অংগনবাদী কৰ্মী সহায়িকা সন্থাৰ উদ্যোগত ৰাজ্যজুৰি বাজেট বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। তাৰ সমান্তৰাল ভাৱে তিনিচুকীয়া জিলাৰ হাপজান প্ৰকল্পৰ অসম ৰাজ্যিক অংগনবাদী কৰ্মী সহায়িকা সন্থাই মাকুমস্থিত মহিলা আৰু শিশু কল্যাণ বিষয়া কাৰ্য্যালয়ৰ প্ৰাংগণত বাজেট বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰি অসম চৰকাৰলৈ সকীয়নী প্ৰদান কৰি গুৱাহাটী মহিলা আৰু শিশু কল্যাণ সঞ্চালকলৈ হাপজান প্ৰকল্প বিষয়াৰ যোগেদি এখনি স্মাৰক পত্ৰ প্ৰেৰণ কৰে।

২৭ নংৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত এক শোকাবহ পথ দুৰ্ঘটনা

# বাইহাটা চাৰিআলিত ট্ৰেক্টৰৰ অতপালি

## ভুল পথেৰে অহা ট্ৰেক্টৰৰ খুন্দাত প্ৰাণ গ'ল বাইক আৰোহী যুৱকৰ

**অসম বাৰ্তা, চাংসাৰি, ১২ ফেব্ৰুৱাৰী ঃ** ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ বাইহাটা চাৰিআলিৰ দিশৰ পৰা গুৱাহাটী অভিমুখে গৈ থকা দুই বাইক আৰোহীক ভুল পথেৰে আহি থকা মাটি ভৰ্তি ট্ৰেক্টৰে খুন্দিওৱাৰ ফলত এজন আৰোহী চিটিকি গৈ একে দিশৰে আহি থকা কণ্টেনাৰ বাহন এখনৰ তলত সোমাই যায়। যাৰ ফলস্বৰূপে আৰোহী জনৰ ওপৰেৰে কণ্টেনাৰ বাহনখন উঠি যোৱাত মোজাহিদুল ইছলাম (২২)নামৰ বাইক আৰোহী জনৰ থিতাতে মৃত্যু হয়। দুৰ্ঘটনাত পতিত বাইকখনৰ নম্বৰ হ'ল AS15/P8901 আৰু আৰোহীজন যিখন কণ্টেইনাৰ ট্ৰাকৰ খুন্দাত মৃত্যু বৰণ কৰিছে সেইখনৰ নম্বৰ হ'ল HR c-0864 অন্যজন আৰোহী আৰশাদ মণ্ডল (২৫) গুৰুতৰ ভাৱে আঘাতপ্ৰাপ্ত হয়। আঘাতপ্ৰাপ্ত আৰছাদ মণ্ডলৰ ঘৰ বৰপেটাত। আঘাতপ্ৰাপ্ত বাইক আৰোহী গৰাকীক স্থানীয় ৰাইজে চিকিৎসালয়লৈ প্ৰেৰণ কৰে। পিচত বাইহাটা চাৰিআলি আৰক্ষীয়ে ঘটনা স্থলীত উপস্থিত হৈ মৃতদেহটো আৰক্ষী থানালৈ আনে। মৃত যুৱকজনৰ ঘৰ বঙাইগাঁৱত। উল্লেখ্য যে কিছুদিন পূৰ্বেও কমলপুৰ আৰক্ষী থানাৰ অন্তৰ্গত দালাঙত ট্ৰেক্টৰৰ খুন্দাত প্ৰাণ গৈছিল এটি চাৰিবছৰীয়া শিশুৰ। বৃহত্তৰ বাইহাটা চাৰিআলি অঞ্চলত মাটি কঢ়িওৱা ট্ৰেক্টৰৰ দৌৰাত্ম্য বাবে ভীতি গ্ৰস্ত হৈ পৰিছে ৰাইজ।

# দিব্যাংগ যুৱক দেৱৰাজক দিলে উপাৰ্জনৰ পথ

# বিধায়ক প্ৰদীপ সৰকাৰৰ মহানুভৱতা

**অসম বাৰ্তা, অভয়াপুৰী, ১৪ ফেব্ৰুৱাৰী ঃ** বঙাইগাঁও জিলাৰ খগৰপুৰ অঞ্চলৰ বেতবাৰী গাঁৱৰ এজন দিব্যাংগ যুৱক দেৱৰাজ মজুমদাৰৰ জীৱনলৈ আশাৰ পোহৰ কঢ়িয়াই আনিলে অভয়াপুৰী দক্ষিণ বিধানসভাৰ বিধায়ক প্ৰদীপ সৰকাৰে। বেতবাৰী গাঁৱৰ বাবুলাল মজুমদাৰৰ পুত্ৰ দেৱৰাজ মজুমদাৰ এক দুৰ্ঘটনাত শাৰীৰিকভাৱে অক্ষম হৈ পৰিছিল। উপাৰ্জনৰ কোনো স্থায়ী উৎস নথকাৰ বাবে দেৱৰাজে বহুদিন ধৰি কঠিন আৰ্থিক সমস্যাৰ মাজেৰে জীৱন যাপন কৰি আহিছিল। দেৱৰাজৰ এই দুখ-কষ্টৰ কথা জানিব পাৰি বিধায়ক প্ৰদীপ সৰকাৰে নিজে আগবাঢ়ি আহি সহায়ৰ হাত আগবঢ়ায়। তেওঁ দেৱৰাজক আত্মনিৰ্ভৰশীল কৰি তুলিবলৈ এখন সৰু দোকান আৰম্ভ কৰাৰ বাবে নগদ ৫০ হাজাৰ টকা আগবঢ়ায়। এই আৰ্থিক সহায়ৰ জৰিয়তে দেৱৰাজে নিজৰ পৰিয়ালক পোহপাল দিব পৰা এক উপাৰ্জনৰ পথ লাভ কৰিব বুলি আশা কৰা হৈছে। স্থানীয় ৰাইজে বিধায়কৰ এই মহানুভৱতা আৰু সংবেদনশীল মনোভাৱক বহুলভাৱে প্ৰশংসা কৰিছে। এইধৰণৰ সহায় আৰু উৎসাহে সমাজৰ পিছপৰা আৰু বিশেষভাৱে সক্ষম লোকসকলক আগবাঢ়ি যোৱাৰ প্ৰেৰণা যোগায়। দেৱৰাজ মজুমদাৰেও বিধায়ক প্ৰদীপ সৰকাৰৰ সহায়ৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰি কয় যে, এই সহায়ে তেওঁৰ জীৱনলৈ নতুন আশাৰ দুৱাৰ মুকলি কৰিছে। এই ঘটনাই প্ৰমাণ কৰে যে, সমাজৰ প্ৰতি দায়িত্ববোধ আৰু মানৱীয় সহানুভূতি থাকিলে বহু লোকৰ জীৱন সলনি কৰিব পাৰি।

ৰাজ্যিক তথা আন্তঃৰাজ্যিক বজাৰত থলুৱা কৃষক সকলক বজাৰ পৰিচয় কৰাই দিয়াৰ উদ্দেশ্যে মেলা

# নগাঁও জিলাৰ জিলা পুথিভঁৰালত কৃষক মেলা

## আধুনিক যন্ত্ৰ পাতি ব্যৱহাৰ, উন্নত মানৰ বীজ তথা বিজ্ঞান পদ্ধতিত কৃষি ব্যৱস্থাৰ প্ৰশিক্ষণ অনুষ্ঠিত হয় কৃষি মেলাত

**অসম বাৰ্তা, নগাঁও, ১২ ফেব্ৰুৱাৰী ঃ** নগাঁও জিলা কৃষি বিভাগ আৰু আটমাৰ উদ্যোগত বৃহস্পতিবাৰে নগাঁও জিলা পুথিভঁৰালত অনুষ্ঠিত হয় দুদিনীয়া কাৰ্যসূচীৰে কৃষক মেলা। দুদিনীয়াকৈ আয়োজন কৰা এই কৃষক মেলাখনৰ জৰিয়তে অসম কৃষি বিশ্ববিদ্যালয় অথবা কৃষি গৱেষণা কেন্দ্ৰ সমূহত নতুনকৈ উদ্ভাৱন কৰা শস্যৰ বীজ আৰু শস্য অধিক উৎপাদন তথা আধুনিক বিজ্ঞান-প্ৰযুক্তি কৌশল ব্যৱহাৰ সন্দৰ্ভত কৃষি বিভাগে অৱগত কৰাৰ এক ব্যৱস্থা। নগাঁও জিলাৰ ১৩টা উন্নয়ন খণ্ডৰ অন্তৰ্গত বিভিন্ন প্ৰগতিশীল আৰু উপান্ত কৃষক সকলে অংশগ্ৰহণ কৰে। অনুষ্ঠানত নগাঁও জিলা আয়ুক্ত দেৱাশিস শৰ্মা, জিলা কৃষি বিষয়া নিখিল নাৰায়ণ বৰুৱা, চিলঙনিস্থিত অসম কৃষি বিশ্ববিদ্যালয়ৰ মাগুলিক কৃষি গৱেষণা কেন্দ্ৰৰ মুখ্য বিজ্ঞানী ড° হিৰণ্য কুমাৰ বৰাকে ধৰি বহু কেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# চকলাঘাটৰ সৰ্বজনীন কল্যাসনাথ মন্দিৰত মহা শিৱৰাত্ৰি মহোৎসৱৰ আয়োজন

**অসম বাৰ্তা, বেবেজীয়া, ১৪ ফেব্ৰুৱাৰী ঃ** নগাঁও জিলাৰ পশ্চিম প্ৰান্তৰ অন্যতম ধৰ্মীয় উপাসনাৰ থলী হৈছে সৰ্বজনীন কল্যাসনাথ মন্দিৰ। জিলাখনৰ হাতীচোং মৌজাৰ অন্তৰ্গত চকলাঘাটৰ ক্ষেত্ৰীগাঁৱৰ ডিমৌ-ৰাইদঙীয়া সংযোগী গড়কাপ্তানী পথৰ দাঁতিতে অৱস্থিত ঐতিহ্যমণ্ডিত হাতীচোং সঞ্জীৱনী সংস্কৃত টোল প্ৰাংগণত থকা এই মন্দিৰত বিগত বৰ্ষৰ দৰে এইবেলিও অহা ১৫ ফেব্ৰুৱাৰীত দিনযোৱা বিস্তৃত কাৰ্যক্ৰমণিকাৰে শ্ৰীশ্ৰীমহা শিৱৰাত্ৰি মহোৎসৱ সৰ্বজনীনভাৱে উদযাপনৰ দিহা কৰা হৈছে। প্ৰকাশিত কাৰ্যসূচী অনুসৰি সেইদিনা পুৱাৰ ভাগত বিভিন্ন আনুষংগিক ধৰ্মীয় কাৰ্যসূচীৰ লগতে দুপৰীয়া আমন্ত্ৰিত আগশাৰীৰ দিহানাম দলৰ দ্বাৰা আকৰ্ষণীয় দিহানাম প্ৰদৰ্শন কৰা হ'ব। তদুপৰি বিয়লি সোণাই পৰীয়া লোকশিল্পী দলৰ দ্বাৰা ব্যতিক্ৰমী সংগীতানুষ্ঠান পৰিবেশনৰ অন্তত সন্ধিয়া ছয় বজাৰ পৰা দেৱাদিদেৱ মহাদেৱৰ চাৰি প্ৰহৰ পূজা-অৰ্চনা অনুষ্ঠিত হ'ব। সেয়ে উক্ত মহা শিৱৰাত্ৰি মহোৎসৱৰ সমূহ কাৰ্যসূচীতে ধৰ্মপ্ৰাণ ৰাইজৰ উপস্থিতি আন্তৰিকতাৰে কামনা কৰিছে মন্দিৰ পৰিচালনা সমিতিৰ স্থায়ী সভাপতি ধ্ৰুৱজ্যোতি বৰাই।

# ৰূপহীহাটত পথ দুৰ্ঘটনাত আহত দুই ছাত্ৰী

**অসম বাৰ্তা, ৰূপহীহাট, ১৪ ফেব্ৰুৱাৰী ঃ** ৰূপহীহাটৰ নিউ ভিজন ইংলিশ একাডেমীৰ সন্মুখত আজি দুপৰীয়া এক পথ দুৰ্ঘটনাৰ ঘটনা সংঘটিত হয়। এখন তীব্ৰবেগী চাৰিচকীয়া বাহন আৰু ই ৰিস্কাৰ মাজত মুখামুখি সংঘৰ্ষৰ ফলত সংঘটিত হয় পথ দুৰ্ঘটনাটি। উক্ত পথ দুৰ্ঘটনাত ই- ৰিস্কাত থকা দুগৰাকী স্কুলীয়া ছাত্ৰী গুৰুতৰভাৱে আহত হয়। আহত হোৱা ছাত্ৰী দুগৰাকীক স্থানীয় ৰাইজৰ তৎপৰতাত অতি সংকটজনক অৱস্থাত নগাঁও মেডিকেল কলেজ হস্পিটেললৈ প্ৰেৰণ কৰে। দুৰ্ঘটনাগ্ৰস্ত চাৰিচকীয়া বাহনখনৰ নম্বৰ হৈছে এ এছ-০১-এফ এম -৬৬২৮ আৰু ই ৰিস্কাৰ নম্বৰ এ এছ-০২-জি আৰ -২২১০। ঘটনাস্থলীত ৰূপহীহাট আৰক্ষী উপস্থিত হৈ দুৰ্ঘটনা সংঘটিত কৰা গাড়ী দুখন জব্দ কৰি তদন্ত আৰম্ভ কৰিছে।

# পুৰণিগুদাম আৰু বঢ়মপুৰৰ গ্ৰামাঞ্চলত গৰু চোৰৰ উপদ্ৰৱ

কুম্ভকৰ্ণ নিদ্ৰাত নগাঁও আৰক্ষী; এমাহত চুৰি হ'ল প্ৰায় দুশৰো অধিক গো-ধন



**অসম বাৰ্তা, পুৰণিগুদাম, ১২ ফেব্ৰুৱাৰী ঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানা আৰু নগাঁও সদৰ আৰক্ষী থানাৰ অন্তৰ্গত বঢ়মপুৰ আৰু পুৰণিগুদামৰ বিভিন্ন গ্ৰামাঞ্চলত দিনক-দিনে গৰু চোৰৰ উপদ্ৰৱ বৃদ্ধি পাইছে। গৰু চোৰৰ উপদ্ৰৱত এতিয়া ত্ৰাহি মধুসূদন সুঁৱৰিছে অসমীয়া কৃষক ৰাইজে। বঢ়মপুৰৰ গোমোঠা গাঁও, ভেৰভেৰী, পোটনীকে আদি কৰি পুৰণিগুদামৰো বিভিন্ন অঞ্চলত অসমীয়া চহা কৃষকৰ গোহালি উদং হৈছে। শেহতীয়াকৈ যোৱা নিশাও বঢ়মপুৰৰ সমীপৱৰ্তী পোটনীত গৰু চোৰে দুটাকৈ গো-ধন চুৰি কৰি লৈ যায়। পুৱতি নিশা প্ৰায় ৪ বজাত বিলাসী বাহনেৰে দুটাকৈ গো-ধন চুৰি কৰি লৈ যোৱা দৃশ্য বন্দী হৈছে চিচি টিভি কেমেৰাত। পাছত স্থানীয় ৰাইজে হুলস্থুলৰ সৃষ্টি কৰোঁতেই পলায় যায় গৰু চোৰৰ দলটো। উল্লেখ্য যে, বিগত এমাহত বঢ়মপুৰ আৰু পুৰণিগুদামৰ বিভিন্ন গ্ৰামাঞ্চলৰ পৰা প্ৰায় দুশৰো অধিক গো-ধন চুৰি হৈছে। কিন্তু প্ৰত্যেক দিনাই গৰু চোৰে চুৰি কাৰ্য সংঘটিত কৰি আহিছে যদিও আজিকোপতি আৰক্ষীয়ে কোনো বিশেষ ব্যৱস্থা গ্ৰহণ কৰা দেখিবলৈ পোৱা নাই। উক্ত অঞ্চল সমূহত প্ৰতিদিনাই গৰু চুৰি কাৰ্য সংঘটিত হৈ আহিছে যদিও চামগুৰি আৰু নগাঁও সদৰ আৰক্ষীয়ে নিয়মীয়া টহলদাৰীৰ ব্যৱস্থা কৰাৰ পৰিৱৰ্তে কুম্ভকৰ্ণৰ নিদ্ৰাত থকাহে পৰিলক্ষিত হৈছে। যাৰ বাবে এতিয়া ভুক্তভোগী পৰিয়ালসমূহে আৰক্ষী বিৰুদ্ধে সৰৱ হোৱা পৰিলক্ষিত হৈছে।

### বিন্নাকান্দিৰ খণ্ড উন্নয়ন বিষয়ালৈ ৰাজহুৱা পত্ৰ দাখিল

# ডবকাত ৰাজহুৱা পথ নিৰ্মাণত বাধা একাংশ অসাধু চক্ৰৰ

**অসম বাৰ্তা, ডবকা, ১২ ফেব্ৰুৱাৰী ঃ** হোজাই জিলাৰ বিন্নাকান্দি উন্নয়ন খণ্ডৰ অধীনস্থ যোগীজানৰ পৰা নতুনকৈ সংযোগ হোৱা হিন্দুব্লক গাঁও পঞ্চায়তৰ অন্তৰ্গত ৬ নং ৱাৰ্ডৰ যমুনা মথাউৰিৰ পৰা তাজাম্মুল আলী হাউচ ভায়া মাষ্টাৰ কলনী চিচি ব্লক পথ নিৰ্মাণ আঁচনিখনক কেন্দ্ৰ কৰি সংবাদ মাধ্যমত এটা চক্ৰই উত্থাপন কৰা প্ৰায় ৩০ লাখ টকা আত্মসাতৰ অভিযোগ সম্পূৰ্ণ ভিত্তিহীন, বিভ্ৰান্তিমূলক আৰু উদ্দেশ্য প্ৰণোদিত বুলি স্থানীয় প্ৰায় ডেৰ শতাধিক ৰাইজে বিন্নাকান্দি খণ্ড উন্নয়ন বিষয়ালৈ লিখিত পত্ৰ দাখিল কৰে। স্থানীয় ৰাইজৰ মতে উক্ত পথচোৱা নিৰ্মাণত কোনো ধৰণৰ অনিয়ম বা অবৈধতা সংঘটিত হোৱা নাই বুলি স্পষ্ট কৰে। লগতে অভিযোগত উল্লেখ কৰা তথাকথিত পকেট টেণ্ডাৰ ব্যৱহাৰৰ অভিযোগ সম্পূৰ্ণ ভুৱা আৰু ভিত্তিহীন বুলি স্থানীয় ৰাইজে কয় যে, সকলো টেণ্ডাৰ চৰকাৰী বিধি-বিধান আৰু নিৰ্দিষ্ট প্ৰক্ৰিয়া অনুসৰণ কৰিয়েই আহ্বান কৰা হৈছে। ইফালে, যমুনা গাঁও পঞ্চায়তৰ প্ৰাক্তন কাউন্সিলাৰ ইকবাল আহমেদৰ বিৰুদ্ধে উত্থাপিত হোৱা প্ৰৱঞ্চনা, ব্লেকমেইলিং আদি অভিযোগকো খণ্ডন কৰে স্থানীয় ৰাইজে। উল্লেখ্য যে কিছু অসাধু চক্ৰই ব্যক্তিগত স্বাৰ্থসিদ্ধিৰ উদ্দেশ্যে ইকবাল আহমেদৰ সামাজিক মান-সন্মান ক্ষুণ্ণ কৰিবলৈ এই ধৰণৰ মিছা অভিযোগ প্ৰচাৰ কৰা হৈছে। উন্নয়নমূলক কাম-কাজক লৈ এনেধৰণৰ অপপ্ৰচাৰ চলাই অঞ্চলটোৰ শান্তি-সম্প্ৰীতি বিঘ্নিত কৰাৰ প্ৰচেষ্টা বন্ধ কৰিবলৈ সকিয়াই দিয়ে স্থানীয় ৰাইজে। ইতিমধ্যে স্থানীয় ৰাইজে খণ্ড উন্নয়ন বিষয়াক সমগ্ৰ বিষয়ে অৱগত কৰি কয় যে, হিন্দুব্লক পঞ্চায়তৰ অন্তৰ্গত ৬নং ৱাৰ্ডত নিৰ্মাণ কাৰ্য চলি থকা আধৰুৱা হৈ থকা পথটোৰ বাকী থকা ধন সমূহ মুকলাই দিবলৈ অনুৰোধ জনায়।

# নাহৰকটীয়াৰ দিছাম চাহ বাগিচাত অইল ইণ্ডিয়া বিৰুদ্ধে আট্ছা আৰু চাহ শ্ৰমিকৰ তীব্ৰ প্ৰতিবাদ

**অসম বাৰ্তা, নাহৰকটীয়া, ১২ ফেব্ৰুৱাৰী ঃ**নাহৰকটীয়াৰ দিছাম চাহ বাগিচাৰ কৰ্তপক্ষই গোপন আলোচনা কৰি বাগিচাখনৰ চাহ শ্ৰমিকক সৈতে কোনোধৰণৰ আলাপ আলোচনা নকৰাকৈ অইল ইণ্ডিয়া লিমিটেডক বাগিচাখনৰ প্ৰায় ২৫ বিঘাৰো অধিক মাটি প্ৰদান কৰিছে। বাগিচাখনত অইল ইণ্ডিয়া লিমিটেডে চাহ গছ জেচিবি লগাই উচ্ছেদ কৰিবলৈ আৰম্ভ কৰোঁতেই বাগিছা খনৰ চাহ স্বমিকে তীব্ৰ বিৰোধিতাই অইল ইণ্ডিয়াক উচ্ছেদ কাৰ্য বন্ধ কৰিবলৈ বাধ্য কৰায়। বাগিচাখনত অইল ইণ্ডিয়া লিমিটেডৰ দ্বাৰা চাহ বাগিচা উচ্ছেদ কৰা কাৰ্যক তীব্ৰ বিৰোধিতা কৰি চাহ জনজাতি ছাত্ৰ সন্থা, অসম চাহ মছদুৰ সংঘ আৰু বাগিচাখনৰ শ্ৰমিকে চাহ বাগিচাত অইল ইণ্ডিয়াইয়ে চাহ গছ উচ্ছেদ কৰা স্থলীতে অইল ইণ্ডিয়াৰ বিৰুদ্ধে এক প্ৰতিবাদী কাৰ্যসূচী সাব্যস্ত কৰে। অইল ইণ্ডিয়া লিমিটেড গ' বেক, বাগিচাৰ কৰ্তৃপক্ষই হুঁচিয়াৰ, চাহ বাগিচা উচ্ছেদ বন্ধ কৰক ইত্যাদি শ্ল'গানেৰে প্ৰতিবাদীকাৰীসকলে প্ৰতিবাদস্থলী উতাল কৰি তোলে। প্ৰতিবাদীকাৰীসকলে অইলৰ গাড়ীবোৰ বাগিচা ত্যাগ কৰিবলৈ বাধ্য কৰায়। অইল ইণ্ডিয়া লিমিটেডৰ দ্বাৰা চাহ বাগিচা উচ্ছেদ কাৰ্য বন্ধ কৰাৰ দাবীত আট্ছা নাহৰকটীয়া আঞ্চলিক সমিতিয়ে ডিব্ৰুগড় জিলাৰ আয়ুক্তলৈ এখনি স্মাৰক পত্ৰ প্ৰেৰণ কৰে আৰু বাগিচাৰ উচ্ছেদ কাৰ্যক কোনো কাৰণতে মানি লোৱা নহব আৰু উক্ত সিদ্ধান্ত প্ৰত্যাহাৰ কৰিবলৈ বাগিচাখনৰ কৰ্তৃ পক্ষলৈও সংগঠনটোৱে এখনি স্মাৰক পত্ৰ প্ৰেৰণ কৰে। প্ৰতিবাদস্থলীত আট্ছা ডিব্ৰুগড় জিলা সমিতিৰ উপ সভাপতি বিচু কন্দ, উপদেষ্টা সত্যম নায়ক আট্ছা শাখা সমিতি সভাপতি বচন গুৱালা, সম্পাদক অভিজিৎ গুৱালা আৰু মছদুৰ সংঘ শাখা সহ সম্পাদক ৰাজেশ এক্কা লগতে কেউতা সংগঠনৰ শাখা উপ-শাখা বিষয়ববীয়া আৰু শতাধিক বাগিচাখনৰ শ্ৰমিক উপস্থিত থাকে।

### স্কুটীৰ বাকচ খুলি লুটি নিলে নগদ এক লাখ টকা

# হাজোৰ ৰাজপথত দিন দুপৰতে ধন লুটৰ ঘটনা

**অসম বাৰ্তা, হাজো, ১৪ ফেব্ৰুৱাৰী ঃ** তীৰ্থনগৰী হাজোৰ ৰাজপথত দিন দুপৰতে চাঞ্চল্যকৰ ধন লুটৰ ঘটনা সংঘটিত হৈছে। ৰখাই থোৱা এখন দুচকীয়া বাহনৰ পৰা ডকাইতৰ দলে লুটি নিলে নগদ এক লাখ টকা। ঘটনা অনুসৰি দমদমাৰ নৰেন্দ্ৰ মালাকৰ নামৰ লোকজনে হাজোস্থিত ষ্টেট বেংকৰ শাখাৰ পৰা নগদ এক লাখ টকা উলিয়াই আনি হাজো পানীপাৰাৰ এটি দুচকীয়া বাহনৰ শ্ব' ৰুমৰ সমুখত ৰখাই এখন হাৰ্ডৱেৰ দোকানত বস্তু কিনিবলৈ সোমাই। সেই সময়তেই তেখেতৰ এএছ ০১ ডি ডব্লিউ -০৫০৯ নম্বৰৰ দুচকীয়া বাহনখনৰ পৰা এটা দুজনীয়া চোৰৰ দলে বাহনখনৰ আসনৰ তলা খুলি লৈ যায় নগদ ধনৰ লগতে বেংকৰ দুখনকৈ পাচবুক। দিন দুপৰতে সংঘটিত হোৱা এই ঘটনাৰ সমগ্ৰ দৃশ্য বন্দী হৈছে চি চি টিভিৰ কেমেৰাত। ইতিমধ্যে ঘটনাস্থলীত হাজো আৰক্ষী উপস্থিত হৈ চি চি টিভিৰ দৃশ্য সংগ্ৰহকৰি আৰম্ভ কৰিছেতদন্ত।

### শিল্পী প্ৰতিভা দেৱীক লোকশিল্পী বঁটা-২০২৬ প্ৰদান

# বৰমণিপুৰত বিশ্ব অনাঁতাৰ দিৱস উদ্‌যাপন

**অসম বাৰ্তা, বেৰেজীয়া, ১৪ ফেব্ৰুৱাৰী ঃ** "ৰেডিঅ'ই জনসাধাৰণৰ মাজত যুগ যুগ ধৰি বিভিন্ন তথ্যৰ লগতে মানুহৰ মনোৰঞ্জনৰ অভাৱ পূৰণ কৰি আহিছে। শিশুৰ পৰা বৃদ্ধলৈ ভিন্ন ধৰণৰ মাধ্যমৰ যোগেদি এক দীঘলীয়া যাত্ৰাৰে ৰেডিঅ' বৰ্তমান সময়তো এক শক্তিশালী গণমাধ্যম। ছাত্ৰ-ছাত্ৰী সকলে ৰেডিঅ' অনুষ্ঠান সমূহৰ জৰিয়তে জীৱনৰ জ্ঞান অহৰণ কৰিব পাৰে।" - এই মন্তব্য মধ্য অসম ৰেডিঅ' শ্ৰোতা সংঘৰ সঞ্চালক ৰাহুল দেৱ বৰদলৈৰ। আজি মধ্য অসম ৰেডিঅ' শ্ৰোতা সংঘই নগাঁও-মৰিগাঁও জিলাৰ সীমামুৰীয়া অঞ্চল বৰমণিপুৰত অৱস্থিত শংকৰ- আজান জাতীয় বিদ্যালয়ত দিনযোৰা কাৰ্যসূচীৰে আয়োজন কৰা বিশ্ব অনাঁতাৰ দিৱসৰ মুকলি সভাত বক্তব্য ৰাখি বৰদলৈয়ে এনেদৰে কয়। দিনৰ ১১বজাত বিশিষ্ট সমাজকৰ্মী নোমল চন্দ্ৰ বৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাত অংশগ্ৰহণ কৰে শ্ৰোতা সংঘৰ মুখ্য সঞ্চালক কিৰণ চন্দ্ৰ নাথ, বিদ্যালয়খনৰ প্ৰধান শিক্ষক আবিদুৰ ৰহমান, লোকশিল্পী মিলেশ্বৰ ডেকা, চহা শিল্পী সুৰেশ হাজৰিকা, দুৰ্গাপ্ৰসাদ নাথকে ধৰি বহু সংখ্যক ৰাইজ। অনুষ্ঠানৰ আৰম্ভণিতে সোণতৰা বৰদলৈ আৰু সংগী সকলৰ কণ্ঠত নাম পৰিবেশন, সুৰেশ হাজৰিকাই পৰিবেশন কৰা খগেন মহন্তৰ কালজয়ী গীতৰ পিছতে ছাত্ৰ-ছাত্ৰী সকলৰ মাজত বিচিত্ৰা অনুষ্ঠান অনুষ্ঠিত হয়। এই সভাতে মধ্য অসম ৰেডিঅ' শ্ৰোতা সংঘই প্ৰবৰ্তন কৰা লোকশিল্পী বঁটা-২০২৬ প্ৰতিভা দেৱীলৈ আনুষ্ঠানিকভাৱে প্ৰদান কৰা হয়। এই বঁটাৰ লগত এখনি ফুলাম গামোছা, চেলেং চাদৰ, জাপি, এটি স্মাৰক আৰু সম্বৰ্ধনা পত্ৰ আছে। অনুষ্ঠানৰ লগত সংগতি ৰাখি পুৱা ৯ বজাত এখন বাহনত এটা বৃহৎ আকাৰৰ ৰেডিঅ' লৈ নগাঁও টাউনৰ মাজেৰে ঘূৰাই ৰাইদঙীয়া, চকলাঘাট, মাজগাঁৱেৰে আহি এক ব্যতিক্ৰমী ভ্ৰমণ সূচীৰে ১১ বজাত সভাস্থলিলৈ অহা হয়। মূল সভাৰ আগেয়ে ছাত্ৰ-ছাত্ৰী সকলৰ মাজত চিত্ৰাংকণ আৰু আকস্মিক বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত হয়। বিয়লি ৩ বজাত অনুষ্ঠানৰ সামৰণি পৰে।

# "সদৌ অসম ঘাটোৱাৰ সমাজ"ৰ ৩১ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন




**অসম বাৰ্তা, নামতি, ১৪ ফেব্ৰুৱাৰী ঃ** অসম আৰু অসমীয়াৰ জাতি গঠন প্ৰক্ৰিয়াত চাহ শিল্পৰ যোগেদি অনবদ্য অৱদান আগবঢ়াই অহা ঘাটোৱাৰ সমাজে আৰ্থ - সামাজিক আৰু বৌদ্ধিক বিকাশৰ লক্ষ্যৰে ১৯৯৫ চনৰ ১২ ফেব্ৰুৱাৰীত ইতিহাস প্ৰসিদ্ধ নাজিৰাৰ লিগিৰীপুখুৰী চাহবাগিচাত জন্ম দিয়া "সদৌ অসম ঘাটোৱাৰ সমাজ"য়ে সাংবিধানিক ভাৱে ৩১টা বৰ্ষত ভৰি দিয়ে। এই শুভক্ষণত ১২ ফেব্ৰুৱাৰীত দিনজোৰা বৰ্ণাঢ্য কাৰ্যক্ৰমণিকাৰে লিগিৰীপুখুৰী চাহ বাগিচা পূজাঁ মণ্ডপত "সদৌ অসম ঘাটোৱাৰ সমাজ"ৰ ৩১ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। কাৰ্যক্ৰমণিকা অনুসৰি পুৱা সমাজৰ পতাকা উত্তোলন কৰে সদৌ অসম ঘাটোৱাৰ সমাজৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি কৈলোপ্ৰসাদ ঘাটোৱাৰে। উদ্‌যাপন সমিতিৰ সভাপতি অমৃত ঘাটোৱাৰে স্মৃতি তৰ্পণ অনুষ্ঠানৰ পাতনি মেলাৰ পিছতে গছপুলি ৰোপণ কৰে পৰেশ ঘাটোৱাৰ আৰু তিলক ঘাটোৱাৰে। ইয়াৰ পিছতে বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে কণ্ঠশিল্পী আবৃত্তি ঘাটোৱাৰে। সমাজৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰী সকলৰ বৌদ্ধিক আৰু মানসিক বিকাশৰ উদ্দেশ্য আগত ৰাখি চিত্ৰাংকণ, কুইজ, সংগীত চকী, ৰছী টনা আদি বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰে। বিয়লি সদৌ অসম ঘাটোৱাৰ সমাজৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি কৈলোপ্ৰসাদ ঘাটোৱাৰৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত বিশিষ্ট সমাজকৰ্মী পৰেশ ঘাটোৱাৰ, অৱসৰী প্ৰধান শিক্ষক তথা সমাজ সংগঠক বৰুণ ৰাজোৱাৰ, ৰাজেন ৰাজোৱাৰ, ক্ষীৰদা ঘাটোৱাৰ, সংবাদসেৱীদ্বয় দিলীপ হাজৰিকা আৰু ৰঞ্জিত সভাপণ্ডিত আদিকে ধৰি ভালেকেইজনে বক্তব্যৰ প্ৰসংগত চাহ জনগোষ্ঠীৰ উত্তৰণৰ ক্ষেত্ৰত ঘাটোৱাৰ সমাজৰ অৱদান আৰু সাম্প্ৰতিক প্ৰেক্ষাপটত চাহ জনগোষ্ঠীৰ ভূমিকা আদিৰ দিশত আলোকপাত কৰে। উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি ভূপেন ঘাটোৱাৰে আঁতধৰা অনুষ্ঠানৰ মুকলি সভাতেই প্ৰতিযোগিতাৰ বিজয়ী প্ৰতিযোগী সকলক পুৰস্কাৰ সমূহ প্ৰদান কৰে।

# সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু কাজিৰঙা জাতীয় অৰ্কিড উদ্যানত শিক্ষামূলক ভ্ৰমণ

**অসম বাৰ্তা, সৰুপথাৰ, ১৪ ফেব্ৰুৱাৰী ঃ** সৰুপথাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ শিক্ষামূলক ভ্ৰমণ। বৃহস্পতিবাৰে সৰুপথাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত তত্ত্বাৱধায়ক ড° অমৰ শইকীয়াৰ নেতৃত্বত ২৮ জনীয়া ছাত্ৰ-ছাত্ৰীৰ এটা দলে শিক্ষামূলক ভ্ৰমণ কৰে। আনুষ্ঠানিক শিক্ষাৰ সমান্তৰালকৈ ছাত্ৰ-ছাত্ৰীসকলক ক্ষেত্ৰভিত্তিক অধ্যয়ন, শিক্ষামূলক ভ্ৰমণৰ যোগেদি জ্ঞান আহৰণ ইত্যাদি দিশত অসমীয়া বিভাগে উদ্যোগ গ্ৰহণ কৰি আহিছে। বৃহস্পতিবাৰে অসমীয়া বিভাগৰ ২৮ জনীয়া ছাত্ৰ-ছাত্ৰীৰ দলে কাজিৰঙা জাতীয় অৰ্কিড উদ্যান, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ভ্ৰমণ কৰে। প্ৰথমেই তেওঁলোকে কাজিৰঙা জাতীয় অৰ্কিড উদ্যানত অৰ্কিডৰ প্ৰজাতি, ধানৰ কেইবাটাও প্ৰজাতি, অসমীয়া সমাজত প্ৰচলিত ১০১ বিধ শাকৰ বাগিচা, অসমীয়া লোক-বাদ্য, জনগোষ্ঠীয় সাজ-পাৰ, সংগ্ৰহালয় আদি পৰিদৰ্শন কৰাৰ লগতে তথ্য সংগ্ৰহ কৰে। ইয়াৰ পিছতেই এশিঙীয়া গড়ৰ বাবে বিখ্যাত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানলৈ ভ্ৰমণ কৰে। ছাত্ৰ-ছাত্ৰীসকলে ৰাষ্ট্ৰীয় উদ্যানত কিদৰে জীৱ-জন্তুসমূহ সংৰক্ষণ কৰি ৰখা হৈছে সেই দিশসমূহ প্ৰত্যক্ষ কৰে। লগতে জীৱ-জন্তুৰ প্ৰতি মানুহে গ্ৰহণ কৰিবলগীয়া দায়িত্ববোধৰ প্ৰতি সজাগ বৃদ্ধি হয়। জীৱ-জন্তুৰ প্ৰতি সমাজত বিভিন্ন সময়ত হোৱা অত্যাচাৰ, শোষণ, অমানৱীয়তা, নিৰাশ্ৰয় ইত্যাদি দিশসমূহৰ ওপৰতো ছাত্ৰ-ছাত্ৰীসকলে ৰাষ্ট্ৰীয় উদ্যানখনৰ পৰা সজাগতাৰ আদৰ্শ গ্ৰহণ কৰিব পাৰিছে। সমান্তৰালভাৱে ৰাষ্ট্ৰীয় উদ্যানখনত পৰ্যটকৰ সুবিধাৰ্থে জীপ ছাফাৰিৰ যোগেদি স্থানীয় ব্যক্তিৰ নিয়োগ পোৱা বিষয়েও তেওঁলোক অৱগত হৈছে। পূৰ্বনিৰ্ধাৰিত প্ৰশ্নসূচী অনুসৰি জৈৱ-বৈচিত্ৰ্য আৰু সংৰক্ষণৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলে স্থানীয় ব্যক্তিৰ সৈতে আলোচনা কৰে। ইয়াৰ যোগেদি ছাত্ৰ-ছাত্ৰীসকলে আলোচনাপত্ৰ প্ৰস্তুত কৰি সমল ব্যক্তিৰ সন্মুখত দাঙি ধৰিব বুলি শিক্ষক ড° অমৰ শইকীয়াই জানিবলৈ দিয়ে। সমান্তৰালকৈ কাজিৰঙা জাতীয় অৰ্কিড আৰু জৈৱ-বৈচিত্ৰ্য উদ্যানত অৰ্কিড সম্পৰ্কে জ্ঞান লাভ কৰাৰ উপৰি অসমৰ সাংস্কৃতিক দিশত জড়িত হৈ জাতি-জনগোষ্ঠীয় বহু যুৱক-যুৱতীয়ে বৃত্তিমুখী হোৱাৰ বিষয় ছাত্ৰ-ছাত্ৰীসকলে অৱগত হৈছে।

# অভয়াপুৰীত "স্বনিৰ্ভৰ নাৰী" আঁচনিৰ অধীনত শিপিনীক তাঁতশাল বিতৰণ

**অসম বাৰ্তা, অভয়াপুৰী, ১৪ ফেব্ৰুৱাৰী ঃ** অসম চৰকাৰৰ ধ্বজাবাহী "স্বনিৰ্ভৰ নাৰী" আঁচনিৰ জৰিয়তে শিপিনীসকলক স্বাৱলম্বী কৰাৰ দিশত অভয়াপুৰীত এক বিশেষ পদক্ষেপ গ্ৰহণ কৰা হৈছে। যোৱা ৯ ফেব্ৰুৱাৰী তাৰিখে অভয়াপুৰীত হস্ততাত আৰু বস্ত্ৰ শিল্প বিভাগৰ উদ্যোগত পঞ্জীয়নভুক্ত ৪২ গৰাকী নিৰ্বাচিত শিপিনীৰ ভিতৰত প্ৰথম পৰ্যায়ত ১২ গৰাকী শিপিনীৰ মাজত আনুষ্ঠানিকভাৱে তাঁতশাল বিতৰণ কৰা হয়। উক্ত বিতৰণ অনুষ্ঠানটো অভয়াপুৰী সম-জিলা আয়ুক্ত শান্তা কাৰ্কী ছেত্ৰীৰ জৰিয়তে শুভাৰম্ভ কৰা হয়। অনুষ্ঠানটোৰ আঁত ধৰে বঙাইগাঁও হস্ততাত আৰু বস্ত্ৰ-শিল্প বিভাগৰ সহকাৰী সঞ্চালক শ্ৰী ধৰ্মেশ্বৰ দাসে। অনুষ্ঠানত উপস্থিত থাকি সম-জিলা আয়ুক্তই শিপিনীসকলৰ উদ্দেশ্যে এক চমু বক্তব্য আগবঢ়ায়। তেওঁ মহিলা সবলীকৰণৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰি কয় যে, চৰকাৰৰ এনে পদক্ষেপে গাঁৱৰ শিপিনীসকলক অৰ্থনৈতিকভাৱে অধিক শক্তিশালী কৰিব আৰু তেওঁলোকক আত্মনিৰ্ভৰশীল হোৱাত সহায় কৰিব। উল্লেখ্য যে, নিৰ্বাচিত বাকী থকা শিপিনীসকলকো পৰ্যায়ক্ৰমে এই সা-সুবিধা প্ৰদান কৰা হ'ব বুলি বিভাগীয় সূত্ৰই জানিবলৈ দিয়ে। চৰকাৰৰ এই জনহিতকৰ আঁচনিৰ জৰিয়তে উপকৃত হৈ শিপিনীসকলে আনন্দ প্ৰকাশ কৰিছে।

# আগমনীত বাউসেৰ-কুটি খোৱাপানী যোগান কমিটিৰ নিৰ্বাচন

**অসম বাৰ্তা, আগমনি, ১৪ ফেব্ৰুৱাৰী ঃ** ধুবুৰী জিলাৰ অসম বংগ সীমান্তৰ বাউসেৰকুটি খোৱাপানী যোগান আঁচনিৰ কমিটিক লৈ উত্তেজনা। ভোটদান প্ৰক্ৰিয়াৰে পুৰণি কমিটি বাহাল। বাউসেৰকুটি খোৱাপানী যোগান আঁচনিৰ কমিটিক লৈ গাঁওখনত সৃষ্টি হয় দুটা ফৈদৰ কাজিয়া। এটা ফৈদে নতুন কমিটি গঠনৰ দাবী জনায়। আন এটা ফৈদে পুৰণি কমিটি বাহালৰ দাবী জনায়। ইয়াকে লৈ গাঁৱ খনত ৰাইজৰ মাজত তীব্ৰ উত্তেজনাৰ সৃষ্টি হয়। অৱশেষত ভামনডাঙা গাঁও পঞ্চায়তৰ সভানেত্ৰী মনিষা খাতুনৰ সভাপতিত্বত এখন সভা অনুষ্ঠিত হয়। সভাত পঞ্চায়ত সচিব ইজাজুল হক, ধুবুৰী জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অভিযন্তা ৰাজ কুমাৰ চৌধুৰী আৰু কৰ্মচাৰী মহিবুৰ ৰহমান, মেহবুব আলমো উপস্থিত থাকে। সভাত নতুন কমিটি গঠন আৰু পুৰনি কমিটি বাহালক লৈ মতানৈক্যৰ সৃষ্টি হয়। অবশেষত সভাই ভোটদান প্ৰক্ৰিয়াৰে সমাধানৰ প্ৰস্তাৱ গ্ৰহণ কৰে। সেই মৰ্মে সভাত উপস্থিত ৰাইজৰ মাজত ভোটদান অনুষ্ঠিত হয়। ভোটত পুৰণি কমিটি বাহালৰ পক্ষত অধিকাংশ ৰাইজে ভোটদান কৰে।

### মাজুলীৰ অসুস্থ দলীয় নেতা কিৰণ কুমাৰ মেধিক দিলে দুই লাখ টকাৰ চেক

# অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বদান্যতা



**অসম বাৰ্তা, উজনী মাজুলী, ১৪ ফেব্ৰুৱাৰী ঃ** অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মাজুলীৰ এজন সক্ৰিয়, অসুস্থ দলীয় কৰ্মীৰ হাতত আজি দুই লাখ টকাৰ চেক প্ৰদান কৰি এক মহানুভৱতা দেখুৱালে। নামনি মাজুলীৰ চিলাকলাৰ বাসিন্দা, ভাৰতীয় জনতা পাৰ্টিৰ মাজুলী জিলা অনুসূচিত জাতি মৰ্চাৰ প্ৰাক্তন সভাপতি কিৰণ কুমাৰ মেধিক আজি দুই লাখ টকাৰ চেক প্ৰদান কৰে। নাৰ্ভৰ জটিল ৰোগত আক্ৰান্ত কিৰণ কুমাৰ মেধিয়ে কালি মাজুলী ভ্ৰমণলৈ অহা অসম চৰকাৰৰ মুখ্যমন্ত্ৰী ডঃহিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰি তেওঁৰ অসুস্থতাৰ খবৰ দিছিল। কালি মাজুলীত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আৰ্চনিৰ চেক বিতৰণ অনুষ্ঠান ৰূপায়ণ কৰি ষ্টেজৰ পৰা নামি অহাৰ পাছতে অসুস্থ দলীয় কৰ্মী কিৰণ মেধিক সাক্ষাৎ কৰে। নামনি মাজুলী চিলাকলা গাঁৱৰ নিৱাসী আৰু মাজুলী জিলাৰ ভাৰতীয় জনতা পাৰ্টী সক্ৰিয় কাৰ্যকৰ্তা তথা প্ৰাক্তন অনুসূচিত জাতি মৰ্চাৰ সভাপতি কিৰণ কুমাৰ মেধিয়ে মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰি তেওঁৰ স্বাস্থ্যজনিত জটিলতা বৰ্ণনা কৰে। উক্ত সাক্ষাৎ কালতে ড° হিমন্ত বিশ্ব শৰ্মাই কম সময়ৰ ভিতৰত আৰ্থিক সাহায্য হিচাপে ২০০০০০.০০ (দুই লাখ )টকাৰ ধন ৰাশি প্ৰদান কৰিব বুলি ঘোষণা কৰিছিল। মাজুলীৰ বিধায়ক ভুৱন গামৰ জৰিয়তে আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ উক্ত আৰ্থিক সাহায্যৰ চেকখন অসুস্থ দলীয় নেতা কিৰণ মেধিৰ বাসগৃহলৈ প্ৰেৰণ কৰে। আজি দুপৰীয়া ভাৰতীয় জনতা পাৰ্টিৰ এটা সঁজাতি দলে কিৰণ মেধিৰ চিলাকলা বাসগৃহত উপস্থিত হৈ দুই লাখ টকাৰ উক্ত চেকখন প্ৰদান কৰে। এই আৰ্থিক সাহায্যৰ উক্ত চেকখন আজি মাজুলী জিলা ভাৰতীয় জনতা পাৰ্টীৰ সভাপতি দীপক গোস্বামীয়ে কিৰণ মেধিৰ বাসগৃহত গৈ অসুস্থ মেধিৰ হাতত অৰ্পণ কৰে। উক্ত, চেক বিতৰণ অনুষ্ঠানত ভাৰতীয় জনতা পাৰ্টিৰ নামনি মাজুলী মণ্ডলৰ সভাপতি প্ৰেমকান্ত মেধি, সাধাৰণ সম্পাদক নৱজিত মিলি, মধ্য মাজুলী মণ্ডলৰ সভাপতি উৎপল ভেৰুৱা, চিলাকলা গাঁও পঞ্চায়তৰ সভানেত্ৰী সুমিত্ৰা হাজৰিকা, শক্তিকেন্দৰ আহ্বায়ক মিনাৰাম মিলিৰ উপস্থিতিত চেকখন প্ৰদান কৰা হয়। উক্ত, চেকখন গ্ৰহণ কৰি ভাৰতীয় জনতা পাৰ্টিৰ কিৰণ মেধিয়ে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক গভীৰ কৃতজ্ঞতা জ্ঞাপন কৰে আৰু তেওঁৰ চিকিৎসাৰ ক্ষেত্ৰত ডাঙৰ সহায় হ'ব বুলি উল্লেখ কৰে।

# বাক্সাৰ শিৱৰাত্ৰি উপলক্ষে নাগাৰা নামৰ প্ৰয়োভৰ

**অসম বাৰ্তা, বাগানপাৰা, ১৪ ফেব্ৰুৱাৰী ঃ** শিৱভক্ত সকলে অসমৰ বিভিন্ন প্ৰান্তত আয়োজন কৰিছে মহাশিৱৰাত্ৰি পূজা। শিৱৰাত্ৰি পূজা উপলক্ষ্যে আয়োজন কৰিছে ওজাপালি, ঢুলীয়া, নাট্যাভিনয়, সাংস্কৃতিক অনুষ্ঠানৰ লগতে নাগাৰা নামৰ অনুষ্ঠান। সমান্তৰালভাৱে অসমৰ বিভিন্ন ঠাইৰ লগতে বাক্সা জিলাৰ নবস্তি অঞ্চলটো আয়োজন কৰিছে মহাশিৱৰাত্ৰি পূজা। কোনো কোনো ঠাইত এদিনীয়া, কোনো কোনো ঠাইত তিনিদিনীয়াৰ পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে মহাশিৱৰাত্ৰি পূজাৰ আয়োজন কৰিছে। বাক্সা জিলাৰ শিমলাবাৰী দক্ষিণ চুবুৰীত এদিনীয়া কাৰ্যসূচীৰে উদ্‌যাপন কৰিবলৈ লোৱা মহাশিৱৰাত্ৰি পূজাত মহিলা নাগাৰা নামৰ আয়োজন কৰা হৈছে। এই শিৱৰাত্ৰি পূজাত চিপাঝাৰ সাতখলি গাঁৱৰ পাঠক বিভাৱাণী ডেকাই নাগাৰা নাম পৰিবেশন কৰিব। শিমলাবাৰী সকেৰা চুবুৰীত কামৰূপৰ ননৰা গাঁৱৰ পাঠক বলিন কলিতা আৰু বাইহাটা চাৰিআলিৰ পাঠক পংকজ প্ৰিয়ম কাকতিয়ে নাগাৰা নাম পৰিবেশন কৰিব। নবস্তি চ'কত অনুষ্ঠিত হ'ব লগা শিৱৰাত্ৰি পূজাত তামোলপুৰৰ মহিলা পাঠক তুলিকা ৰাভাই নাগাৰা নাম পৰিবেশন কৰিব। বড়িকাদঙা দীঘেলীয়া চুবুৰীত তিনিদিনীয়া কাৰ্যসূচীৰে উদ্‌যাপন কৰিবলৈ লোৱা মহাশিৱৰাত্ৰি পূজাত কামৰূপৰ গাছবাৰী গাঁৱৰ পাঠক ৰুণুমী নাথ আৰু নলবাৰীৰ ঘোহকুছিৰ বিকি কলিতাই নাগাৰা নাম পৰিবেশন কৰিব। সেইদৰে বড়িকাদঙা ঢোপৰতল চুবুৰীত মহিলা নাগাৰা নাম, বড়িকাদঙা গেৰুৱা গাঁৱত অনুষ্ঠিত হ'ব লগা শিৱৰাত্ৰি পূজাত সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

### 'ধৈৰ্য আৰু একাগ্ৰতা কৃতকাৰ্যতা লাভৰ সঁচাৰকাঠী' - ড° দেৱজিৎ শইকীয়া

# মাজুলী মহাবিদ্যালয়ত মত বিনিময় অনুষ্ঠান সম্পন্ন

**উজনী মাজুলী, ১৪ ফেব্ৰুৱাৰী ঃ** ধেমাজি জিলাৰ আগশাৰীৰ শিক্ষানুষ্ঠান মৰিধল মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ এটা শিক্ষাৰ্থীৰ দলৰ সৈতে আজি মাজুলী মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ এক মত বিনিময় অনুষ্ঠান সম্পন্ন হয়। মাজুলীত শিক্ষামূলক ভ্ৰমণৰ বাবে অহা মৰিধল মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলে মাজুলীৰ বিভিন্ন স্থানত ক্ষেত্ৰভিত্তিক অধ্যয়ন সম্পন্ন কৰাৰ অন্তত মাজুলী মহাবিদ্যালয়ত উপস্থিত হৈ মহাবিদ্যালয়খনৰ গ্ৰন্থাগাৰত কিছুসময় অতিবাহিত কৰে। দিনৰ ১ বজাৰ পৰা মহাবিদ্যালয়ৰ পদ্মকান্ত দেৱ গোস্বামী সভাকক্ষত অনুষ্ঠিত বিশেষ মত-বিনিময় অনুষ্ঠান পৰিচালনা কৰে মাজুলী মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়াই। অনুষ্ঠানৰ আৰম্ভণিতে মাজুলী মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ তৰফৰ পৰা অভ্যাগতসকলক আদৰণি জনোৱা হয়। মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই




শিক্ষাৰ্থীসকলক উদ্দেশ্য কয়, "ধৈৰ্য আৰু একাগ্ৰতাই হ'ল জীৱনত কৃতকাৰ্যতা লাভৰ সঁচাৰকাঠী। এই দুয়োটা গুণৰ কৰ্ষণ কৰা শিক্ষাৰ্থীয়ে কেতিয়াও আনৰ হাতলৈ-মুখলৈ চাই জীৱন অতিবাহিত কৰিবলগীয়া নহয়।" লগতে অধ্যক্ষ ড° শইকীয়াই মৰিধল মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰলৈ এটা কিতাপৰ টোপোলা আগবঢ়ায়। অনুষ্ঠানত উপস্থিত থাকি মাজুলী মহাবিদ্যালয়ৰ শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, আই. কিউ. এ. চি. ৰ সমন্বয়ক বসন্ত বৰা, অৱসৰপ্ৰাপ্ত অধ্যক্ষ নৰেন চন্দ্ৰ ঠাকুৰীয়া, মৰিধল মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ মুৰব্বী অধ্যাপিকা সান্ত্বনা শইকীয়া, অধ্যাপক ড° বিজয়কৃষ্ণ নাথ, মাজুলী মহাবিদ্যালয়ৰ অধ্যাপিকা ড° জয়া কলিতা গগৈ, অধ্যাপক আচাৰ্য মোহন দাস আৰু জাহ্নৱী বৰুৱাই শিক্ষাৰ্থীসকলক উদ্দেশ্য বক্তব্য আগবঢ়ায়। শিক্ষাৰ্থীসকলৰ ফালৰ পৰা মাজুলী মহাবিদ্যালয়ৰ মানস প্ৰতিম বৰুৱা, পল্লৱ দাস, জয়সিং ক্ৰ', মৰিধল মহাবিদ্যালয়ৰ দ্ৰোণ গগৈ, কপিল কোঁৱৰ, জানমণি বৰা আদিয়ে মত প্ৰকাশ কৰে। উল্লেখ্য, বিগত সময়ছোৱাত মৰিধল মহাবিদ্যালয়ৰ সৈতে মাজুলী মহাবিদ্যালয়ে বুজাবুজি চুক্তি সম্পন্ন কৰি দুয়োখন মহাবিদ্যালয়ৰ যৌথ সহযোগিতাত বিভিন্ন শৈক্ষিক কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে।

# ৰাষ্ট্ৰপতি বঁটা প্ৰাপক পৰ্বতঝোৰা মহকুমাৰ অন্তৰ্গত দেৱীতোলাৰ অপিলা ৰাভাৰ মৃত্যু, দেৱীতোলাত শোকৰ ছাঁ

**অসম বাৰ্তা, পৰ্বতঝোৰা, ১২ ফেব্ৰুৱাৰী ঃ** ৰাষ্ট্ৰপতি বঁটা প্ৰাপক পৰ্বতঝোৰা মহকুমাৰ অন্তৰ্গত দেৱীতোলাৰ অপিলা আজি বিয়লি শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল প্ৰায় ৬২ বছৰ। জানিব পৰা মতে যোৱা কিছুদিন ধৰি অপিলা ৰাভা বাৰ্ধক্যজনিত ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ আছিল। পাছত আজি পুৱা অধিক অসুস্থ হৈ পৰাত পৰিয়ালৰ লোকে তেওঁক ধুবুৰী চিকিৎসা মহাবিদ্যালয় লৈ নিয়ে যদিও তাতে তেওঁৰ মৃত্যু হোৱা বুলি জানিব পৰা গৈছে। উল্লেখ্য যে পৰ্বতঝোৰা মহকুমাৰ দেৱীতোলাৰ আমবাৰী অঞ্চলৰ বাসিন্দা শ্ৰীকান্ত ৰাভাৰ কন্যা অপিলা ৰাভা, ৰাভা সম্প্ৰদায়ৰ এগৰাকী সংগ্ৰামী মহিলা হিচাপে পৰিগণিত আছিল ৰাভা। ৰাভা সম্প্ৰদায়ৰ মহিলা সকলে ব্যৱহাৰ কৰা খামবাং ফাকচেক নামৰ বস্ত্ৰৰ বাবে ভাৰত চৰকাৰে ১৯৯১ চনত অপিলা ৰাভাক ৰাষ্ট্ৰপতি বঁটাৰে পুৰস্কৃত কৰিছিল। অতি দৰিদ্ৰ পৰিয়ালৰ সন্তান অপিলা ৰাভা সংঘৰ্ষৰে জীৱন যাপন কৰিছিল। তেওঁ ৰাভা সম্প্ৰদায়ৰ বস্ত্ৰ লৈ আমেৰিকা, অষ্ট্ৰেলিয়া, চুইজাৰলেণ্ড আদি বিভিন্ন দেশত অনুষ্ঠিত হোৱা প্ৰদৰ্শনীত অংশগ্ৰহণ কৰি সুনাম কঢ়িয়াই সক্ষম হৈছিল। আজি বিশিষ্ট সমাজকৰ্মী মহিলা অপিলা ৰাভাৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে-লগে অগণন গুণমুগ্ধৰে তাইৰ ঘৰ ভৰি পৰে। আজি চিকিৎসালয় পৰা ঘৰলৈ আনে যদিও কাইলৈ তাইৰ শেষকৃত্য সম্পন্ন কৰিব বুলি জানিব পৰা গৈছে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •

● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন